

# SONALI

সোণাৰি মহাবিদ্যালয় আলোচনী ২০১৫-১৬ বৰ্ষ

# সোণালী

সম্পাদক ঃ জ্ঞানজ্যোতি গগৈ

College Wall Magazine





Department of Physics





Annual Wall Magazine- 2015-2016




Department of English



Department of Chemistry



সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

# সোণালী

সোণাৰি মহাবিদ্যালয় আলোচনী

২০১৫-২০১৬ বৰ্ষ

SONARI COLLEGE LIBRARY
Estd 1979
Date.........

সম্পাদক ঃ জ্ঞানজ্যোতি গগৈ

# SONALI

*Sonari College Magazine 2015-2016 Edited by Gy*
*Jyoti Gogoi, published by Sonari College Studen*
*Union, 2015-2016, on behalf of Sonari College, Sona*
*(Charaideo), Pin. : 785 690*

## Editorial Board :

President : Dr. Bimal Ch.Gogoi

Editor : Sri Gyan Jyoti Gogoi

Prof.in-Charge : Dr. Rana Konwar
Mrs. Ranu Mohan
Dr. Deepanjali Gogoi
Mrs. Lindy Goodwin

Student Member :
Sri Somiran Gogoi
Sri Abhinab Lahon
Miss Sujita Urang

Cover : Sri Sachin Rai

DTP & Designing : Palash & Pankaj

Printed at : Binayak Offset, Sankar Mandir Road, Sivasagar-785 640






**Principal : Dr. Bimal Ch.Gogoi**




**Vice-Principal : Mr. Arpan Kr. Boruah**


# Editorial Board



Principal : Dr. Bimal Ch. Gogoi



Prof-in-charge
Mrs. Lindy Goodwin



Prof-in-charge
Dr. Rana Konwar



Prof-in-charge
Dr. Deepanjali Gogoi



Prof-in-charge
Mrs. Ranu Moha



Editor
Gyan Jyoti Gogoi



Student Member
Somiran Gogoi



Student Member
Abhinab Lahon




Student member
Sujita Urang

SONARI COLLEGE LIBRARY
Estd. 1970
Date..........

## Words of Thanks

- The Editor is thanksful to all whose literary contributions gave the 28th Issue of the SONALI This final shape.
- The Editor is thankful to all the member of the Editorial Board and the student Union for their constant guidance and support.
- The Editor is thankful to respected Dr. Anita Konwar and Bijoy Lakshmi Gogoi mam for their constant guidance and support.
- Many thanks to the Hon'ble Principal of Sonari College. Sir, Dr. Bimal Ch. Gogoi for his support and guidance.
- Thanks to all at Binayak Offset for their cooperation and dedication in bringing out the magazine.
- Thanks to all whose names I am unintentionally skipping but played a great sole is bringing out this magazinr.

Editor
28th Issue



## উচৰ্গা



মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক
প্ৰয়াত তুলসী গগৈদেৱৰ
স্মৃতিত 'সোণালী'ৰ ২৮তম্ সংখ্যাটি
উচৰ্গা কৰা হ'ল।



## শ্ৰদ্ধাঞ্জলি

"জাতস্য হি ধ্ৰুবো মৃত্যু ধ্ৰুবং জন্ম মৃতস্য চ।
তস্মাদ পৰিহাৰ্যেহৰ্থে ন ত্বং শোচিতুমৰ্হসি।।"

—গীতা শাস্ত্ৰ


"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিলোৰ্ভ ভাস্কৰ্য।"

— হীৰুদা

মৃত্যু চিৰন্তন সত্য। ই এটা শিল্প। জৈৱিক আয়ুসৰ অন্তত অংকৃত এক দুৰ্জয় ভাস্কৰ্য। নিষ্ঠুৰ হ'লেও ই বাস্তৱ সত্য। এই সত্যক মানি লৈ মহাবিদ্যালয়ৰ উন্নতিৰ হকে নিঃস্বাৰ্থ ত্যাগ আগবঢ়াই ইহ সংসাৰৰ পৰা যিসকলে অকালতে বিদায় মাগিলে, তেওঁলোকক হেৰুৱাত আমি শোকস্তব্ধ।


তেওঁলোকৰ বিদেহী আত্মাৰ চিৰশান্তি অৰ্থে ভগৱানৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা জনালো।

সম্পাদনা সমিতি।



## মহাবিদ্যালয়ৰ সংগীত

ৰচনা, সুৰ ঃ শ্ৰী ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই



সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হৈ;
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাততে লৈ।

সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদূৰি
হৰষে উপচাওঁ ধৰা;
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।

সৃষ্টিৰ কঠিয়া আহা গুজি দিওঁ
আমাৰ মনৰ পথাৰতে,
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি
জ্ঞানৰ পূজাৰী হৈ
জ্ঞানৰ পূজাৰী হৈ।



# সদৌ অসম ছাত্ৰ সন্থা
## ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.Q.: GUWAHATI UNIVERSITY - 781014

দিনাংক ২৯/০২/২০১৬





### শুভেচ্ছাবাণী

মহাবিদ্যালয়ৰ শৈক্ষিক, বৌদ্ধিক, সাহিত্য -সংস্কৃতিৰ চিন্তা-চৰ্চাৰ প্ৰসাৰ আৰু প্ৰতিভা বিকাশৰ মান নিৰ্ণয়ৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা সম্পাদিত মহাবিদ্যালয়ৰ মুখপত্ৰখনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত হৈ থকা সৃজনী প্ৰতিভা সমূহ আলোচনীৰ যোগেদি উন্মেষ ঘটে তথা তেওঁলোকৰ সৃষ্টিৰাজিৰ লগতে সমস্যা সমূহো প্ৰতিফলন ঘটে। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমন্বয় আৰু সাংগঠনিক সেতু নিৰ্মাণকৰণত বিশেষ ভূমিকা গ্ৰহণ কৰে।

সোণাৰি মহাবিদ্যালয়ৰ দাপোন স্বৰূপ 'সোণালী' আলোচনীখনৰ ২০১৫-২০১৬ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিব বুলি জানি খুব আনন্দিত হৈছো। আশাকৰো 'সোণালী'ৰ জৰিয়তে সোণাৰি মহাবিদ্যালয়ৰ সকলো দিশৰ বাস্তৱ প্ৰতিচ্ছবি প্ৰতিফলন হওঁক। সুস্থ সুন্দৰ নতুন চিন্তাশক্তি সম্পন্ন সু-লেখক তথা সু-নাগৰিকৰ জন্ম হওঁক। আলোচনীখন সকলোৰে মনোগ্ৰাহী তথা প্ৰতিটো প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হওঁক।


শেষত, সৰ্বাঙ্গসুন্দৰ ৰূপত 'সোণালী' প্ৰকাশ হোৱাৰ শুভকামনাৰে।

।। জয় আই অসম।।

বিনীত-

দীপাংক কুমাৰ নাথ
সভাপতি
সদৌ অসম ছাত্ৰ সন্থা

লুৰিণজ্যোতি গগৈ
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা



।। জয় আই অসম ।।

অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ

ASOM JATIYATABADI YUBA-CHATRA PARISHAD

কেন্দ্ৰীয় সমিতি ঃ চান্দমাৰী, গুৱাহাটী - ৭৮১০০৩

CENTRAL COMMITTEE : CHANDMARI, GUWAHATI - 781 003

ESTD. : 1978


প্ৰসঙ্গ [illegible]/২৪/16 দিনাংক ২৩/১১/২০১৬


## শুভেচ্ছাবাণী

নৱ গঠিত চৰাইদেউ জিলাৰ সোণাৰিত অৱস্থিত সোণাৰি মহাবিদ্যালয়ে অঞ্চলটোৰ শৈক্ষিকক্ষেত্ৰখনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। জানিবলৈ পাই সুখী হৈছো যে প্ৰতি বছৰৰ দৰে এইবাৰো সোণাৰি মহাবিদ্যালয়ৰ পৰা এখন বাৰ্ষিক আলোচনী প্ৰকাশৰ যো-জা কৰা হৈছে। এই আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক প্ৰতিভা বিকশিত হৈ সমাজ আৰু দেশৰ বৌদ্ধিক তথা সাংস্কৃতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰিলোঁ। আলোচনীখনত প্ৰকাশিত হোৱা প্ৰতিটো লেখনিয়ে লেখক-লেখিকাসকলৰ স্বকীয় প্ৰতিভা প্ৰতিফলিত কৰাৰ লগতে নতুন চিন্তা চেতনাৰ উন্মেষ যোগাওক। সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী আৰু কৰ্মকৰ্তা সকললৈ আন্তৰিক শুভকামনা যাঁচিলো।

(পলাশ চাংমাই)
সাধাৰণ সম্পাদক
অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ
কেন্দ্ৰীয় সমিতি

আমাৰ দাবী ঃ পূৰ্ণ স্বায়ত্ত শাসন আৰু দ্বি-নাগৰিকত্ব প্ৰৱৰ্তন ★ আমাৰ লক্ষ্য ঃ জাতীয়তাবাদৰ ভেটিত সাম্যবাদ





সম্পাদকীয়

## শ্ৰদ্ধা নিবেদন

'সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হৈ;
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাততে লৈ।'

মহাবিদ্যালয় সংগীতত উল্লেখ থকা কলা বিজ্ঞানৰ এই বন্তিৰে প্ৰজ্বলিত হৈ থকা জ্ঞান মন্দিৰটি ১৯৭০ চনৰ ৫ আগষ্টত প্ৰতিষ্ঠা হৈছিল। বৰ্তমান ইয়াৰ জ্যোতিৰে উজ্জ্বলিত কৰি তুলিছে সমগ্ৰ অঞ্চলৰ লগতে অসমৰ উচ্চ শিক্ষা ব্যৱস্থা, য'ত আমি লাভ কৰিছো আমাৰ জীৱনৰ আদিপাঠ। এই ক্ষণত কলা আৰু বিজ্ঞানৰ বন্তি জ্বলাই আমাৰ জ্ঞানৰ বাটটি চিৰদিনৰ বাবে উজ্বলাই ৰাখিবলৈ যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু শ্ৰমৰ ফলত এই জ্ঞানৰ মন্দিৰটি গঢ় লৈ উঠিছিল সেইসকল স্বনামধন্য মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদিছো।

জীৱনৰ বাবে অলপ সাহিত্য

মানুহ জাতিটো সমাজপ্ৰিয়। সুখ-শান্তিৰে ভৰপূৰ এটি জীৱন। শান্তিপূৰ্ণ এখনি সমাজ, দুষ্কৃতিমুক্ত এক পৃথিৱীৰ আশাত অনাদি কালৰ পৰাই মানুহৰ সংগ্ৰামৰ শেষ নাই। সকলোৰে আছে আশা, আছে ভাষা আৰু আছে চিন্তা-ভাৱনা, বিচাৰ-বিবেচনা কৰিব পৰা এটি মন।

ভাষা-সংস্কৃতি এটা জাতিৰ মেৰুদণ্ড। সমগ্ৰ বিশ্বৰ ভিতৰতে এটা জাতিয়ে নিজস্ব পৰিচয় দাঙি ধৰিবলৈ প্ৰথমে জাতিটোৰ সাহিত্য সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰাটো আৱশ্যক। যিহেতু সাহিত্য, সংস্কৃতি এটা জাতিৰ দাপোন স্বৰূপ। যি দাপোনত প্ৰতিফলিত হয় এটা জাতিৰ উত্থান-পতন, চিন্তাধাৰা, কলা-সংস্কৃতি, সমাজ ব্যৱস্থা আৰু জ্ঞান-বিজ্ঞান অস্থিৰ এখন স্পষ্ট ছবি। এটা জাতিৰ সাহিত্যত যিমানেই চহকী সেই জাতিটো সিমানেই উন্নতিৰ শিখৰত। সাহিত্যৰ শিক্ষাই নিজৰ লগতে আনকো কৰি তোলে গুণী-জ্ঞানী। গতিকে, সাহিত্যৰ উৰ্দ্ধমুখী গতিৰ ফলস্বৰূপে যুৱক-যুৱতীসকল হৈ পৰক অধিক উচ্চাকাংক্ষী, সাহিত্য প্ৰয়োজনীয়তাই পূৰ্ণ কৰি তোলক প্ৰত্যেকৰে জীৱন ব্যক্তিত্বপূৰ্ণ সৰ্বসুখময়।



**সময় সমাগত**

কবি যতীন্দ্ৰ নাথ দুৱাৰ ভাষাৰে —

‘চেনেহৰ সখা মোৰ শেষ অনুৰোধ
অতীতক নাযাবা পাহৰি।
সমাপি জীৱন খেলা বসুধা বুকুত
যামগই যিদিনা আঁতৰি
অতীতক নাযাবা পাহৰি।

সভ্যতাৰ চূড়ান্ত বিকাশৰ পথত মানৱ সমাজ আজি বিপৰ্যস্ত। যান্ত্ৰিকতাৰ মাজত ক্ৰমশঃ নিজৰ শিপা হেৰুৱাব ধৰিছে। সঁচা অৰ্থত আধুনিক প্ৰযুক্তিবিদ্যাই আমাক এখন উন্নত জগতত বাস কৰিবলৈ সুবিধা প্ৰদান কৰিছে। সৰ্বশক্তিমান প্ৰকৃতিৰ সতেও আমাৰ আজি সমানে ফেৰ মাৰিব পৰা কৰি তুলিছে আধুনিক যন্ত্ৰ সভ্যতাই (প্ৰকৃতিৰ কিছু ক্ষেত্ৰ বাদ দি)। আমাৰ পৃথিৱীখন সেয়েহে যেন ক্ৰমাৎ সংকুচিত হৈ আহিছে আৰু সংকুচিত হৈ পৰিছে মানুহৰ হৃদয়বোৰো। যুগ সভ্যতাই দান কৰি যোৱা উপহাৰবোৰ গ্ৰহণ কৰি সেই সুবিধাৰে বলীয়ান হৈ আমি হৈ পৰিছো অহংকাৰী। বিস্মৃতিৰ অটল গহ্বৰলৈ ঠেলি পঠাব বিচাৰিছো আমাৰ কলা-সংস্কৃতিক, ভাষাক তথা নিজস্ব সত্বাক। কিন্তু ইয়াৰ মাজতো ব্যতিক্ৰম হৈ আছে এচাম সুন্দৰৰ উপাসক, যিসকলে হৃদয়ত অনবৰতে কঢ়িয়াই লৈ ফুৰে এক সৌন্দৰ্য সন্ধানী দৃষ্টি আৰু সৃষ্টিশীল চেতনা। এওঁলোকৰ নেতৃত্বতেই এদিন আত্মবিশ্বাস হেৰুৱাই পেলোৱা অসহায় মানুহেও জীৱনদায়িনী সুধা বিচাৰি পাব, সভ্যতাৰ চূড়াত আহোৰণ কৰা অযুত লোকক পুনৰ শান্তিৰ পৃথিৱীলৈ বাট দেখুৱাব। আমি আশাবাদী ভোগবাদী মানসিকতাৰ ৰথত উঠি সুখৰ মৰীচিকা খেদা অৱশিষ্ট অংশইও এদিন আওৱাব এই সুন্দৰৰ মন্ত্ৰ।

আমাক বৰ্তমান সময়ত লাগে নিষ্ঠা, সততাৰে সাহিত্য চৰ্চা কৰা এচাম ব্যক্তি। কিন্তু বৰ্তমানৰ যান্ত্ৰিকতা তথা ব্যস্ততাৰ কোলাহলৰ বলি হৈ মহাবিদ্যালয়, বিদ্যালয় তথা আমাৰ জাতীয় জীৱনত সাহিত্য চৰ্চা বিষয়টো কমি অহা পৰিলক্ষিত হয়। কিন্তু এনে সময়ত অধ্যয়ন, সুক্ষ্ম জীৱন দৰ্শন তথা সমাজ সচেতনতাৰে সাহিত্য চৰ্চাত মনোনিবেশ কৰা এচাম ব্যক্তিৰ খুবেই প্ৰয়োজন।

স্বাভাৱিকতে শিক্ষাই মানুহক পোহৰ মুখৰ কৰে। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈ গৈছে ‘সংস্কৃতি বিহীনভাৱে শিক্ষিত হ’লে সমাজৰ বাবে বিপদ হৈ পৰে।’ আনহাতে সাহিত্য, সংগীত, কলাবিহীন সাক্ষাত পশু পুচ্ছহীন। শিক্ষাই মানৱীয় মূল্যবোধবোৰ ৰক্ষাত অগ্ৰসৰ হ’বলৈ প্ৰেৰণা দিয়ে। শিক্ষাই অন্যায় কৰিবলৈ শিকায়। গতিকে শিক্ষাৰ সমান্তৰালভাৱে সাহিত্য চৰ্চাও অতি প্ৰয়োজনীয়।

বৰ্তমান সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীৰেই জীৱনবোধ অগভীৰ। স্থূল ৰুচি-অভিৰুচি আৰু বিলাসিতাত নিমৰ্জ্জিত হোৱাৰ বাবে প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰে জীৱনৰ মূল্যবোধ সম্পৰ্কীয় জ্ঞানৰ অভাৱ পৰিলক্ষিত হৈছে। জীৱন সম্পৰ্কে গভীৰ চিন্তা কৰিব নোৱাৰাৰ বাবে পাৰ্থিব জীৱনৰ মোহে জীৱনত অধিক গুৰুত্ব লাভ কৰাৰ বাবে এনে হোৱা দেখা যায়। এনে পৰিস্থিতিত বাস্তৱতাৰ স্থলীত থিয় হৈ মানৱীয় মূল্যবোধেৰে সমাজখনক সজাই তুলি পৃথিৱীখনক সুন্দৰ কৰি তোলাৰ দায়িত্ব আমাৰ যুৱ প্ৰজন্মৰ। সেয়েহে আমি একতাৰ জৰীৰে বান্ধ খাই শান্তি, মৈত্ৰী, প্ৰেম আৰু একতাৰ তথা ভাতৃত্ববোধেৰে পিতৃ-মাতৃ তথা জ্যেষ্ঠজনৰ ছত্ৰছায়াত শিকি যাব লাগিব আনুষ্ঠানিক শিক্ষাৰ লগতে সামাজিক আৰু মানৱীয় মূল্যবোধৰ ভাৱধাৰা। অহা এই দেশৰ নৱপ্ৰজন্ম এগছি বন্তি জলাম, যাৰ আলোকেৰে এই দেশ মহানৰ পৰা মহানতৰ হয়। গাম আমি সকলোৰে মিলি ড° এ.পি.জে. আব্দুল কালামৰ ভাষাৰে সফলতাৰ জয়গান —

হে ভাৰতীয় যুৱক
জ্ঞান বিজ্ঞান আৰু মানৱতাৰ পূজাৰী।
তোমালোকৰ অন্তৰত
আত্মবিশ্বাস আৰু দৃঢ়তাৰ স্পন্দন আছে
উচ্চ চিন্তা আছে
আছে সৌন্দৰ্যৰ আকৰ তথা
সৃজনৰ আত্মা।

... সুন্দৰৰ এই উপাসকসকলৰ সন্ধানত আমি দূৰলৈ যোৱাৰ প্ৰয়োজন নাই। তেওঁলোক আমাৰ মাজৰে একোজন। তেওঁলোকেও খোজ পেলাইছে আমাৰ দৰেই এই যান্ত্ৰিকতাৰ সভ্যতা বিকাশৰ সমদলত। ব্যতিক্ৰম মাথো তেওঁলোক হৃদয়ৰ প্ৰয়োজনবোধ সমূহ পূৰাব পৰাকৈ সামৰ্থ হেৰুৱাই পেলোৱা নাই। মাধ্যম ভিন্ন, কিন্তু লক্ষ্য একেই। সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো বহুতৰে আছে এনে সৃষ্টিশীল প্ৰতিভা। প্ৰয়োজন মাথো এক সঠিক প্লেটফৰ্ম তথা মঞ্চ। গতিকে, এই উদ্দেশ্য আগত ৰাখি এই সংখ্যাৰ ‘সোণালী’ৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰয়াস কৰিছো এখন নিপোটল প্লেটফৰ্মৰ প্ৰয়োজন পূৰ কৰা।

## কিছু ব্যক্তিগত অভিজ্ঞতা

সোণাৰি মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত যথেষ্ট উৎফুল্লিত হৈছিলো। যদিও সকলোৰে মাজত আলোচনী বিভাগৰ সম্পাদকৰূপে পৰিগণিত আছিলো, সাহিত্য বিভাগৰ সম্পাদিকাৰ অনুপস্থিতিৰ বাবে সাহিত্য বিভাগৰ দায়িত্বও মোৰ হাততে দিয়া হৈছিল। গতিকে সময় পাৰ হোৱাৰ লগে লগে দুয়োটা গধূৰ দায়িত্বৰ কথা ভাৱি মাজে মাজে কিছু দ্বিধাগ্ৰস্ততাৰ সন্মুখীন হৈছিলো। এনে সময়ত মোৰ সাহিত্য প্ৰতি থকা সম্যক জ্ঞান আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মোৰ ওপৰত থকা আস্থাকে সাৰথি কৰিছিলো। সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণৰ পিছতেই এখন আটকধুনীয়া ‘সোণালী’ৰ সপোন দেখি দিবাস্বপ্নত ডুব গৈছিলো। এই ক্ষেত্ৰত মোৰ আগৰ সম্পাদক কল্যাণ আৰু ভৈৰৱৰ দিহা-পৰামৰ্শ বিচাৰিছিলো। কেতিয়াবা মাজে সময়ে হতাশাগ্ৰস্তও হৈছিলো। তথাপিও আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক প্ৰতিভাসমূহ প্ৰকাশৰ বাবে এক সুন্দৰ মঞ্চ দিবৰ বাবে পূৰ্ণ চেষ্টা কৰিছিলো।

কিন্তু তীব্ৰ আক্ষেপেৰে লিখিব লগা হোৱাত দুখ লাগে যে আলোচনীখনৰ কাৰণে কাম কৰি থকাৰ মাজতে মোৰ মনত কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলৰ সহাঁৰিয়ে ভাবিবলৈ বাধ্য কৰাইছিল যে ‘সোণালি’ ‘মোৰ আৰু ছাত্ৰ একতা সভা’ৰ আলাচনী। কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাহিৰে প্ৰায় বাকী সকলো ছাত্ৰ-ছাত্ৰীয়ে সময় মতে তেওঁলোকৰ লেখাসমূহ জমা দিয়া নাছিল আৰু কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক বহুবাৰ অনুৰোধ কৰাৰ পাছতহে লেখাসমূহ মোৰ হাতত দিছিল। বৰং তেওঁলোকৰ সাহিত্যিক প্ৰতিভাৰ কথা মোৰ বাবেই জ্ঞাত আছিল যদিও তেওঁলোকে আলোচনীখনৰ বাবে লেখা দিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। এনেবোৰ কাৰণতে মোৰ মনত আক্ষেপৰ সৃষ্টি হৈছিল। এই সংখ্যাৰ আলোচনীখনত কিছু নতুনত্ব আনিবলৈ চেষ্টা কৰিছিলো। কিন্তু ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগৰ অভাৱত সেই পদক্ষেপ সম্পূৰ্ণৰূপে সম্ভৱ হৈ নুঠিল।

‘সোণালী’ প্ৰস্তুতিৰ কাম হাতত লোৱাৰ সময়তে মহাবিদ্যালয়ৰ জাননী ফলকত সকলোৰে দেখাকৈ লেখা জমা দিয়াৰ শেষ তাৰিখৰ সৈতে জাননী দিছিলো। কিন্তু ইয়াৰ পাছতো খুউব কম সংখ্যক সময়মতে মোৰ হাতত পৰিছিল, যিখিনি লেখা ‘সোণালী’ প্ৰকাশৰ বাবে যথেষ্ট নাছিল। তাৰ পিছত মই যাক যেনেকৈ পাৰো লেখাসমূহ সাজু কৰিবৰ বাবে অনুৰোধ কৰিছিলো, শেষত লেখা সংগ্ৰহৰ কাম সামৰিলো যদিও লেখাৰ পৰিমাণ যথেষ্ট কম আছিল। এনেবোৰ কাৰণতে আলোচনীখনৰ উন্মোচনৰ বাবে মই কাৰ্যকালৰ আৰম্ভণিৰে পৰা ভাবি থকা ৫ আগষ্ট তথা ‘মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস’ৰ দিনা উন্মোচন সম্ভৱ হৈ নুঠিল। গতিকে, মই উপাধ্যক্ষ মহোদয় আৰু উপদেষ্টা সকলৰ সৈতে আলোচনা কৰি কিছু পলমকৈ প্ৰকাশৰ পৰিকল্পনা কৰিলো। আলোচনীখনৰ প্ৰকাশ পলম হোৱাৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

বহুতো বাধা-বিঘিনি অতিক্ৰম কৰি আমাৰ ‘সোণালী’ৰ ২৮ তম সংখ্যাই প্ৰাণ পাই উঠিল। আলোচনীখনৰ সৰ্বাংগীন সুন্দৰ কৰি তুলিবলৈ সকলো ছাত্ৰ-ছাত্ৰীৰে সহযোগিতা নিতান্তই প্ৰয়োজন। আলোচনীখনৰ বাবে লেখা দিয়াৰ দায়িত্ব ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ বুলি মই ভাবো। সকলো কাম সম্পাদকৰ হাতত এৰি দিলে আলোচনীখন সৰ্বাংগ সুন্দৰ হৈ উঠাত জটিল হৈ পৰে। দুখৰ কথা লিখনিৰ বাবে জাননী দিয়াৰ উপৰিও ব্যক্তিগতভাৱে বাৰম্বাৰ অনুৰোধ কৰাৰ পিছতো বিমুখ হ’ব লগা হৈছিল। গতিকে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ অনুৰোধ, অনাগত দিনবোৰত সকলোৱে যাতে





'সোণালী'খন আমাৰ 'আলোচনী' বুলি ইয়াৰ সৰ্বাংগীন উন্নতিৰ হকে নিজৰ নিজৰ দায়িত্ব পালনত যত্ন কৰে।

### কৃতজ্ঞতা

'সোণালী'ৰ ২৮তম সংখ্যাটি প্ৰকাশ হ'ব নে নহয় মোৰ সম্পাদনাত সেইয়া আজিৰ আগলৈকে সাঁথৰ হৈ আছিল। নানা বাধা-বিঘিনি অতিক্ৰম কৰি পলমকৈ হ'লেও আজি আমাৰ মৰমৰ 'সোণালী' প্ৰাণ পাই উঠিল।

'কৃতজ্ঞতা' মাথো দুটিমান শব্দৰে প্ৰকাশ কৰাটো অসম্ভৱ। তথাপিও আনুষ্ঠানিকতাৰ খাতিৰত লিখিবলগীয়া এক 'বিষয়বস্তু'।

সৰ্বপ্ৰথমে মোৰ কাৰ্যকালত মোৰ ছাঁৰ দৰে লাগি থাকি মোক ভুল আঙুলিয়াই দি গঠনমূলক পৰামৰ্শ আগবঢ়োৱা মোৰ উপদেষ্টা ড° ৰাণা কোঁৱৰ ছাৰ, ড° দীপাঞ্জলী বাইদেউ, ৰাণু মহন বাইদেউ, লিংদি গডউইন বাইদেউ আৰু শ্ৰদ্ধাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়লৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। তদুপৰি সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ লগতে বন্ধুবৰ্গলৈ ও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। আলোচনীখন সুচাৰুৰূপে প্ৰকাশ কৰা সহায় কৰা সম্পাদনা সমিতিৰ প্ৰত্যেকজন সদস্যৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। তদুপৰি আলোচনীখন প্ৰকাশৰ বাবে লেখা দিয়া সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।


ইয়াৰ উপৰি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যয় ২০১৫-১৬ বৰ্ষ প্ৰকাশ লগতে মোৰ কাৰ্যকালত সহায়ৰ হাত আগবঢ়োৱা সৌৰভ, অৰিন্দম, ঋতিক, অভিনৱ, সুজিতা বা নৱনিতা, অংকুৰ, কৌস্তভ, ঋতুপৰ্ণ, ত্ৰিলোচন, বিতোপন, শ্ৰীমন্ত, ৰাহুল, ৰূপাংকৰ, ময়ূৰী, ৰ'জী, শিল্পা, অমিকা, বিশ্বজিৎ, দুবৰী, কাব্যশ্ৰী, পাপৰি, নিবিৰিমা, গায়ত্ৰী, ই-চেন, মুনমী, নিকুমণি, চুপ্ৰিয়া, সমীৰণহঁতৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। তদুপৰি মহাবিদ্যালয়ৰ সকলো অধ্যাপক-অধ্যাপিকাৰ লগতে কৰ্মচাৰী তথা শেষত বিনায়ক অফচেট প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তাক সকলো কাম সুচাৰুৰূপে চলাই নিয়াৰ বাবে তেওঁলোক সকলোলৈ থাকিল আন্তৰিক কৃতজ্ঞতা।

তদুপৰি জ্ঞাতে-অজ্ঞাতে বৈ যোৱা তথা মোৰ এই কামত অনুপ্ৰাণিত কৰা সকলো শুভাকাংক্ষীলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

আলোচনীখন পলমকৈ প্ৰকাশ কৰাৰ বাবে পুনৰবাৰ সকলোৰে ক্ষমা প্ৰাৰ্থনা জনাইছো। শেষত মোৰ সীমিত জ্ঞানেৰে আলোচনীখন প্ৰকাশ কৰি উলিয়াওতে যদি কিবা অনিচ্ছাকৃত ভুল-ত্ৰুটি বৈ গৈছে তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি 'সোণালী'ৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

জ্ঞানজ্যোতি গগৈ
সম্পাদক



# সূচীপত্ৰ


✡ প্ৰবন্ধ

- মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, পৰীক্ষা আৰু ফলাফল ✡ ড° বিমল চন্দ্ৰ গগৈ/১৩
- বিশ্বশান্তি আৰু সন্ত্ৰাসবাদ ✡ নিকিতা চেতিয়া/১৬
- Adjustment Problems of Fresher and role of Teachers to solve these problems ✡ Pronita Kalita/১৮
- কম নম্বৰ — হতাশ বনাম সফলতাৰ মন্ত্ৰ ✡ টঙ্কেশ্বৰ বৰুৱা/২০
- The Secret of Happiness ✡ Rosie Thamba/২৩
- Angaraag 'Papon' Mahanta ✡ Rituparna Tasha/২৫
- গণনাট্য যুগৰ অসমত হেমাংগ বিশ্বাস আৰু জ্যোতি-বিষ্ণু ✡ ভাস্কৰজ্যোতি তালুকদাৰ/২৭
- আহোম যুগৰ ভাস্কৰ্য ✡ বনশ্ৰী গগৈ/২৯
- ছাগৰ ক্ৰীড়া ✡ চন্দ্ৰিকা কোঁৱৰ/৩১
- ৰাজনীতিৰ লগত ছাত্ৰ সমাজ ✡ জ্যোতিৰ্ময় ৰয়চৌধুৰী/৩৪

✡ কবিতা

- Where is the Spring of my Soul...? ✡ Sangeeta Roy/৩৬
- Unwritten Poetry ✡ Sachin Rai/৩৭
- অমৰ শব্দ ✡ বনশ্ৰী গগৈ/৩৮
- আকুলতা ✡ বন্দনা বৰুৱা/৩৯
- অস্ফুট হৃদয়ৰ ধ্বনি ✡ দেৱযানী গগৈ/৪০
- সময় ✡ মৌচুমী বৰুৱা/৪১
- দুৰ্ভগীয়া বন্ধুত্ব ✡ সুজিতা ওৱাং/৪২
- চকৰি ফেঁটী ✡ অভিজিৎ শইকীয়া/৪৩
- স্মৃতিৰ সুবাস বুটলি ✡ শচীন কুৰ্মী/৪৫
- মোৰ জীৱনৰ অন্তত ✡ অনিমা বৰগোহাঁই/৪৬
- নৱ পুৱাৰ দিশে ✡ অশ্বিনী গগৈ/৪৭
- সিদিনা লগ হৈছিলো ✡ চন্দ্ৰিকা কোঁৱৰ/৪৮
- প্ৰজ্ঞাসা ✡ এনিশা শৰ্মা/৪৯
- সাতসৰীৰ সময় ✡ পাপৰি গগৈ/৫০
- সপোনৰ পথ খেদি ✡ ইৰাণী গগৈ/৫১
- এখিলা সৰাপাত ✡ কংকনা গগৈ/৫২
- সৰাপাত ✡ সমীৰণ বৰগোহাঁই/৫৩
- সৰাপাত ✡ দেৱযানী গগৈ/৫৪





✡ গল্পগুচ্ছ
➢ উপহাৰ ✡ উষামণি নেওগ/৫৫
➢ বিশ্বাসঘাতকতা ✡ ইৰাণী গগৈ/৫৭
➢ সোঁৱৰণী ✡ অশ্বিনী গগৈ/৬০
➢ বেদনাহত এপাহ শেৱালী ✡ পিংকী গগৈ/৬৩
➢ এয়াইটো জীৱন ✡ চন্দন বৰুৱা/৬৬

✡ অনুভৱৰ একাঁজলি
➢ বিদায়ৰ অনুভৱ ✡ গীতিমণি বৰুৱা/৬৯
➢ জীৱনৰ দলিচাত এটি হেঙুলীয়া সপোন ✡ এনিশা শৰ্মা/৭০

✡ ভ্ৰমণ কাহিনী
➢ অৰণ্যৰ দান ✡ বাণী দেৱী/৭৩
➢ প্ৰতিবেদন/৭৮
➢ নীলাখামৰ চিঠি/৯১









# মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, পৰীক্ষা আৰু ফলাফল

ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ, সোণাৰি মহাবিদ্যালয়

জ্ঞান মন্দিৰ স্বৰূপ মহাবিদ্যালয়ত শিক্ষা আহৰণ কৰি থকা ল'ৰা-ছোৱালীকেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বোলা হয়। বিদ্যা-শিক্ষাৰ প্ৰতি আগ্ৰহ, শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি শ্ৰদ্ধা, নিয়মানুৱৰ্তীতা, বিনয়ী আদি গুণযুক্ত জনকে ভাল ছাত্ৰ বা ছাত্ৰী বুলিব পাৰি। জ্ঞানৰ প্ৰতি শ্ৰদ্ধা, শিক্ষকৰ প্ৰতি শ্ৰদ্ধা, মহাবিদ্যালয়খনৰ প্ৰতি শ্ৰদ্ধা ভাৱ থাকিলেহে ছাত্ৰই শিক্ষা অৰ্জনত কৃতকাৰ্য হ'ব পাৰে। সেইবাবেই গীতাত কোৱা হৈছে 'শ্ৰদ্ধাৱান লভতে জ্ঞানং'। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ আচৰণ মাৰ্জিত হোৱা দৰকাৰ। স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক অনুকৰণ কৰে।

স্কুলৰ বান্ধোন মহাবিদ্যালয়ত নাথাকে বাবে বহুতেই যিহকে ইচ্ছা যায় তাকেই কৰিব পাৰি বুলি ভাৱে। কিন্তু বয়স হোৱা বাবে অলপ জনা-বুজা বুলিহে তেওঁলোকক কিছু স্বাধীনতা মহাবিদ্যালয়ত দিয়া হয়। ছাত্ৰ সন্থাৰ শ্লোগান এটা আছে - 'দেশ বুলিলে আদেশ নালাগে'। কথাষাৰ সঁচা। সজ আচৰণ কৰিবলৈ, নিয়ম মতে শ্ৰেণীত উপস্থিত থাকিবলৈ সময়ৰ কাম সময়ত কৰিবলৈ, নকল, গুটখা আদিৰ পৰা আঁতৰত থাকিবলৈ, পৰীক্ষাত ভাল ফলাফল দেখুৱাবলৈ কাৰো আদেশৰ প্ৰয়োজন নাই।


ভাৰতীয় নীতিশাস্ত্ৰত চাৰিটা আশ্ৰমৰ কথা পোৱা



যায়। সেই কেইটা হ'ল - ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস। ব্ৰহ্মচৰ্য আশ্ৰমত ছাত্ৰই গুৰুৰ গৃহত থাকি ব্ৰহ্মচৰ্য ৰক্ষা কৰি শিক্ষা গ্ৰহণ কৰিব লাগে। সৰ্বশাস্ত্ৰ অধ্যয়ন কৰি স্নাতক হোৱাৰ পাছত ব্ৰহ্মচৰ্য আশ্ৰম শেষ কৰি গাৰ্হস্থ্য আশ্ৰমত প্ৰৱেশ কৰিব পাৰে। বৰ্তমান যুগত গুৰুৰ আশ্ৰম নাই কিন্তু স্কুল-কলেজ আছে। গতিকে, ছাত্ৰ-ছাত্ৰী একেলগে পঢ়া মহাবিদ্যালয় সমূহতো বিদ্যাৰ্থীসকলে ব্ৰহ্মচৰ্য ব্ৰত পালন কৰাটো অতীকৈ প্ৰয়োজন। এই ব্ৰত অনুসৰি কাম-ভাৱ উৎপন্ন হ'ব পৰা সকলো কৰ্মৰ পৰা বিদ্যাৰ্থীসকল আঁতৰত থাকিব লাগে। ল'ৰা-ছোৱালীৰ অবাধ মিলন, প্ৰেম আদি সম্পূৰ্ণ বৰ্জন কৰা, ৰাগীয়াল দ্ৰব্য সেৱন নকৰা ইত্যাদি বোৰেই হ'ল ব্ৰহ্মচৰ্যৰ মূল কথা। মুঠতে 'ছাত্ৰানং অধ্যয়নং তপঃ' - এই বাক্য শিৰোগত কৰি বিদ্যাৰ্থীসকল আগবাঢ়িব লাগে। কিয়নো জ্ঞান আহৰণৰ বাবে অধ্যয়নৰ বিকল্প নাই। প্ৰতিজন বিদ্যাৰ্থীয়েই মানৱীয় সৎগুণসমূহ আয়ত্ব কৰি আমাৰ পৰিৱেশ তথা জীৱন সম্পৰ্কীয় জ্ঞান অৰ্জন কৰিবলৈ চেষ্টা কৰিব লাগে। অন্যান্য ইতঁৰ প্ৰাণীতকৈ শ্ৰেষ্ঠ জীৱ 'প্ৰকৃত মানুহ' হ'বলৈ চেষ্টা কৰিব লাগে। বিশেষকৈ বিদ্যাৰ্থীসকলে তেওঁলোকৰ মগজুক সদব্যৱহাৰ কৰাৰ প্ৰয়োজন আছে। ব্ৰহ্মচৰ্য পালন কৰি পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীৰ উপদেশমতে চলা ছাত্ৰ-ছাত্ৰীসকলেই জীৱনত সফলতা লাভ কৰা দেখা যায়।

মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ লগে লগে বিদ্যাৰ্থীসকলে বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা হয়। বৰ্তমান সময়ত মহাবিদ্যালয়সমূহত ষান্মাসিক পদ্ধতি (Semester System). প্ৰৱৰ্তন কৰা হৈছে। এই পদ্ধতিত ঘাইকৈ প্ৰতি ছয় মাহত তিনিটা পৰীক্ষা দিয়াটো বাধ্যতামূলক কৰা হৈছে। ইয়াৰে দুটা হ'ল ছেচনেল (Sessional) আৰু এটা হ'ল ফাইনেল (End Semester Examination)। প্ৰতিটো পৰীক্ষাত ভাল কৰিব পাৰিলেহে তিনি বছৰত ছয়টা ষান্মাসিকৰ অন্তত স্নাতক ডিগ্ৰী পাব পাৰি। আনহাতে মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বিদ্যাৰ্থীসকলে ইউনিত পৰীক্ষা, বাচনি পৰীক্ষা আদিৰ উপৰিও এবছৰৰ মূৰত ফাইনেল পৰীক্ষাত পাছ কৰিব লাগে। এতিয়া কথা হ'ল ইমানবোৰ পৰীক্ষাত ভাল ফলাফল দেখুৱাবলৈ হ'লে নিয়মিতভাৱে শ্ৰেণীত উপস্থিত থাকি প্ৰতিটো পাঠ ভালদৰে শিকিব লাগিব। কিন্তু বহুত বিদ্যাৰ্থীয়ে নিয়মিতভাৱে শ্ৰেণীত উপস্থিত নাথাকে। ই এটা অতি বেয়া কথা। হাইস্কুলত থাকোতে গোটেই দিন শ্ৰেণীত থকা বিদ্যাৰ্থী এজন কলেজলৈ অহাৰ পাছতেই শ্ৰেণীত নিয়মীয়াভাৱে উপস্থিত থাকিবলৈ টান পোৱাটো নিজৰ অধঃপতনৰ প্ৰথম পদক্ষেপ বুলিব পাৰি। মহাবিদ্যালয়ৰ বিদ্যাৰ্থী কিছুমানে অভিযোগ কৰে যে তেওঁলোকৰ শিক্ষকে ক্লাছ নকৰে আৰু পঢ়াবলৈ থাকি যায়। উল্লেখযোগ্য কথাটো হ'ল যে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ থাকিলে কোনো শিক্ষকেই ক্লাছ নকৰো বুলি নকয়। ষান্মাসিক পদ্ধতিৰ এশ এবুৰি কামৰ মাজত কোনোবা শিক্ষকে ক্লাছলৈ যাবলৈ যদি পাহৰি থাকে তেন্তে ছাত্ৰই সেই কথা মনত পেলাই ক্লাছটো কৰিব পাৰে। কথাতেই কয় বোলে 'গুৰুতকৈ শিষ্য সিয়ান, খুচৰি খুচৰি লয় গিয়ান'। গতিকে শিক্ষাৰ্থীসকলে ইচ্ছা কৰিলে শিক্ষকৰ পৰা সমস্ত জ্ঞান আদায় কৰি ল'ব পাৰে। মহাবিদ্যালয়লৈ কেৱল অহা-যোৱা কৰিলেই নহ'ব - ভালদৰে পাঠ শিকি পৰীক্ষাত সুন্দৰকৈ লিখিব লাগিব। প্ৰতিজন শিক্ষাৰ্থীয়েই পৰীক্ষাত ভাল ফল দেখুৱাবলৈ আপ্ৰাণ চেষ্টা কৰিব লাগে।

মহাবিদ্যালয়ৰ পৰীক্ষা বেয়া কৰি ড্ৰপ আউট হোৱা বহুত শিক্ষাৰ্থী আছে। এখন মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ বহুত কাৰণ থাকে। ছাত্ৰ-ছাত্ৰীয়ে ক্লাছত উপস্থিত নথকা, নিয়মিত পাঠদান নোহোৱা, পাঠদান পদ্ধতিৰ পৰিৱৰ্তন হোৱা, অসময়ত Syllabusৰ সলনি কৰা ইত্যাদি। ক্লাছত অনুপস্থিত থাকি, মোবাইল টিপি টিপি তিনিআলি-চাৰিআলিত ঘূৰি ফুৰি আড্ডা দিয়া বহুতৰ পৰীক্ষা অহাৰ লগে লগে ধৰফৰণি আৰম্ভ হয়। মেট্ৰিক পাছ কৰাৰ পাছত বহুত অভিভাৱকেই নিজৰ ল'ৰা-ছোৱালীক ডাঙৰ হ'ল বুলি মটৰ চাইকেল, স্কুটি কিনি দি নিজৰ দায়িত্ব সামৰে। মনত ৰাখিব লগা কথা হ'ল ল'ৰা-ছোৱালী পঢ়ি-শুনি শেষ নোহোৱালৈকে অভিভাৱকে কাণ চকু দিব লাগে। আনহাতে ডাঙৰ হ'ল বুলি ভবা ল'ৰা-ছোৱালী সকলেও নিজৰ দায়িত্ব ল'ব পাৰিব লাগে। মহাবিদ্যালয়ত নামভৰ্তি কৰা দিনাৰ পৰাই ভালদৰে পঢ়ি ভাল ফলাফল এটা কৰিম বুলি শিক্ষাৰ্থীসকলে সংকল্প কৰি ল'ব লাগে। কিছুমান বিদ্যাৰ্থীয়ে পৰীক্ষাত অসৎ উপায় অৱলম্বন





কৰা দেখা যায়। নকল কৰাটো অপৰাধ। গতিকে তেওঁলোকে নকল বৰ্জন কৰি সম্পূৰ্ণ সৎ ভাৱে পঢ়ি আহি পৰীক্ষা দিব লাগে। নিয়মিত অধ্যয়ন আৰু বাৰে বাৰে অনুশীলন কৰি থাকিলে পৰীক্ষা ভাল হ'বই। 'যত্ন কৰিলে ৰত্ন পায়' - বুলি কথা এষাৰ আছে।

মহাবিদ্যালয়ত পৰীক্ষাৰ ফলাফল ভাল হোৱাটো সকলোৰে কাম্য। কিন্তু সকলো সময়তে সকলো মহাবিদ্যালয়ে ভাল ফলাফল দেখুৱাব নোৱাৰে। বিশেষকৈ উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ বা বিশ্ববিদ্যালয়ৰ সামগ্ৰিক ফলাফল বিলাকো ৯৫ শতাংশলৈ যাব পৰা নাই। মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পিছতহে উচ্চতৰ মাধ্যমিকত পঢ়ে আৰু সেইবাবে শিক্ষাৰ্থীসকলৰ নূন্যতম জ্ঞানখিনি থাকে। তথাপি উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভাল ফল দেখুৱাব নোৱাৰাটো শিক্ষাৰ্থী, শিক্ষক, অভিভাৱক আদি সকলোৰে চিন্তাৰ বিষয়। ঠিক তেনেদৰে উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ পৰীক্ষা পাছ কৰা সকলেহে স্নাতক পৰীক্ষা দিয়ে গতিকে তেওঁলোকৰ অন্ততঃ পাছ কৰিব পৰা ক্ষমতা থাকে। কিন্তু বহুতেই ফেল কৰে। ইয়াৰ কাৰণ কেইবাটাও হ'ব পাৰে। প্ৰথমতে, ক'ব পাৰি যে শিক্ষাৰ্থীসকলে (ফেল কৰা) নিজৰ বুদ্ধিমত্তা বা মগজুৰ সদব্যৱহাৰ কৰা নাই, ভালদৰে অধ্যয়ন কৰা নাই বা নিজৰ ফাঁকি দিছে। দ্বিতীয়তে, হ'ব পাৰে যে শিক্ষকে ফেল কৰা শিক্ষাৰ্থীসকলক সঠিকভাৱে পথ প্ৰদৰ্শন কৰিব পৰা নাই বা পাঠদান কৰিবলৈ সুবিধা পোৱা নাই। তৃতীয়তে, হ'ব পাৰে যে অভিভাৱকে শিক্ষাৰ্থীসকলৰ পঢ়া-শুনাৰ প্ৰতি কাণ-চকু দিবলৈ সময় পোৱা নাই। এটা মন কৰিবলগীয়া কথা যে ছাত্ৰ-শিক্ষক-অভিভাৱক একেলগে মিলি মৌথ প্ৰচেষ্টাৰেহে শিক্ষা আহৰণ কাৰ্যক সফল কৰি তুলিব পাৰে। একপক্ষীয় চেষ্টাই কাচিৎহে ভাল ফল দিব পাৰে।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, পৰীক্ষা আৰু ফলাফল সম্পৰ্কে আলোচনা কৰি দেখা গ'ল যে শিক্ষক-ছাত্ৰ-অভিভাৱক সকলোৰে নিজৰ নিজৰ কৰ্তব্য আৰু দায়িত্ব সততাৰে পালন কৰিলে মহাবিদ্যালয়ত এক উন্নত শৈক্ষিক পৰিৱেশ গঢ়ি উঠিব। প্ৰকৃত শৈক্ষিক পৰিৱেশত ৯৫ শতাংশ কিয় এশ শতাংশই ভাল ফলাফল আশা কৰিব পাৰি। পৰীক্ষাত ভাল ফল অৰ্জনৰ লাগতিয়াল উপায় কেইটামান হৈছে —

১। শিক্ষাৰ্থী শ্ৰেণীত নিয়মীয়াকৈ উপস্থিত থাকি শিক্ষকৰ পৰা সকলো কথা ভালদৰে বুজি ল'ব লাগে আৰু পাঠ্যপুথিখন সম্পৰ্ণকৈ আয়ত্ব কৰিব লাগে।

২। শিক্ষকসকলে নিয়মীয়া পাঠদানৰ উপৰিও অতিৰিক্ত .. ল'ব লাগে।

৩। চৰকাৰে মহাবিদ্যালয়ৰ শিক্ষকৰ সংখ্যা বৃদ্ধি কৰিব লাগে কাৰণ দুজন বা তিনিজন শিক্ষকৰে দৈনিক ১৫টা ক্লাছ, প্ৰশ্ন কটা, বহী চোৱা আৰু অন্যান্য কাৰ্যসূচী পালন কৰাটো অসম্ভৱ।

৪। অভিভাৱক সকলে নিজৰ ল'ৰা-ছোৱালীক কলেজলৈ পঠোৱাৰ লগে লগে তেওঁলোকে কি শিকিছে বা কেনেকৈ পঢ়িছে তাক প্ৰতিদিনে চাব লাগে।

৫। মহাবিদ্যালয়ত থকা শিক্ষক, কৰ্মচাৰী, অধ্যক্ষ, ছাত্ৰ-ছাত্ৰী সকলোৱে কেৱল শিক্ষাৰ মানদণ্ডৰ উন্নয়ন বা পঢ়া-শুনাৰ কথাহে আলোচনা কৰিব লাগে। কাৰণ কথাতে কয় - 'পঢ়ে, পঢ়ায়, ৰোৱে পান, এই তিনিয়ে নিচিন্তে আন'।



# বিশ্বশান্তি আৰু সন্ত্ৰাসবাদ

নিকিতা চেতিয়া
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ



বৰ্তমান সন্ত্ৰাসবাদ গোটেই বিশ্বৰ বাবে এটা জলন্ত আৰু প্ৰধান সমস্য হৈ পৰিছে। বিশ্বৰ সকলো ৰাষ্ট্ৰই এতিয়া সন্ত্ৰাসবাদৰ গ্ৰাসত সোমাই পৰিছে। অতি কম ৰাষ্ট্ৰইহে এই সমস্যাৰ পৰা আঁতৰি থাকিব পাৰিছে। কুৰি শতিকাৰ ৰাষ্ট্ৰইহে এই সমস্যাৰ পৰা আঁতৰি থাকিব পাৰিছে। কুৰি শতিকাৰ ষাঠিৰ দশকৰ পৰাই বিশ্বৰ কিছুমান দেশত গা কৰি উঠিছিল আৰু বৰ্তমান বিশ্ব সমাজত ই স্থায়ৰ ঘটনালৈ পৰিৱৰ্তিত হৈছে। মানৱ জাতিৰ বাবে ই এক অভিশাপস্বৰূপে দেখা দিছে।

বিশ্বৰ সকলো ৰাষ্ট্ৰতে সম্প্ৰতি সন্ত্ৰাসবাদী দলৰ অৱস্থিতি দেখা যায়। ISISৰ দৰে শক্তিশালী সন্ত্ৰাসবাদী দল তাৰোপৰি 'অল কায়দা', 'হিজবুল মুজাহীদিন', জাপানৰ 'ৰেড আৰ্মী', আয়াৰলেণ্ডৰ 'আইৰিচ ৰিপ্লাব্লিকান আৰ্মী', তামিল সন্ত্ৰাসবাদী দল LTTE আদি বহুতো শক্তিশালী সন্ত্ৰাসবাদী দল গোটেই বিশ্বতে সম্প্ৰসাৰিত হৈ পৰিছে আৰু প্ৰত্যেক দিনাই বিভিন্ন ধৰণৰ কূটাৰঘাটমূলক কাৰ্য সম্প্ৰাদন কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে আৰু সাধাৰণ জনসাধাৰণৰ জীৱনলৈ বিপদ নমাই আনিছে।






সমগ্ৰ বিশ্বৰ কথা ক'বলৈ নগৈ কেৱল ভাৰতলৈ লক্ষ্য কৰিলে পৰিলক্ষিত হয় যে ইয়াতো ULFA, NDFB, ISIS, JK LF, LTTE, NSCN আদি সন্ত্ৰাসবাদী দলৰ অৱস্থিতি আছে যিবোৰে নিতৌ চৰকাৰলৈ, জনসাধাৰণলৈ বিভিন্ন ধৰণৰ দাবী প্ৰদান কৰি আহিছে আৰু বিভিন্ন ধৰণৰ কূটাঘাটমূলক কাৰ্য সম্পাদন কৰি আহিছে য'ত বহুতো নিৰীহ লোকৰ জীৱন বিসৰ্জিত হৈছে। উল্লেখযোগ্য যে বিশ্বৰ সৰ্বোচ্চ সন্ত্ৰাসজৰ্জৰীত ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰত এখন অন্যতম ৰাষ্ট্ৰ। অষ্ট্ৰেলিয়াৰ Think Tankৰ মতে Global Terrorism Index চমুকৈ GIT অনুসৰি ২০১১ চনত বিশ্বৰ ভিতৰত সন্ত্ৰাসবাদী অধ্যুষিত ১৫৯ খন ৰাষ্ট্ৰৰ ভিতৰত ভাৰতৰ স্থান চতুৰ্থ।

ভাৰতত ইতিমধ্যে সংঘটিত হোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ উৎকৃষ্ট উদাহৰণ বুলি আমি ১৯৯৩ চনত মুম্বাইৰ ধাৰাবাহিক বিস্ফোৰণ, ২০০৪ চনৰ ২৬ নবেম্বৰত মুম্বাইৰ 'তাজ হোটেলত হোৱা বিস্ফোৰণৰ কথা ক'ব পাৰো আৰু অসমৰ ক্ষেত্ৰত ধাৰাবাহিক বোমা বিস্ফোৰণ আৰু গুৱাহাটীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ কথা ক'ব পাৰো। য'ত বহুতো নিৰপৰাধী লোকৰ মৃত্যু হয়। কোনোজনে আপোন জনক হেৰুৱাব লগা আৰু আন কোনোজনে আপোনজনক এৰি থৈ যাব লগা হয়। এনে অৱস্থাত বিশ্বশান্তিৰ প্ৰতি এক বৃহৎ ভাবুকি আৰু প্ৰত্যাহ্বান আহি পৰিছে। এনে সন্ত্ৰাসবাদৰ মাজেৰে বিশ্বশান্তি বৰ্তি থকাটো সম্ভৱ নে? এই প্ৰশ্ন সকলোৰে মনত উদয় হৈছে। কিয়নো বিশ্বশান্তিৰ মূল প্ৰতিবন্ধকে হ'ল সন্ত্ৰাসবাদ।

বিশ্বৰ সকলো ৰাষ্ট্ৰই শান্তি, সম্প্ৰীতি, ঐক্য কামনা কৰে। সন্ত্ৰাস কাৰোৰে কাম্য নহয়। তথাপি প্ৰত্যেক দিনাই বিশ্বৰ এখন নহয় এখন ৰাষ্ট্ৰই ইয়াৰ বলি হৈ আৰু বিভিন্ন ধৰণেৰে ক্ষতিগ্ৰস্ত হৈছে। দিনে দিনে ই বিশ্বশান্তি ভংগ কৰি যাবলৈ ধৰিছে। নিজৰ দাবী উদ্দেশ্যসমূহ পূৰণৰ বাবে পৈশাসিকভাৱে সাধাৰণ মানুহৰ জীৱনবোৰ কাঢ়ি নিছে। এনেদৰে চলি থাকিলে অদূৰ ভৱিষ্যতে হয়তু এদিন বিশ্বশান্তিৰ অৱনতি ঘটিব আৰু শক্তিশালী সন্ত্ৰাসবাদী দলসমূহে গোটেই বিশ্বখনত এক আশান্তিকৰ যুদ্ধ সদৃশ পৰিৱেশ গঢ়ি তুলিব আৰু অলপ অলপকৈ গোটেই পৃথিৱীখন নিজৰ কবললৈ আঁজুৰি আনিব আৰু এদিন এদিন গোটেই বিশ্বতে ৰাজ কৰিব। গতিকে সময় উকলি নাযাওঁতে আমি সকলোৱে সজাগ হ'ব লাগিব। এই সন্ত্ৰাসবাদী দলসমূহলৈ ভয় নকৰি ইয়াৰ বিপক্ষে আমি সমানে থিয় দিব লাগিব। বিশ্বৰ সকলো ৰাষ্ট্ৰই পাৰস্পৰিক সংঘৰ্ষ ত্যাগ কৰি এক হ'ব লাগিব, চৰকাৰ আৰু জনসাধাৰণো ঐক্যবদ্ধ প্ৰচেষ্টাৰে আগবাঢ়ি যাব লাগিব। চৰকাৰে উপযুক্ত ব্যৱস্থাৱলী গ্ৰহণ কৰি সন্ত্ৰাসবাদ সৃষ্টিৰ উৎসসমূহ আৰু কাৰণ সমূহ দূৰ কৰি সন্ত্ৰাসবাদক বাধা দিবলৈ ব্যৱস্থাৱলী হাতত ল'ব লাগিব।


তেতিয়া নিশ্চয় এদিন আমি সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ সক্ষম হম। আমাৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ সন্মুখত সন্ত্ৰাসবাদ সিমানেই শক্তিশালী নহওক কিয় এদিন ই আমাৰ ওচৰত পৰাজয় বৰণ কৰিব লাগিব। সেয়েহে বিশ্ব মানৱ সমাজ আহা আমি হাতত হাত থৈ একতাৰে আগবাঢ়ি যাওঁ নিৰ্ভয়ে থিয় দিওঁ সন্ত্ৰাসবাদৰ সন্মুখত আৰু সুৰক্ষিত শক্তিময় কৰি তোলো আমাৰ এই ধুনীয়া ধৰণীখন। আমাৰ ঐক্যতাই হ'ম আমাৰ অস্ত্ৰ। ঐক্যতাই কৰি তোলে অসম্ভৱকো সম্ভৱ। কাৰণ অসমীয়াত এষাৰ কথা আছে 'ৰাইজে নখ জোকাৰিলে নৈ বয়।'




# Adjustment Problems of Fresher and role of Teachers to solve these problems

**Pronita Kalita**
Assistant Professor,
Deptt. of Education, Sonari College

Adjustment is a never ending process. Generally adjustment means 'to settle' or 'to arrange' or the act or process of adjusting. The common usage of the term, however, refers to a process of behaviour by which an organism attempts to deal effectively with the change of the environment by means of personal response. Fresher faces different adjustment problems in the educational institution. In general terms, the fresher means







those students who get admission in college or junior college after passing out the 10[th] class examination or HSLC at the age of 15 or 16 or at the later part of their adolescence. The school lives of the students are highly confined and under constant vigilance of teachers and parents. In comparison to school life college life is more free and enjoyable. The adjustment problems faced by fresher in the new educational institutions may be categories broadly as i) social adjustment problems ii) emotional adjustment problems and iii) academic adjustment problems.

Social adjustment problems of fresher are mainly related with the adjustment to the new institutional environment. Students who come from rural school to urban college face more challenges than the other students. Because, having studied in the village environment among own category of peers the students find it extremely difficult to adjust in the urban college and new environment. These difficulties create nervousness, anxiety, depression and identity crisis among fresher.

Emotional adjustment problems of fresher are mainly related with shyness, avoidance of gathering, problems of developing friendship with new peers, unable to express own feelings etc.


Academic adjustment problems are another area of concern related to fresher. The major difference between studying at school and college is that at high school most learners are used to small classes and they get large amount of attention from teachers for their study plans. But when they arrive at college and find themselves in a large class containing more than 150/200 students without getting individual recognition and attention from teachers then these creates academic adjustment problems to fresher. During that time fresher are unable to decide what and how to study. So, large classes, different teaching and learning pace, frequent written work, lengthier reading assignment, higher standard and more acute competition, new course contents, new evaluation procedure etc are some problems area for a fresher.

The quality of an educational institution depends on the quality of the students. Today's students are the citizen of tomorrow. To produce a good citizen and human resource for tomorrow it is the foremost responsibility of the teachers to observe, identify the different adjustment problems of fresher and to take adequate action for solving these problems.

Teacher should firstly create a free and friendly atmosphere to encourage the fresher in social, emotional and academic aspects.

Teacher should cleverly find out the understanding level of fresher and their knowledge background and also identify the students who need special care and attention.

Teacher should encourage the fresher to participate in co-curricular, social welfare and community development activities inside and outside the institution to develop their social quality and personality. If a teacher earnestly performs their duty as a friend, philosopher and guide to the fresher and helps them to face their new situation bravely, it is sure that the different adjustment problems of the fresher can be minimized.



# কম নম্বৰ — হতাশ বনাম সফলতাৰ মন্ত্ৰ


**টঙ্কেশ্বৰ বৰুৱা**
**সহযোগী অধ্যাপক, সোণাৰি মহাবিদ্যালয়**

প্ৰতিজন মানুহেই কিবা নহয় কিবা এটা বিশেষ প্ৰতিভা লৈ পৃথিৱীত জন্ম গ্ৰহণ কৰে। কি ক্ষেত্ৰত ছাত্ৰ বা ছাত্ৰীজনৰ দক্ষতা আছে অভিভাৱক বা শিক্ষকে তাক বাছি উলিওৱাতো বিশেষ প্ৰয়োজন আছে। এজন ছাত্ৰ এটা বিশেষ বিষয়ত খুবেই ভাল কিন্তু অন্য বিষয়বোৰত ভাল নহয়। এনে হোৱাৰ বাবে আমাৰ পৰীক্ষা পদ্ধতিত এইজন ছাত্ৰই ভাল ফল দেখুওৱা নোৱাৰে, কোনো কোনো বিষয়ত পোৱা কম নম্বৰৰ বাবে। ফলত ছাত্ৰজনৰ মনলৈ হতাশা ভাৱ অহাটো স্বাভাৱিক। এনে পদ্ধতিগত ব্যৱস্থাৰ বাবে ছাত্ৰজনে ভাল ফল দেখুওৱা বিষয়টোত ও উচ্চ শিক্ষা সুযোগৰ পৰা বঞ্চিত হ'ব লগা হয়। উন্নত দেশবোৰত ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ সম্বন্ধে জানি-বুজি লৈ উপযুক্ত বিষয়টো নিৰ্বাচন কৰি সেই বিষয়ত শিক্ষাদান কৰা ব্যৱস্থা আছে।

পৰীক্ষাত ভাল নম্বৰ নোপোৱাকৈ এই পৃথিৱীত নিজৰ মেধাৰ পৰিচয় দিয়া লোকৰ সংখ্যা কম নহয়। কুৰি শতিকাৰ শ্ৰেষ্ঠ পুৰুষ হিচাপে খ্যাত এলবাৰ্ট আইনষ্টাইনৰ কলেজীয়া দিনবোৰত মুঠেই ভাল ছাত্ৰ নাছিল। আকৌ একে শতিকাৰ শ্ৰেষ্ঠ তালিকাত স্থান পোৱা মহাত্মা গান্ধীও স্কুলীয়া জীৱনত মধ্যমীয়া ছাত্ৰহে আছিল। আধুনিক বিজ্ঞান জগতৰ পিতৃ স্বৰূপ ছাৰ আইজাক নিউটনৰ স্কুলীয়া দিনবোৰ



শিক্ষকসকলৰ বাবে চকুৰ কুটা যেন আছিল। তেওঁৰ নিজৰ বুদ্ধিদীপ্ত আৱিষ্কাৰ শক্তিৰ যোগেদি গণিত আৰু পদাৰ্থ বিজ্ঞান জগতলৈ ব্যাপক পৰিৱৰ্তন আনিছিল। মধ্যাকৰ্ষণ শক্তি আৰু কলন গণিতৰ ... মহৎ আৱিষ্কাৰক ছাৰ আইজাক নিউটনৰ কোনো ডিগ্ৰী নাছিল। এশটাতকৈ অধিক বৈজ্ঞানিক আৱিষ্কাৰেৰে








আধুনিক প্ৰযুক্তিবিদ্যাৰ জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা টমাছ আলভা এডিছনক মুৰ্খ অভিযোগেৰে স্কুলৰ পৰাই উলিয়াই দিয়া হৈছিল।

বিদ্যুৎ ৰসায়ন ... বিজ্ঞানৰ স্ৰষ্টা, ....ৰ আৱিষ্কাৰক বিজ্ঞানী মাইকেল ফেৰাডে ১৩ বছৰ বয়সতে পঢ়া-শনা এৰিব লগা হৈছিল। দেউতাকৰ মৃত্যুৰ পিছত আৰ্থিক অভাৱ পূৰণৰ বাবে খবৰ কাগজ বিক্ৰী কৰিছিল। তেওঁ কিতাপ পকা-বন্ধা কাম কৰিছিল আৰু আজৰি পালেই বন্ধাবলৈ দিয়া কিতাপবোৰ পঢ়িছিল। তেওঁৰ বিজ্ঞানৰ প্ৰতি থকা আসক্তি দেখি বিজ্ঞানী হামফ্ৰিডেভিয়ে মাইকেলক সহকাৰী হিচাপে নিযুক্তি দিছিল। প্ৰচুৰ অধ্যয়ন, অনুশীলন আৰু পৰিশ্ৰমেৰে তেওঁ বিজ্ঞান জগতলৈ প্ৰভূত অৱদান আগবঢ়াই গ'ল। যাৰ বাবে তেওঁৰ সন্মানীয় নাইট উপাধি আৰু লণ্ডনৰ বিখ্যাত ৰয়েল ছ'চাইটিৰ সভাপতিৰ পদ যচাঁ হৈছিল। সেইদৰে আধাতে পঢ়া-শুনা সামৰা সকলৰ ভিতৰত আছে - উৰাজাহাজৰ আৱিষ্কাৰক ৰাইট ভাতৃদ্বয়, বিখ্যাত ব্যৱসায়ী বিল গেটছ, ধীৰুভাই আম্বানী, বিখ্যাত সঙ্গীতজ্ঞ এ.আৰ.ৰহমান, মহান ক্ৰিকেটাৰ শচীন টেণ্ডুলকাৰ আদি। এই সকলৰ প্ৰকৃত প্ৰতিভাৰ ওপৰত স্কুলীয়া বা কলেজীয়া ডিগ্ৰীৰ প্ৰমাণ পত্ৰ একেবাৰে নিষ্প্ৰভ। প্ৰকৃততে নিজৰ কামত কঠোৰ শ্ৰম, আগ্ৰহ আৰু একাগ্ৰপতীয়া মনোযোগ থাকিলে জীৱনত সফল হোৱাটো কোনো কামতেই অসম্ভৱ নহয়।

অসমৰ তেনে এজন ব্যক্তি ভোলানাথ বৰুৱা, যাৰ স্কুলীয়া শিক্ষা শেষ হোৱা নাছিল। তেওঁ নিজৰ অধ্যৱসায়ৰ বলত ডাঙৰ ব্যৱসায়ী হৈ সমগ্ৰ ভাৰততে সুনাম বিয়পি পৰিছিল। বেনাৰস হিন্দু বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে তেওঁ উনৈশ শতিকাতেই এক লাখ টকা দান কৰিছিল। তেওঁ গুৱাহাটী বি.বৰুৱা কলেজ আৰু যোৰহাটৰ প্ৰিন্স অৱ ৱেলছ প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ বাবে সমস্ত টকা দান কৰিছিল।

অস্কাৰ বঁটা বিজয়ী সংগীত পৰিচালক এ.আৰ.ৰহমান ছাত্ৰ হিচাপে আছিল শেষ বেঞ্চৰ ছাত্ৰ। অথচ তেওঁৰ বিৰল প্ৰতিভা সমগ্ৰ বিশ্বতে পৰিচিত। সৰুতে পিতৃহাৰা হোৱা ৰহমানে এজন সংগীতৰ কী-ব'ড বাদক হিচাপে বিভিন্ন জনৰ তলত কাম কৰিছিল কিন্তু তেওঁ সংগীতৰ ওপৰত আছিল প্ৰবল ধাউতি। নিজৰ কৰ্মৰ ওপৰত অটল বিশ্বাসেই তেওঁৰ সফলতাৰ মূল মন্ত্ৰ। সেইদৰেই সংগীত জগতলৈ অৱদান








আগবঢ়োৱা ওস্তাদ বিছমিল্লা খাঁ, লতা মাঙ্গেশকাৰ, কিশোৰ কুমাৰ, আশা ভোছলে আদিয়ে আনুষ্ঠানিক ডিগ্ৰী নথকাকৈয়ে সফলতাৰ শিখৰত স্থান লাভ কৰিছিল। ভাৰতৰ এজন খেলুৱৈ শচীন টেণ্ডুলকাৰে মাথো হাইস্কুলীয়া শিক্ষাহে শেষ কৰিছিল। অভিভাৱকে তেওঁৰ প্ৰতিভা বিকাশত সুবিধা প্ৰদান কৰা বাবেই খেল জগতত উন্নতি শীৰ্ষত উপনীত হ'ব পাৰিছিল। কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ স্কুলীয়া শিক্ষা আছিল মাত্ৰ অষ্টম শ্ৰেণী।

ঠিক তেনেকৈ প্ৰখ্যাত তামিল ভাষাৰ গীতিকাৰ পি.এ. বিজয়। বৰ্তমানে তেওঁ তামিল ছবিৰ এজন ব্যস্ত গীতিকাৰ। মেট্ৰিক পৰীক্ষাত ছেকেণ্ড ডিভিজনত উত্তীৰ্ণ হোৱা বিজয়ক দেউতাকে অভিযন্তা হোৱা আশা কৰি বিজ্ঞান পঢ়ালে। সফলতাৰ আশাৰে বহু কেইজন টিউটৰ নিয়োগ কৰিলে। উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত দেখিলে পদাৰ্থ বিজ্ঞান আৰু গণিতত ফেইল। দেউতাকৰ ভয়ত তেওঁ ঘৰলৈ নাহিবলৈ ঠিক কৰিলে। পিছত তেওঁ ক'লৈ যাব ঠিক কৰিব নোৱাৰি ঘৰলৈকে ঘূৰি আহিল। দেউতাকে একো গীল নাপাৰি তাৰ পৰিৱৰ্তে তেওঁক ভৱিষ্যতে কি কৰিব বিচাৰে নিজকেই ঠিক কৰিবলৈ পৰামৰ্শ দিলে। ঘৰতে থাকি দুটা বছৰ কবিতা চৰ্চা কৰি কটালে তাৰ পিছত এজন চিত্ৰনাট্যকাৰৰ পিয়ন হিচাপে ঠিকা ভিত্তিক চাকৰিত যোগদান কৰিলে। এইদৰে তেওঁৰ প্ৰতিভা বিকাশ ঘটি সম্প্ৰতি এজন সফল গীতিকাৰ হিচাপে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁ বছৰি গড়ে পঞ্চাশটাকৈ গীত লিখে আৰু প্ৰতিটো গীতৰ বাবদ দুই পৰা তিনি লাখকৈ মাননি লাভ কৰে। কবিতাৰ বাবে তেওঁ একাডেমী বঁটাও লাভ কৰে। ইয়াৰ দ্বাৰা তেওঁ এইটো দেখুৱাই দিলে যে সফলতাৰ মন্ত্ৰ আনে কি হোৱাটো বিচাৰে সেইটো নহয়, নিজে কি হ'ব বিচাৰে তাৰ ওপৰত গুৰুত্ব দিয়া উচিত আৰু সেইমতে প্ৰতিভা বিকাশত একাগ্ৰতাৰে লগা উচিত।

সেয়েহে কোনো ছাত্ৰ-ছাত্ৰীয়ে সৰুতে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ যোগেদি বিশেষ সফলতা অৰ্জন কৰিব নোৱাৰিলেও তেওঁক উলাই কৰাটো উচিত নহয়, কাৰণ পৰীক্ষাত ভাল নম্বৰ নাপালে বুলিয়েই তেওঁলোকে অন্য ক্ষেত্ৰতো সফলতা অৰ্জন কৰিব নোৱাৰিব সেইটো ভুল ধাৰণা। পৰীক্ষাত ভাল নম্বৰ নাপায় হতাশাত মানসিকভাৱে ভাগি পৰা সকলৰ বাবে পি.এ.বিজয় মাথো এটা উদাহৰণহে। তেনে অলেখ উদাহৰণ আমাৰ দেশৰ ইতিহাসত বিদ্যমান।










# The Secret of Happiness

**Rosie Thamba**
**B.Sc. 1st Semester**
**Dept. of Zoology**

It is said, 'Laugh and the world laughs with you. If you weep, you weep alone.' So the secret of happiness lies in having an aptitude for happiness. The aptitude can be developed through training of the mind by constantly remaining it of the positive aspects of life.

We should develop the attitude to realize that whatever happens, happens for our own good. Thakur Robindranath Tagore says, 'I don't choose the best, the best chooses me.' Even if clouds of sorrow darken our lives sometimes, we should not feel depressed. We should remember the inmortal words of the famous English poet, Shelley, 'If winter comes, can spring be far behind?'

There is no doubt that ncessities of life are important and one




must endeavour to obtain them. But to overtax one's energius to poscess uncommon luxuries is a folly and a source of unhappiness. It is important to have a healthy and congenial atmosphere in the family and amongst friends, colleagues and companions.

Petty short comings of others should be forgiven and forgotten. After all, we are all human beings and 'To err is human'. We should also keep our mind pure and free from ill-will and malice. Such things spread unhappiness on all sides.

One important way of remaining happy is to how a broad outlook and a cheerful demeanour. We should be consierate to others and we should try to help them by all legitime means to come out of the blues. We should not run after materialistic pursuits, short lived glory and power. Instead we should think and strive to amelirate the lot of humanity without any discrimination and superficial distinction. We should have good companions who have a healthy outlook towards life. We should avoid miserliness and meanness. Devotion the one's duty is one of the greatest sources of happiness.

The famous dramatist Emile Bronte says
'Riches I hold in light esteem
And love I laugh to scorn;
The lust of fame is but a dream
That vanished with the morn.'

Accordingly, we can have test of eternal happiness by tuning our minds to the purity of nature and spirit instead of playing seconds fiddle to false love and feigned friendship.






# Angaraag 'Papon' Mahanta


**Rituparna Tasha**
**H.S. 2nd Year (Science)**

Angaraag Mahanta known by his nickname 'Papon', is an Indian singer, composes belonging to Assam. He was born to the Assamese folk singer couple Khagen Mahanta and Archana Mahanta was a notable person in Assamese folk music and known as the 'King of Bihu'. He was an exponent in folk and traditional music of Assam. His Bihu songs, Bargeet and other folk songs are ever green to the Assamese society. Khagen Mahanta has been felicitated numerous times nationally, internationally for his contributions. He was also awarded Sangeet Natak Academy Award for folk and traditional music in 1992. Some of his award/ recognition are listed below :

1988 - Film Craft Award.
1992 - Sangeet Natak Academy.
1994 - Shrimoy Award.
1994 - Sangeetacharya.

A very tragic moment came to the heart of people of Assam for his sudden death at his own residence in Guwahati on 12 June, 2014. And being an Assamese we all are





very proud for the 'Icon'. We well be in the heart of the people of Assamese for the upcoming centuries.


'Papon', Papon's initial training was in Indian Classical devotional (Bargeet) and folk music. He learnt vocals primarily but also plays the Khol, tabla, guitar and harmonium. His music covers geners such as ambient electronic, acoustic folk and new age Indian Classical music and having traces of pentaonic Mongolaid notes, coul river song influence and ghazals. Although his first language in Assamese, he has also sung in Hindi, Punjabi, Tamil, Marathi, Mishing and Bengali.

In 2007 Papon formed an electronic folk fusion band called Papon and East India Complay. The band consists of Papon on vocals, Brien Desai on live electronics, Jinti on lead guitars, Sanket Naik on percussiar, Dipu on ban and Tanmoy on drums. The six members came from backgrounds varrying from Assamese folk to metal and blues to trip hop. The band has performed in many music festival in India and different countries of the world. They performed at the SAARC music band festivalin New Delhi, the Eastwing Festival and the Kovalam tisterary festival and has performed overseas with Sutasi in Singapore. On the first edition of Coke Studio @ MTV, he performed on the popular bihu song 'Pak Pak' a devotional Bargeet album called 'Chandmukhi' and traditional folk album 'Tukari'.

Papon has also sung on a few other albums produced by various artists in Assam. His first folk music album was 'Rangphui', a Bihu album, after which he produced 'Gomseng' and subsequently, 'Phagunor Gaon' an album representing the typical koli songs of Barpeta in West Assam. Papon's first album 'Junaki Raati' was released at the end of 2004 and in November, 2009 he released his second album 'Sinaaki Osinaaki'. His first big song in Bollywood was 'Jiyin Kyuon' from the movie 'Dum Maro Dum'. And then subsequently we can hear his songs in many of the hit bollywood films like 'Barfi', 'Madras Cafe', 'Lakmi', 'Kya Dilli Kya Lahare', 'Special 26', 'Dum lagake haisa', 'Bajarangi Bhaijaan' and much more. His latest addition to bollywood song is 'Moh Moh Ke Dhage' from the movie 'Dum lagake haisa'. He was awarded best playback singer for this song.

Papon was bestowed with the best male singer award in the 'Prag Cine Award, 2012' for the title song Ramdhenu. He was also honored with 'The Bhupen Hazarika Award' in the best male singer category on 27 April, 2012. In 2012, he won the 'GIMA' Award for the best pop album of the year for his debut album 'The Stary So Far'. In 2012 only he won the 'JD Annual Rock Awards' for two categories. The best male voice of year and for the best song of the year (Baitha Maro).

Its being a great pleasure to the people of Assam to have such an 'Iconic Man' among us and a impiration to the youngstars of folk loving generation to do something great to our country and motherland in every possible way.






# গণনাট্য যুগৰ অসমত হেমাংগ বিশ্বাস আৰু জ্যোতি-বিষ্ণু


ভাস্কৰজ্যোতি তালুকদাৰ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

ঔপনিবেশিক ভাৰতত স্বাধীনতা প্ৰয়াসী জাতীয় আন্দোলনৰ মাজে দেশজুৰি যি সাংস্কৃতিক আন্দোলন হৈছিল তাৰ গুৰিতে আছিল ভাৰতীয় গণনাট্য সংঘ। দ্বিতীয় বিশ্বযুদ্ধই তচনচ কৰা সমাজখনতেই সাংস্কৃতিক আন্দোলনৰ উৰ্বৰ পথাৰ এখনো আছিল। গতিকে গণনাট্য যুগতেই দেশত সাংস্কৃতিক আন্দোলনৰ এক সোণালী যুগ সৃষ্টি হৈছিল। যি সময়ত সাম্ৰাজ্যবাদৰ কবলত থকা, আঘাতত পংগু হোৱা মানৱ সমাজখনক মানৱতা, সাম্যবাদী তত্ব আৰু সমলেৰে উদ্বুদ্ধ কৰি এক গতি আৰু প্ৰাণৰ সঞ্চাৰ হৈছিল। ইয়াৰ মাজেদি সৃষ্টি হয় অজেয় সংস্কৃতিক, ৰাজনৈতিক সমাজ সংগঠন সকলৰ। বলৰাজ চাহানী, খাজা আবুল আব্বাছ, মুল্কৰাজ আনন্দ আদি বহুতো। অসম মুলুকত আৱিষ্কাৰ হ'ল জ্যোতি, বিষ্ণুৰ দৰে প্ৰতিভাবান বহুমুখী শিল্পীৰ। ড° ভূপেন হাজৰিকা দৰে মহান শিল্পীৰ। মঘাই ওজাৰ দৰে লোকশিল্পী। গণনাট্য সংঘৰ সংগ্ৰামৰ লক্ষ্য আছিল বঞ্চিত, শোষিত, শৃংখলিত জনৰ মুক্তি। সাংস্কৃতিক আন্দোলন আছিল এপাট ডাঙৰ অস্ত্ৰ। এইসকল অসমীয়া জাতি-ভাষা-সাংস্কৃতিক সৌধস্বৰূপ মহান ব্যক্তিত্বক আৱিষ্কাৰৰ আৰু প্ৰতিষ্ঠা কৰাৰ নেপথ্যৰ লোকজন আছিল হেমাংগ বিশ্বাস। হেমাংগ বিশ্বাসক আঁতৰাই থৈ আমি 'জনতা তোৰ প্ৰাণৰো প্ৰাণৰ' শিল্পীৰ পৃথিৱীৰ ভাস্কৰ জ্যোতিপ্ৰসাদ আগৰৱালা, 'ৰাইজৰ হিয়াৰ আমঠু' বিষ্ণুপ্ৰসাদ ৰাভাক বুজি নাপাম। তেনেকৈ বুজি নাপাম ভূপেন হাজৰিকাকো।



হেমাংগ বিশ্বাস নিজেই এজন সৰ্বভাৰতীয় নেতা সকলৰ লগত ভাৰতীয় গণনাট্য সংঘৰ অগ্ৰদূত।

১৯৫১ চনত জ্যোতি প্ৰসাদ আগৰৱালাৰ মৃত্যুৰ পিছত কলিকতাৰ দৈনিক যুগান্তৰ কাকতৰ চুকত মৃত্যুৰ খবৰ দেখি ভগ্ন স্বাস্থ্যৰেই গণনাট্য সংঘক পুনৰ সংগঠিত কৰি ১৯৫৩ চনৰ ১৭ জানুৱাৰীত সংঘৰ উদ্যোগত 'ৰূপকোঁৱৰ দিৱস' হিচাপে প্ৰথম পালন কৰা ব্যৱস্থা কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ত ৰাভাক চিনাকি দি বিশ্বাসে কৈছিল "বিষ্ণু ৰাভাৰ দৰে মহান ব্যক্তিত্ব পশ্চিমবংগতো নাই, চাৰা ভাৰতবৰ্ষত নাই।' ভূপেন হাজৰিকা, মঘাই ওজাৰ দৰে শিল্পীক বিশ্ব দৰবাৰত চিনাকি কৰি দিয়া বিশ্বাসেই হ'ল প্ৰথম ব্যক্তি। গণনাট্য যুগৰ ড° ভূপেন হাজৰিকাৰ প্ৰায়বোৰ কালজয়ী গীতৰ প্ৰথম শ্ৰোতাজন আছিল হেমাংগ বিশ্বাস। কলিকতাত লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম জয়ন্তী উদ্‌যাপন আৰু বেজবৰুৱাৰ সাহিত্যৰ ওপৰত





বিজ্ঞানসন্মত বিশ্লেষণেৰে নিৱন্ধ লিখা লোকজন হ'ল হেমাংগ বিশ্বাস।

জ্যোতি সৃষ্টিৰাজিৰ ওপৰত কেছি চলাই অসমীয়া পণ্ডিত যেতিয়া বিকৃত কৰি খণ্ড-বিখণ্ড কৰিলে তেতিয়া হেমাংগ বিশ্বাসে যুদ্ধ ঘোষণা কৰাত অসমৰ দায়বদ্ধ শিল্পী সমাজ, সাহিত্যিক সকল দল বান্ধি ওলাই আহিছিল। দুষ্কৃতিৰ বিৰুদ্ধে ঘোষণা কৰা যুদ্ধখনৰ অন্যতম সেনাপতি হ'ল হেমাংগ বিশ্বাস।

প্ৰযুক্তি কৌশল আৰু উদাৰীকৰণ অৰ্থনীতিৰ সকলো ভাষা হ'ল বিশ্বায়নৰ ভাষা। এই নব্য সংস্কৃতিৰ ভাষাই দেশৰ সংবিধানৰ প্ৰস্তাৱনাৰ ভাষা, নিদেৰ্শনাত্মক নীতিৰ ভাষা অন্য ছেদবোৰ ভাষাক শুহি পেলাইছে।


প্ৰকৃতকে এই বিশ্বায়ন কোনো সংস্কৃতি নহয়, সংস্কৃতিৰ ছদ্মবেশত পুঁজিবাদৰ সাম্ৰাজ্যবাদ দুষ্কৃতিৰ বহুৰূপী প্ৰাদুৰ্ভাৱ। সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ দুষ্কৃতিক নাশিব লাগিব। আজিৰ এই শ্বাসৰুদ্ধ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ দেশজুৰি সাংস্কৃতিক স্বাধীনতা আন্দোলন গঢ়ি তুলিব লাগিব। য'ত হেমাংগ বিশ্বাসৰ দৰে ব্যক্তি সম্পূৰ্ণৰূপে ব্ৰতী হ'ব লাগিব।

বিহু অসমৰ লোক সংস্কৃতি
অসমীয়া সংস্কৃতিও সাহিত্যৰই আধাৰ ....

হেমাংগ বিশ্বাসে কৈছে "অসমীয়া সংস্কৃতিৰও সাহিত্যৰ আদি মাতা বিহু" শ্ৰেণীহীন গোষ্ঠী সমাজের সংহত সামগ্ৰিক জীবনে ফচল উৎপাদন মানৱ প্ৰজননের ঐন্দ্ৰজালিকা অনুকৃতি থেকে যে 'Teritlity cult' এর জন্ম তার থেকেই বিহুর উৎপত্তি। হেমাংগ বিশ্বাসৰ এই অসমক লৈ চিন্তা মোৰ বোধেৰে সৰ্বাত্মক।

হেমাংগ বিশ্বাসৰ গীতত কোনো লোক-সংস্কৃতি হেৰাই নাযায়। হেৰাই নাযায় পৃথিৱী কোনো সুৰ আৰু হেৰাই নাযায় শব্দৰ সাগৰ য'ত অনুভৱৰ শিকলি চিৰযুগমীয়া হৈ আছে। এতিয়া আমাৰ লোক-সংস্কৃতিবোৰ জীয়াই ৰাখিবলৈ নিজৰ মনত বিশ্বাসৰ দৰে এজন লোক জন্ম দিয়া উচিত।








# আহোম যুগৰ ভাস্কৰ্য

**বনশ্ৰী গগৈ**
**স্নাতক চতুৰ্থ ষাণ্মাসিক**
**অসমীয়া বিভাগ**

আহোম যুগ মানে অসম বুৰঞ্জীৰ দীঘলীয়া ছশ বছৰ। ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকৰ পৰা ঊনবিংশ শতিকাৰ চতুৰ্থ দশকলৈকে নিৰবিচ্ছিন্নভাৱে আহোম সকলৰ শাসনত থাকি অসমে অনেক জয়-পৰাজয়, ঘাত-প্ৰতিঘাত, সন্ধি বিগ্ৰহ, মিত্ৰতা-শত্ৰুতা, বিনিয়ম-সংগ্ৰহ আদিৰ সন্মুখীন হ'বলগীয়া হৈছিল। চুতীয়া, বৰাহী, কছাৰী, মৰাণ, ভূঞা আদি বিভিন্ন জনগোষ্ঠীৰ হাতত খণ্ড-বিখণ্ড হৈ থকা লুইতৰ দুয়োপাৰ 'অসম' নামৰ এখন ৰাজ্যত পৰিণত হ'ল আৰু তাতোকৈয়ো টুকুৰা-টুকুৰ হৈ থকা জাতি-জনজাতি-উপজাতি মিলি 'অসমীয়া' জাতিলৈ উন্নীত হ'ল। আহোম যুগৰ মানুহবোৰৰ গুণগ্ৰাহিতা, সহিষ্ণুতা আৰু সৌন্দৰ্য প্ৰীতিয়ে অসমজ্ঞ সংস্কৃতিৰ বুৰঞ্জীত দুগুণ সুৱগা চৰালে।



আহোম যুগৰ ভাস্কৰ্যত কিছুমান সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। আহোম যুগৰ ভাস্কৰ্য শিল, ইটা, কাঠ এই তিনিওটাতে কৰা হৈছিল। শিলৰ ভাস্কৰ হিচাপে অসমীয়া শিলাকুটিয়েই শিলৰ বুকুত শিল্পীৰ সপোন ফুটাই তুলিছিল। শিলত কটা ভাস্কৰ্যত দেৱ-দেৱীৰ মূৰ্তি, শাস্ত্ৰীয় কাহিনীৰ কোনো কোনো ধৰ্মীয় দৃশ্য, ধৰ্মনিৰপেক্ষ স্বাভাৱিক জীৱনৰ






দৃশ্য, জীৱ-জন্তু, গছ-লতা, ফুল, পাত আদি দেখা যায়। কোনো কোনো ঠাইত ঐতিহাসিক ব্যক্তিৰ চিহ্নও কটা হৈছিল। জয়দ'লত ৰুদ্ৰসিংহই ঘোঁৰাত উঠি যোৱাৰ দৃশ্য থকাৰ উপৰিও দক্ষিণ ফালৰ বেৰত জয়মতী বুলি ঠাৱৰ কৰা নাৰী-মূৰ্তি এটাও দেখা যায়। গৌৰিসাগৰৰ দ'লৰ বেৰ আৰু জয়দ'লৰ বেৰৰ ভাস্কৰ্যত সুষমা, সৌন্দৰ্য আৰু সূক্ষ্মতা, সৌন্দৰ্য আৰু সূক্ষ্মতা উচ্চ খাপৰব। এই শতিকাৰ চতুৰ্থ দশকত দিখৌৰে খহাই নিয়া মৈদাম এটা খানি সংগ্ৰহ কৰা কাঠৰ খাট-পালেং আদিত ফুল-লতা, কাটি সোণ খটুৱাই দিয়া দেখা গৈছিল।

কাঠ খোদাই ভাস্কৰ্যত অসমীয়া মানুহ আহোম যুগত অতি পাকৈত আছিল। বাঢ়ৈ আৰু খনিকৰ খেল কাঠ খোদাইৰ বাবে নিয়োজিত হৈছিল। খাট-পালেং, চালপীৰা, নৰাপীৰা, তামুলীপীৰা, সিংহাসন, মুখা, মূৰ্তি, শৰাই, পেৰা, সফুঁৰা আদি কুন্দত কাটি না-না চানেকীয়ে সজাৰ উপৰিও তাৰ ওপৰত ৰং-ৰহণ লগাই আৰু ধুনীয়া কৰি তুলিছিল। চ'ৰা নাও, কচৰু, হয়কলি, মগৰী নাও আদিৰো বাহিৰফালে খোদাই কৰি হেঙুল-হাইতাল লগাই জিকমিকীয়া কৰিছিল। কেঁকোৰা-দোলা, পহি-দোলা আদি নালডালত চৰাই, জন্তু আদি কাটি উলিওৱাৰ উপৰিও দোলাখনৰ কাষতো লতা-ফুল কাটি সোণ খটুওৱা হৈছিল। কাঠেৰে নিৰ্মিত পাটঘৰ, হোলোং ঘৰ, শিঙৰি ঘৰ, কাৰেং, বাটচ'ৰা, বুলনি চ'ৰা, বৰমেলাৰ বৰ ঘৰ আদিৰ চ'টি, খুটা, দুৱাৰ আদিত নানা তৰহৰ ফুল-পাত কাটি সুন্দৰ কৰা হৈছিল। ৰজাঘৰৰ সমান্তৰালভাৱে সত্ৰসমূহতো কাঠ খোদাই ভাস্কৰ্যই গা কৰি উঠিছিল। আহোম যুগৰ পোৰামাটিৰ ভাস্কৰ্যও উল্লেখ কৰিবলগীয়া। ইটা তৈয়াৰ কৰিবৰ সময়তে ফুল-লতা আদি সাঁচত মাৰি উলিওৱা হয়। পাছত সেইবোৰ পকি কৰি যথাস্থানত খাজি ফুল-লতা গঢ় দি উলিওৱা হয়। ৰংঘৰ আৰু তলাতল ঘৰৰ দুৱাৰ মুখত এনেকুৱা ইটা দেখিবলৈ পোৱা যায়। নাতি গোঁসাই দ'লটো পোৰামাটিৰ ভাস্কৰ্যৰ এটি আপুৰুগীয়া নিদৰ্শন। ৰামায়ণৰ কাহিনী অংকিত হোৱাৰ উপৰিও 'শেনমেলা', পৰ্বতীয়া মানুহ, ৰজা আদিৰ চিত্ৰও আছে। দ'ল-দেৱালয় আৰু ঘৰ-দুৱাৰৰ বেৰত লেপন দিবৰ সময়ত য'ত যি শোভনীয়, তেনেকুৱা ফুল-লতা আঁকিছিল। তলাতল ঘৰৰ গাত আৰু গড়গাঁৱৰ কাৰেংৰ বেৰত এনেকুৱা ভাস্কৰ্য দেখা যায়। এই কাৰেঙৰ দক্ষিণফালে এহাল ড্ৰেগনৰ ছবি আছে।

গতিকে দেখা গ'ল যে আহোম সকলৰ একান্ত প্ৰচেষ্টাতে অসমৰ দৌল-দেৱালয়, মঠ-মন্দিৰৰ পৰা সামৰি অসমীয়া সমাজৰ কিছুমান ৰীতি-নীতি, নিত্য ব্যৱহৃত সা-সঁজুলি তথা দৈনন্দিন জীৱনত ব্যৱহৃত সচৰাচৰ কিছুমান শব্দ গম নোপোৱাকৈয়ে আমাৰ মাজত সোমাই পৰিল। লগতে মঠ-মন্দিৰ, দ'ল-দেৱালয় সমূহ আমাৰ মাজত পুৰণি কীৰ্তিচিহ্ন হিচাপে জিলিকি আছে। সেয়ে আমি এইসমূহক লৈ আজি গৌৰৱান্বিত অনুভৱ কৰো।







# ছাগৰ ক্ৰীড়া

চন্দ্ৰিকা কোঁৱৰ
স্নাতক চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

12th SOUTH ASIAN GAMES 2016


'ছাগ' অৰ্থাৎ ছাউথ এচিয়ান ফেডাৰেচন গেমছ। এই ছাগ গেমছ অলিম্পিক কাউন্সিল অৱ এছিয়াৰ উদ্যোগত দক্ষিণ-ভাৰত, আফগানিস্তান, ভূটান, বাংলাদেশ, মালদ্বীপ, নেপাল পাকিস্তান আৰু শ্ৰীলংকাৰ এই কেইখন দেশ লগ লাগি গুৱাহাটীৰ সৰুসজাই ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত হৈছিল। বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা এই ছাউথ এছিয়ান গেমছত মুঠ ইভেণ্টৰ সংখ্যা আছিল ২৩টা। ইয়াৰে ভিতৰত ১৫ বিধ খেল গুৱাহাটীত অনুষ্ঠিত হৈছিল আৰু ৭ বিধ খেল ছিলংত অনুষ্ঠিত হৈছিল। অন্যহাতে ফুটবল প্ৰতিযোগিতাখন দুয়োটা স্থানতে অনুষ্ঠিত কৰা হৈছিল। বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণময় কৃষ্টি-সংস্কৃতিৰ নৈপুণ্যতাৰ প্ৰদৰ্শনেৰে ৮ খন ছাৰ্ক দেশৰ ২,৬০০ খেলুৱৈৰ অংশগ্ৰহণেৰে এই ক্ৰীড়াংগণ পৃথিৱী ব্যাপী শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ মহোৎসৱত পৰিণত হ'ল। এই গেমছ ১২ দিন ধৰি চলিছিল। প্ৰতিযোগিতাখনত ক্ৰীড়া






সাধনাৰ প্ৰদৰ্শনৰ লগতে মহাবাহু ব্ৰহ্মপুত্ৰৰ মনোমোহা সৌন্দৰ্য, উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতি সৃষ্ট নান্দনিকতাৰ লগতে সমগ্ৰ অসমবাসীৰ অতিথি পৰায়ণতাৰ কেতবোৰ মুহূৰ্ত মধুৰ স্মৃতি হৈ বিৰাজিত হৈ থাকিব। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, দেশৰ ক্ৰীড়া সংগঠক, সংবাদ মাধ্যম সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টা আৰু কষ্টসহিষ্ণুতাই উত্তৰ-পূবৰ ক্ৰীড়া ক্ষেত্ৰক বহুযোজন আগুৱাই নিয়াৰ ক্ষেত্ৰত ফলপ্ৰসু হোৱাই নহয়, সমগ্ৰ বিশ্বতে গৰ্ব অনুভৱ কৰাৰো এক সুযোগ প্ৰদান কৰিলে প্ৰতিগৰাকী ভাৰতবাসীক। খেল হ'ল এনেকুৱা এক বস্তু যি আমাৰ মাজত ৰাজনীতি, সমাজনীতি, ধৰ্মীয় সংকীৰ্ণতা তথা বিভেদকামী সকলো শক্তিৰ মষিমূৰ কৰি বিশ্ব শান্তিৰ এজাৰ চৰাই উৰুৱাবলৈ সক্ষম কৰে। 'এই পৃথিৱী এক ক্ৰীড়াংগণ, ক্ৰীড়া হ'ল শান্তিৰ প্ৰাংগণ'। গীতটোৱেই ছাগ-১০১৬ৰ 'থীম চং' অৰ্থাৎ 'বিষয় সংগীত' হিচাপে লোৱা হৈছিল।

ছাগ গেমছৰ বৰ্ণাঢ্যৰ প্ৰথম দিনটোত দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজত একতাৰ ডোল সম্প্ৰীতিৰ বান্ধোনেৰে সকলো অনুপ্ৰাণিত হৈছিল। এই গেমছ প্ৰথমবাৰৰ বাবে ১৯৮৪ চনত নেপালত 'অলিম্পিক কাউন্সিক অৱ এছিয়া'ৰ উদ্যোগত অনুষ্ঠিত এছিয়াৰ সৰ্ববৃহৎ ক্ৰীড়া প্ৰতিযোগিতাখন হৈছিল। এই প্ৰতিযোগিতাখনে বহু কেইটা দিশত এইবাৰ গুৰুত্বপূৰ্ণভাৱে বিবেচিত হৈছিল। বিশেষভাৱে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দৃঢ় পদক্ষেপত অসম আৰু মেঘালয়ে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুযোগ লাভ কৰে। এই প্ৰতিযোগিতাখনত প্ৰথমবাৰৰ বাবে পুৰুষ আৰু মহিলা উভয়ৰে প্ৰতিদ্বন্দ্বিতা হৈছিল। ২২৮ টা স্বৰ্ণ, ২২৮টা ৰূপ আৰু ৩০টা ব্ৰঞ্জৰ পদকৰ বাবে ২৩টা ব্ৰঞ্জৰ পদকৰ বাবে ২৩টাকৈ বিভাগত ২২৮টা ইভেণ্টত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই দুই সহস্ৰাধিক ক্ৰীড়াবিদে, য'ত ২৪৫ গৰাকী মহিলা এথলীটৰ অংশ গ্ৰহণেৰে ভাৰতৰ প্ৰতিযোগীৰ সংখ্যা সৰ্বাধিক ৫২১ গৰাকী আছিল। প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানৰ মুহূৰ্তত অংশ গ্ৰহণ কৰি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৰা মন্তব্য অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চললৈ বহু কেইটা আশাৰ বতৰা









কঢ়িয়াইছিল। বিশেষকৈ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এতিয়া চালুকীয়া অৱস্থাত থকা অসম আৰু মেঘালয়ৰ বাবে এই প্ৰতিযোগিতাই ব্যৱসায় আৰু পৰ্যটন উদ্যোগলৈ অফুৰন্ত সম্ভাৱনা কঢ়িয়াই আনিছে। আঠ দেশৰ ক্ৰীড়াবিদসকলৰ লগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চললৈ বহু কেইটা আশাৰ বতৰা কঢ়িয়াইছিল। বিশেষকৈ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এতিয়া চালুকীয়া অৱস্থাত থকা অসম আৰু মেঘালয়ৰ বাবে এই প্ৰতিযোগিতাই ব্যৱহাৰ আৰু পৰ্যটন উদ্যোগলৈ অফুৰন্ত সম্ভাৱনা কঢ়িয়াই আনিছে। আঠ দেশৰ ক্ৰীড়াবিদসকলৰ লগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চললৈ প্ৰথমবাৰৰ বাবে অহা বিষয়ববীয়া বা কাৰ্যনিৰ্বাহকসকলৰ মনত যুগমীয়াভাৱে মধুৰ স্মৃতি হৈ ৰৈ যাব অসমৰ প্ৰাকৃতিক সৌন্দৰ্যময় স্থান আৰু ইয়াৰ মনোৰম সুন্দৰ ঠাই বিশেষ লগতে সিহঁতৰ অভ্যৰ্থনা শুশ্ৰূষা পৰায়ণতা।

ছাগ ভাৰতলৈ অহাৰ লগে লগেই সমান্তৰালভাৱে এই প্ৰতিযোগিতাখনে অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰৰ লগতে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে বয়সৰ ঊৰ্ধত সকলো লোকক সামৰি লোৱা হৈছিল। বিশেষকৈ নাৰী সৱলীকৰণৰ লগতে স্পৰ্শকাতৰ সমলিংগৰ অধিকাৰ বিষয়টোত ক্ৰীড়াক্ষেত্ৰই প্ৰত্যক্ষ অৱদান আগবঢ়াইছিল। চুবুৰীয়া দেশৰ লগত সাধাৰণতে বৰ্তি থকা জটিল আৰু পৰিপন্থী মতাদৰ্শ আঁতৰাই সকলো দেশৰ ক্ৰীড়াবিদৰ মিলনস্থলী হৈ পৰে এনেধৰণৰ মহোৎসৱবোৰত। শান্তিৰ বাতাবৰণ কঢ়িয়াই সকলো দেশৰ মাজত দ্বিপাক্ষিক বুজাবুজিৰ যোগেদি শুভাশিস প্ৰদানৰ ৰংগমঞ্চ হৈ পৰে।

এই ছাউথ এছিয়ান গেমছত ৮ খন দেশৰ ভিতৰত ভাৰতে প্ৰথম শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হ'ল। ভাৰতে মুঠ ১৮৮টা সোণ, ৯০টা ৰূপ আৰু ৩০টা ব্ৰঞ্জৰ পদকেৰে শীৰ্ষস্থান প্ৰাপ্ত কৰিলে।

এইদৰেই ক্ৰীড়াক্ষেত্ৰৰ ৰণাংগনত শান্তি-সম্প্ৰীতি, ভাতৃত্ববোধৰ এনাজৰী, একতাৰ বান্ধোন, সমতাৰ প্ৰীতিৰ জৰী অতি সৰ্বস্বতাৰে টানি ৰাখিছিল। বহু দেশৰ শক্তিশালী ৰণুৱা, যুজাৰু, সাহসী বীৰে অসূয়া প্ৰচেষ্টাৰে তেওঁলোকৰ সুন্দৰ প্ৰতিভাসমূহ সাৱলীলভাৱে দেখুৱাইছিল।



# ৰাজনীতিৰ লগত ছাত্ৰ সমাজ

**জ্যোতিৰ্ময় বয়চৌধুৰী**
**স্নাতক প্ৰথম ষাণ্মাসিক**

মই এজন কোনো ৰাজনৈতিক বিশ্লেষক, ৰাজনীতিবিদ, সংবাদ মাধ্যমত নিজৰ মত প্ৰকাশ কৰা বা ভাষণ দিয়া কোনো অভিজ্ঞ ব্যক্তি নহয়। মই মাত্ৰ এজন সাম্প্ৰতিক সময়ৰ ৰাজনীতিৰ প্ৰতি আকৰ্ষণ থকা এজন ছাত্ৰ।

শৈশৱ কালত আমাক যেতিয়া প্ৰশ্ন কৰে তুমি ডাঙৰ হৈ কি হ'বা? উত্তৰত কয় - ডাক্তৰ, অভিযন্তা, প্ৰফেচাৰ, উকিল, বিজ্ঞানী, সাংবাদিক ইত্যাদি। কিন্তু কোনো ছাত্ৰই মই এজন সুদক্ষ ৰাজনীতিবিদ হ'ব বুলি নকয়। যিটো পৃথিৱীৰ আটাইতকৈ ডাঙৰ পেছ সেই ৰাজনীতিবিদ হ'ব নিবিচৰাটো এটা আচৰিত কথা। ইয়াৰ আঁৰত বহুতো কাৰণ আছে - ৰাজনীতিক মানুহে লেতেৰা বস্তু বুলি গণ্য কৰে। সদায় বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত নেতা সকলৰ কেলেংকাৰি, অসৎ কৰ্মসমূহ প্ৰকাশ পায়। সেয়ে কাকতখন পঢ়াৰ পিছত যুৱ প্ৰজন্মই ৰাজনীতিক আৰু সেই নেতাজনক ঘিন কৰে।





সেইবাবে যুৱ প্ৰজন্ম বা ছাত্ৰসকল ৰাজনীতিৰ প্ৰতি আগবাঢ়ি নাহে। আকৌ ৰাজনীতি বা মন্ত্ৰী, নেতা, বিধায়কসকল ভাল নহ'লে সমাজ বা দেশৰ কেতিয়াও বিকাশ নহয়। পঢ়া-শুনা কৰি ডাক্তৰ, অধ্যাপক, উকিল হৈ তেতিয়া সমাজৰ বিকাশত একো বৰঙণি আগবঢ়াব পৰা নাযাব। কোনো টি.ভি. চেনেল এটাত আমন্ত্ৰিত অতিথি হিচাপে কেৱল সমালোচনাহে কৰিব লাগিব। মই কাকো ৰাজনৈতিক নেতা বা ছাত্ৰ নেতা হ'বলৈ আহ্বান জনোৱা নাই, মাত্ৰ কৈছে যে ৰাজনীতিক লেতেৰা বুলি ঘিন নকৰিবলৈ, ৰাজনৈতিক নেতা, মন্ত্ৰীসকলৰ কাৰ্যৰ প্ৰতি দৃষ্টি ৰাখিবলৈ, ৰাজনীতিৰ সম্পৰ্কে মানুহৰ মাজত থকা যি ধাৰণা তাৰ সলনি কৰি এক বিকাশমুখী সমাজ তথা ৰাষ্ট্ৰ গঢ়াত আমি সকলোৱে যেন নিজৰ কৰ্তব্য পালন কৰিব লাগে সেই কথাহে মই ক'ব বিচাৰো।

এতিয়া এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হয় যে - ছাত্ৰই ৰাজনীতি কৰিব লাগেনে নালাগে? ছাত্ৰসকল যিহেতু সমাজৰ এটা অংগ, গতিকে তেওঁলোক প্ৰত্যক্ষ বা পৰোক্ষভাৱেই হওঁক ৰাজনীতিৰ লগত জড়িত হ'বই বা ৰাজনীতিৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত পৰাটো স্বাভাৱিক। ৰাজনীতিবিদ, শিক্ষাবিদ তথা বুদ্ধিজীৱিসকল এই ক্ষেত্ৰত দুটা শিবিৰত বিভক্ত। এওঁলোকৰ এটা চামৰ মতে ছাত্ৰ-ছাত্ৰীসকলে নিজকে ৰাজনীতিৰ পৰা সযতনে আঁতৰাই ৰখা উচিত। ছাত্ৰ-ছাত্ৰীৰ বয়স দিবাস্বপ্ন দেখাৰ বয়স। দেশপ্ৰেম তেওঁলোকৰ অন্তৰত তগবগ কৰি থাকে। ৰাতিটোৰ ভিতৰতে তেওঁলোকে দেশ আৰু সমাজ সংস্কাৰ সাধন কৰিব বিচাৰে। ৰাজনৈতিক দল আৰু নেতাবোৰে ছাত্ৰসকলৰ দুৰ্বলতাৰ পূৰ্ণ সুযোগ লয়। এবাৰ ৰাজনীতিৰ নিচা লাগিলে তেওঁলোকে তাৰ পৰা ওলাই আহিব নোৱাৰে। ফলত তেওঁলোকৰ পঢ়া-শুনা সকলো শেষ হ'ব আৰু তেওঁলোকৰ লগতে দেশৰ ভৱিষ্যতো অন্ধকাৰ হ'ব। আকৌ আন এচামৰ মতে ছাত্ৰ অৱস্থাত প্ৰকৃত জ্ঞান আহৰণ কৰি উপযুক্ত বয়সত ৰাজনীতিত যোগ দিয়াটো নিশ্চয় বেয়া কথা হ'ব নোৱাৰে।

ছাত্ৰ-ছাত্ৰীসকলে সাম্প্ৰতিক ঘটনা, সমস্যা, ৰাজনৈতিক নেতাৰ কাৰ্যকলাপত চকু ৰাখি দেশত অনিয়ম-দুনীৰ্তি দেখিলে প্ৰচাৰ মাধ্যমৰ জৰিয়তে তাৰ প্ৰতিবাদ কৰি সমাজ গঢ়াত অংশ গ্ৰহণ কৰিব লাগে। কেৱল ৰাজনীতিত প্ৰত্যক্ষ অংশ গ্ৰহণৰ জৰিয়তেহে যে সমাজৰ বিকাশ সাধন কৰিব পাৰি সেয়া অন্তত মোৰ বিশ্বাসযোগ্য নহয়। মোৰ বোধেৰে ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমে শিক্ষা গ্ৰহণ কৰি দেশৰ বাঘজৰীডাল হাতত ল'ব পৰাৰ উপযুক্ত হৈ সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰিব লাগে। সমাগত সময়ত কেৱল শিক্ষা আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্বাৰাহে এখন দেশক আন দেশসমূহৰ লগত সমানে আগুৱাই দিব পাৰি। এগৰাকী সুদক্ষ ভাল ব্যক্তিত্বৰ ৰাজনীতিবিদ হ'বলৈ হ'লে প্ৰথম অৱস্থাত তেওঁ এজন ভাল ছাত্ৰ হোৱাটো বাঞ্চনীয়।








## Where is the Spring of my Soul...?

Sangeeta Roy,
Librarian
Sonari College

Yes, I have lost the spring of my soul.
As I had a blue dream,
Of untouched horizons of a successful life,
To be lived with full contentment
In the sea of my emotional life.
Of unreached silvery places of wishes,
To be smelt to the fullest
In the midst of union of two souls.
Of undefined naughtiness and soulful feelings,
To be shared with great zeal
In the lap of a green life.
Of a sweet smelling home of caressed laughter,
To be spent like a remembered one
In the quest of a golden family.
Of a non-violent society of mankind,
To be shared the brotherhood
In the thinking mentality of love and care.










## UNWRITTEN POETRY

Sachin Rai
B.A. 2nd Semester

I sit down to write, expectantly,
But discover in the long pause
That I have nothing to say.
No images come, no wisdom,
No observations even.
I have passed through the day untouched,
Intention be darned.
There will be shadows thrown in slow,
Arcs by the sun; the evening will
Slither past my small space
To reveal the stars by contrast
Alone. And I will go equably,
To sleep and dream of poetry.







# অমৰ শব্দ

বনশ্ৰী গগৈ
স্নাতক চতুৰ্থ যান্মাসিক
অসমীয়া বিভাগ

কবিতাক আমি জানো বাবেই
সকলোৱে মনৰ সংগোপনে কথাবোৰ কবিতাৰ আগত
আলাপ কৰোঁ।
মন গহনৰ কিছু সুখ-দুখৰ স্মৃতিক
কলমেৰে কাজলি ভৰাওঁ।
কবিতাৰ মৃত্যু নাই বাবে আজিলৈকে
কবিৰ হাতত অমৰ সৃষ্টি হৈয়ে আছে।
য'ত সময়পায় আলসুৱা অনুভৱৰ
কিছু শব্দৰে একোণত ছাঁ ল'বলৈ।
ই কেতিয়াবা আমাক নিচুকাই
অতীত, বৰ্তমান, ভৱিষ্যতৰ সংলাপ সজাই।







# আকুলতা

বন্দনা বৰুৱা
স্নাতক চতুৰ্থ যান্মাসিক
অসমীয়া বিভাগ

আমাৰ চোতালৰ দুৱৰী ডৰাৰ
মাজেৰে তোমাৰ অহা যোৱা
সুধিবলৈ মন যায়
তোমাৰ নাম ঠিকনা...
মাতিম বুলি ভাবিও ৰৈ যাওঁ
ভাষা হেৰাই মনত
জানোচা তুমি...

তুমি দিলাহি এপাহ গোলাপ
আলফুল দুহাতেৰে
অনুভৱ কৰিলো
তোমাৰ বুকুৰ বেথা।

সিদিনাৰ পৰা
মোৰ বুকুত
তোমাৰ অগা দেৱা
মনৰ কোঠালিয়ে কোঠালিয়ে
আলোকিত হ'ল পোহৰৰ আভা।



# অস্ফুট হৃদয়ৰ ধ্বনি




দেৱযানী গগৈ
স্নাতক ষষ্ঠ যান্মাসিক
ইংৰাজী বিভাগ


তুমি স্মৃতিৰ এখিলা সৰাপাত হৈ পৰিবা নেকি
বা বিলিন হৈ যাবা নেকি ধূসৰ অতীতত।

অপ্ৰকাশিত ইতিহাসৰ পৃষ্ঠাত
নিৰৱে স্তব্ধ হ'ব নেকি প্ৰাণচঞ্চল বুকুৰ স্পন্দন।

ভয়েই লাগে উজনি মুখী বাছত তুমি গুচি গ'লে
দুখেই লাগে বিদায় দিয়া প্ৰতিটো ক্ষণ।

কোনে জানে সময়বোৰ তোমাৰ সৈতে চমু হ'ব পাৰে।

সেই বাবেই..
যাওঁ বুলি নকবা তোমাক বিদায় জনাব নোখোজো।





# সময়


মৌচুমী বৰুৱা
স্নাতক চতুৰ্থ যান্মাসিক
অসমীয়া বিভাগ

সময়ৰ চাকনৈয়াত পৰি
জীৱন পথৰ ধুমুহাজাকত বিধ্বস্ত হৈ বৈছো মই...।
সন্মুখত এখন মাথো পাৰাপাৰহীন পৃথিৱী।
আশাৰ বালিঘৰে আজি আকে ধূসৰ প্ৰতিচ্ছবি
প্ৰতিক্ষণ মাথো বিষাদৰ....।

নিলীম আকাশৰ সীমাহীন বুকুত
মিছায়ে আকিলোঁ জীৱন ছবি...।
সুখৰ ৰং সাজি সাজি
মিছায়ে তুলিলো হাঁহিৰ খলকনি....।

নিশান্তৰৰ সপোন দেখো
দোকমোকালিতে হেৰাই যায়।
পাহৰিব খোজা স্মৃতি দেখো
হৃদয়তে দোলা দি যায়।
সচাঁয়ে.....

সময়ে আনি দিয়াবোৰ
সময়েই কাঢ়ি লৈ যায়...।





# দুৰ্ভগীয়া বন্ধুত্ব

সুজিতা ওৰাং
স্নাতক চতুৰ্থ ষান্মাসিক
শিক্ষা বিভাগ

বন্ধুত্ব
এক মধুৰ সম্পৰ্ক....
যাৰ আস্ফালনাত থাকে মধুৰতা, কোমলতা
মোৰ ফুলনিখনত বীজ সিঁচিছিলো
প্ৰকৃত বন্ধুত্বৰ
এপাহি দুপাহিকৈ কলি মেলি
নানাৰঙী হৈ পৰিছিল মোৰ ফুলনি
কিন্তু...
অচিন বৰদৈচিলা জাকে সকলো কাঢ়ি নিলে
য'ত নিহিত আছিল মৰম ভালপোৱা
মান-অভিমান আৰু বিশ্বাস।
দুৰ্ভগীয়া ফুলনিৰ সকলো ফুল মৰহি হ'ল
তৃষ্ণাতুৰ বন্ধুত্বৰ সম্পৰ্কক
প্ৰতাৰিত কৰিলা তুমি

বন্ধু
মোৰ ৰিক্ত হৃদয়ত তোমাৰ স্থান
সদায় থাকিব ওপৰত
যদিও কৰিলা বিশ্বাসঘাতকতা
তুমি মোৰ লগত
বিশ্বাসঘাতকতা
তুমি মোৰ লগত
বিশ্বাসঘাতকতাৰ পূৰ্ণ মাদকতা বাৰুকৈ
উপলব্ধি কৰিছো আজি
বাৰে বাৰে প্ৰতাৰিত হৈও
আদৰিছোঁ তোমাক কাৰণ
এয়াই মোৰ বাবে
'বন্ধুত্বৰ প্ৰতিদান।'






# চকৰি ফেঁটী

অভিজিৎ শইকীয়া
স্নাতক ষষ্ঠ ষান্মাসিক

এদিন ৰাতি তোমাক এটা সাপে মেৰাই ধৰিব
সিদিনা তুমি গোটেই ৰাতি উজাগৰে থাকিবা
উচুপি.... উচুপি....!

চকুৰ পানী আহি নাকত পৰে বাগৰি
দুই ওঁঠৰ কোণেৰে প্ৰৱেশ কৰিব
তোমাৰ অন্তৰলৈ....।

গাঢ় ৰঙা কলিজাৰ তেজতো ঘটিব
ৰাসায়নিক বিক্ৰিয়া....!

বিষাদৰ যন্ত্ৰণা সাপডাল হ'ব
এদিনৰ বাবে, এৰাতিৰ বাবে
তোমাৰ শস্যাৰ সঙ্গী....
আৰু তোমাক মেৰাই ধৰিব।

একো নামাতে ... নকৰে....
তুমি ভয় কৰিলে সিও
ভয় কৰিব কিন্তু সি বিষাক্ত।

তাক আমনি কৰিলে সিও
তোমাক আমনি কৰিব
তাক আঘাত কৰিলে সিও
তোমাক আঘাত কৰিব



তাক কামুৰিলে সিও তোমাক
কামুৰিব মাত্ৰ প্ৰাণৰ বাবে।

সিদিনা ৰাতি তুমি তাক
আল পৈচান ধৰিবা, খোৱাবা বোৱাবা
লগত শোৱাবা চাবা সি তোমাৰ
লগ নেৰিব! আৰু তুমি
আঁতৰি ফুৰিলে সিও প্ৰাণৰ ভয়ত
আঁতৰি ফুৰিব... তুমি ভালপোৱাৰ দৰে
সিও ভাল পায় প্ৰাণ
জীয়াই থকাৰ বাসনা।

কোনোবা অজাত শত্ৰুৱে তাক খেদি পঠালে
ঘৰৰ কুকুৰে ৰাহি জোৰা নিমিলে
পিৰালিত বহি ৰাইজমেল পাতে।

সি জীয়াই থাকিবৰ বাবে
তোমাক সাৱতি ধৰিব।
এৰাতিৰ বাবে তাৰো
প্ৰয়োজন হ'ল সংগীৰ!

সি তোমাক নৱসন পিন্ধাব
সেউজীয়াক ৰঙা কৰিবলৈ
তোমাৰ আক্ষেপক সি পাগল কৰিব
খঙৰ উত্তাপত হৃদয় গলিব
সপোন ৰঙীন চিলমিলীয়া!

সি চকৰিৰ গপচত ফেঁট তুলি
ৰজা হোৱাৰ স্বপ্ন দেখে
আৰু চকৰিৰ দৰেই দুৰ্নীতি
চক্ৰবৃত্ত যেন ঘূৰণীয়া বেলি
উত্তাপিত দুপৰীয়া মধ্যবিন্দু
মেৰাই ধৰে শোষণ আৰু
সংগী বিচাৰি লগ লয়
শোষক... পুঁজিপতি পলাতক।।

(ৰঙা ছবি ঃ শোষিত জনতা)






# স্মৃতিৰ সুবাস বুটলি

শচীন কুৰ্মী
স্নাতক ষষ্ঠ ষাম্মাসিক
শিক্ষাতত্ত্ব বিভাগ

হেজাৰ জনৰ...
অশেষ কষ্ট আৰু অদম্য ধৰ্য্যৰেস
নিজৰ প্ৰতিভা আৰু মেধাক
নিশ্চিত ভাৱে প্ৰতিহত কৰি
তোমাক জীয়াই ৰাখিবলৈ
সুন্দৰদৰ্শিতা গুণৰ ঐশ্বৰ্যৰে
তোমাক প্ৰস্তুত কৰিছে,
সেইবাবে জনাওঁ তোমাক
শত সশ্ৰদ্ধ প্ৰণাম

হে! জ্ঞানৰ আলয়
তোমাৰ জ্ঞানৰ  আলয়ত
চাৰিও দিশে সেউজীয়া বননীয়ে
চৌদিশে বিয়পায় মাথো শীতল ছায়া
বিলায় সকলোকে জ্ঞানৰ অমৃত
সেই বাবে জনাওঁ তোমাক
শত প্ৰণাম।



এইখনেই চোতাল
ঘৰ পৰা পাইছিলো
সহপাঠী সকলৰ লগত উমলি জামলি
জীৱন গঢ়াৰ পথ।
পাইছিলো বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকলৰ পৰা
অশেষ জ্ঞান আৰু সুকোমল স্নেহ
কেনেকৈ পাহৰো অনুভৱত সোণ হোৱা
জীৱনৰ এই তিনিটা বছৰ।

হে! জ্ঞানৰ আলয়
এতিয়া অনুভৱ মোৰ, তোমালৈ
দিগন্ত প্ৰয়াসী হওঁক তোমাৰ সৃষ্টিত সুতিত
জ্বলি থাকক চিৰজীৱন জ্ঞানৰ বন্তি।




# মোৰ জীৱনৰ অন্তত

অনিমা বৰগোহাঁই
স্নাতক চতুৰ্থ ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

অক্লান্ত জীৱনৰ
ভাগৰুৱা পথিক মই
অলপ জিৰণি লওঁ
সোণোৱালী পথাৰৰ
বহল বুকুত।
নীলাম্বৰৰ স'তে
ভগাই লওঁ।
এপিয়লা দুখ আৰু ভাগৰ
উফৰি জাফৰি
আকৌ উঠিব খোজো
সময়ৰ পখীঘোঁৰাত
কলীয়া ডাৱৰ ফালি
আগুৱাই যাওঁ
দূৰ দিগন্তৰ তালৈ।
মৃত্যুঞ্জয়ী পথাৰৰ বুকুলৈ
য'ত তুমি ৰৈ আছা মোলৈ
অতি গোপনে গোপনে।








# নৱ পুৱাৰ দিশে

অশ্বিনী গগৈ
স্নাতক চতুৰ্থ ষাণ্মাসিক
শিক্ষা বিভাগ

আজি যে দেওবাৰ... দেওবাৰ মানেই কলেজ বন্ধ
উকা উকা হৈ থাকিব
সেউজীয়া ঘাঁহনিৰ দলিচাখনি
আজি যে দেওবাৰ...
সেউজীয়া দোপাট্টাৰ জাপত জাপ লৈ নাহে
মোৰ হৃদয়ৰ মলালিছাই....।
মেঘালি চুলিকোছাক আমনি নকৰেহি
দুষ্ট ফাগুনৰ বলীয়া বতাহে
ৰ'দে নাচালিব গুলপীয়া গালত
এসোপা ৰ'দালি আৱেশ...।

আজি পুৱাৰ পৰা আবেলিলৈ পাৰ হ'ব প্ৰতিক্ষণ
বৰ নিসংগভাৱেই....
কমনৰুম, লাইব্ৰেৰী, কেন্টিন, ক্লাচৰুম....
ক'তোৱেই নাথাকিব
এজাক নৱ সম্ভাৱনাৰ তৰুণ তৰুণীৰ সুললিত কণ্ঠস্বৰ....
উদাসীনভাৱেই উদ্‌যাপিত হ'ব আজিৰ দিন
জাকি মাৰি উলাই নাহে আজি.... নাতিদূৰৰ ছাত্ৰী নিবাসৰ পৰা
সেই সজল নয়নবোৰ, মিঠা মিঠা হাঁহিবোৰ
থাকিবও পাৰে সেই সকলৰ মাজতে
তোমাৰ আকাংক্ষিতা গৰাকী
তথাপি নাপাবা লগ আজি... সঁচাই আজিয়ে দেওবাৰ
উদাসীনতাক নেওচি...
সপোনৰ বালিঘৰ সাজিবলৈ
পুনৰ অপেক্ষাৰত হ'ব লাগিব
সেউজবুলীয়া আশাৰে ভৰা
সোমবাৰৰ নতুন প্ৰভাতী পুৱালৈ...।



# সিদিনা লগ হৈছিলো

চন্দ্ৰিকা কোঁৱৰ
স্নাতক চতুৰ্থ ষান্মাসিক

সিদিনা লগ হৈছিলো সন্ধিয়া পৰত
নিস্তব্ধ আকাশত যেতিয়া
এটি দুটি তৰাই সাৰ পাইছিল
তেতিয়া আমি হাঁহিছিলো প্ৰাণখুলি
সাগৰৰ ঢৌবোৰো ক্ৰমশঃ বাঢ়ি আহিছিল
নিৰ্মালি দুহাতেৰে প্ৰাণ ভৰি ভৰি
পানীবোৰ চুইছিলো হৃদয়ৰ বিশালতাৰে
পূৰ্ণিমাৰ স্বৰ্তস্ফুত পোহৰে
মুখখনক ঢাকিব পৰা নাছিল
আৱৰণ দিব পৰা নাছিল
হৃদয়ৰ আচল সত্যতাক
আমিবোৰ আছিলো ভোকাতুৰ মনৰ
সঠিক প্ৰেমিক
যৌৱনৰ সঠিক সম্ভেদ নাছিল
আমাৰ মগজুত
ঠিকনা নাছিল
কাৰো হৃদয়ৰ বাস্তৱতাৰ ৰূপ
আমিবোৰ আছিলো
জীৱন পথৰ সংগিনী
সুখ দুখৰ
স্বপ্ন বিভ্ৰাটৰ লগৰী
সেয়ে আমাৰ মাজত নাছিল
কোনো সংকোচৰ মুহূৰ্ত
আমি নাজানিছিলো
জীৱনৰ মূল উদ্দেশ্যৰ
সোণবৰণীয়া ৰূপৰ ঠিকনা।








# প্ৰজ্ঞাসা

এনিশা শৰ্মা
স্নাতক চতুৰ্থ ষান্মাসিক
শিক্ষা বিভাগ



সৃষ্টিময়ী দুচকুৰে বিচাৰি ফুৰা জীৱনৰ প্ৰজ্ঞাসা।
সৌৰভৰ চানেকীত এগছি দীপ্তি
কঁপি উঠে টিমি টিমি জ্বলি থকা সূৰ্য্যশিখা...।
হে, অক্লান্ত বন্ধু....।
তুমি পৰিশ্ৰমী হৃদয়ৰ পৰিচয়
ক্লেদময় আকাশৰ শুভ্ৰ ডাৱৰৰ আঁচল।
পাৰাপাৰহীন তোমাৰ অনুভৱে স্পৰ্শ কৰি যাই
অজস্ৰজনৰ ৰিক্ত জীৱন।
শূণ্যতাৰ সিপাৰে বৈ থাকে এখনি
নীলিম আকাশ...।
কেতিয়াবা ধূসৰিত হয়, কেতিয়াবা নিৰ্মল।
বিভীষিকাৰ শেষত কেতিয়াবা জিলিকি উঠে
এমুঠি তৰালি আৰু এটি চন্দ্ৰমাৰ স্নিগ্ধতাৰে
প্ৰান্তে প্ৰান্তে লিখা উদাত্ত ভাষাবোৰ
কেতিয়াবা হয় স্তব্ধতাৰ শেষ বিন্দু
উষ্ম তেজাল শব্দেৰে যেন লিখি যাওঁ...
সাঁচিপাতৰ সোঁৱৰণী আৰু অতীতৰ আধালেখা হাজাৰ কাহিনী
বিচাৰি ফুৰো মাথোঁ তাৰ মাজে মাজে
প্ৰজ্ঞাসাৰ হেঙুলি ৰহন, সুন্দৰ কিৰণ...।




# সাতসৰীৰ সময়

পাপৰি গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক
শিক্ষা বিভাগ

কেতিয়াবা নিজান পৰত কিছুমান খেলিমেলি
ভাৱনাবোৰে আহি
বাৰে বাৰে খুন্দা মাৰেহি
হৃদয়ৰ আচুতীয়া কোঠালিত
মনটোকো বিষাদেৰে আৱৰেহি
তেতিয়াই চাই পঠিয়াওঁ হোষ্টেলৰ খিড়িকীৰ ফাকেৰে সৌ সেউজীয়া বোৰলৈ
সেউজীয়াবোৰৰ মাজেৰে বৈ অহা
এজাক চেচা বতাহ!
শীতল কৰি থৈ যায়
মাৰ অশান্ত হৈ পৰা দেহ মনক
বতাহজাকৰ নিস্তব্ধতাত....
বিলিন কৰি দিলো ক্ষন্তেকৰ বাবে মই নিজকে
সেই নিবিড় নিৰৱতাত অকণমান মৌনতা বিচাৰি।
নিজান জোনাক ৰাতি কোনেনো বজালে বাঁহী।
সেই মতলীয়া সুৰ বতাহত আহিলে ভাঁহি
চিক্‌মিকাই উঠিল নিয়ৰৰ টুপালৰ সৈতে
সেই সেউজীয়া বোৰো
খিড়িকীখনৰ ফাকেৰে সোমাই আহিল
এচেৰেঙা সোণোৱালী পোহৰ
ক্ষন্তেক মৌনতা...

হঠাৎ বাজি উঠে সন্ধিয়াৰ চাহৰ ঘণ্টা
ছোৱালীবোৰৰ ভৰিৰ দপদপনি
পাৰ কৰিছো এনেদৰেই হোষ্টেলীয়া সময়
এটা শাসন সুলভ শান্ত আৰু মধুৰ পৰিৱেশৰ সৈতে
লাহে লাহে এই 'সাতসৰী'
একেবাৰে আপোনযেনেই হৈ পৰিছে।

মাজনিশা কেতেকী জনীয়ে বিনালে
হৃদয় মোৰ উচুপী উঠে
দুখত ভাহি আহে এটি বেজাৰ হুমুনিয়াহ
অবুজন মোৰ মনটোক বুজাবকে নোৱাৰো
বাৰে বাৰে উৰা মাৰে
মোৰ গাঁৱৰ ঘৰলৈ
মোৰ আপোন ঘৰলৈ।





# সপোনৰ পথ খেদি

ইৰাণী গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক



আজি বহু দিনেই হ'ল
সপোন নেদেখা
সপোন দেখি সপোন ৰাজ্যত
উটি ভাঁহি ফুৰা
আছে বহু কৰ্তব্য
চঞ্চল মন মোৰ
নোৱাৰো বান্ধিব
নাজানো কেতিয়া কৰিব পাৰিম
সেই কৰ্তব্যপূৰ্ণ
কিবা এটা কৰোঁ বুলি
মনটোক বান্ধো
জীৱনৰ দোমোজাত পৰি
খাঁও হাবু ডুবু।
মাজে মাজে সপোন ৰাজ্যৰ
পখিলাটি হৈ উটি যাওঁ
দূৰ দিগন্ত ভেটি
জীৱনৰ ব্যৰ্থতাক নেউচি
আৰু হওঁ যেন
সপোন ৰাজ্যৰ ৰাজকুমাৰী
সপোনৰ পম খেদি
কিন্তু বাস্তৱ জীৱন মোৰ
ৰিক্ত হৈয়ে ৰ'ল।



# এখিলা সৰাপাত

কংকনা গগৈ
স্নাতক দ্বিতীয় ষাম্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ
*(মহাবিদ্যালয় সপ্তাহত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)*

যাৰ বুকুত এদিন শিপাইছিল
কুঁহি হোৱাৰ তৃপ্তি
কোমল সেউজীয়াৰ পৰা
যি এদিন আৰম্ভ কৰিছিল জীৱন
লাহে লাহে গাঢ় সেউজীয়া হৈ...
জীৱনৰ প্ৰতিটো দিন, প্ৰতিটো ৰাতি
জাগি উঠিছিল....
ৰ'দ বৰষুণ, নিয়ৰ কুঁৱলী,
ধুলি, ধোঁৱা আৰু ক'ত যে কি?
সুখ দুখৰ বোজা বৈ
হাজাৰ জীৱনৰ একোটা সংগী হৈ
এটা পূৰ্ণ জীৱন গঢ়িবলৈ...
কিন্তু,
ক্ৰমান্বয়ে শেষ হ'ব ধৰে
জীৱনৰ মাদকতা, জীয়াই থকাৰ প্ৰয়োজনীয়তা।
প্ৰান্তত,
অশ্ৰুৰ একোটা নিজৰা বুকুত বান্ধি
সামৰিব খোজো জীৱন
এখিলা সৰাপাত হৈ....।









# সৰাপাত

সমীৰণ বৰগোহাঁই
স্নাতক ষষ্ঠ ষাম্মাসিক
অসমীয়া বিভাগ
*(মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)*

সৰাপাতৰ শব্দত
সলনি হয় সময়!
এদিন তেওঁৰো আহিছিল সেই বাটে
য'ত এতিয়া স্মৃতিৰ সৰাপাত সৰে।
সেই বাটে, যি বাটে প্ৰেম আহে
যি বাটে ভালপোৱা আহে
কলিজাত ঠাই লয়
নিঃশব্দে!
সৰাপতৰ শব্দত এতিয়া
কঁপি নুঠে মোৰ হৃদয়
এতিয়া তেওঁ নাহে....
এদিন আহিছিল আৰু গুচি গ'ল
সেই বাটে
যি বাটত এতিয়া সৰাপাত ফুলে!








# সৰাপাত

দেৱযানী গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক
ইংৰাজী বিভাগ

তুমি স্মৃতিৰ এখিলা সৰাপাত হৈ পৰিবা নেকি
ভয়েই লাগে
উজনি মুখীবাছত উঠি তুমি গুচি গ'লে
কাৰণ সময়ো নিষ্ঠুৰ হৈ অহিব পাৰে।

প্ৰকাশত অপ্ৰকাশিত মোৰ জীৱনৰ
ইতিহাসৰ পৃষ্ঠাত
নিৰৱে শুই পৰিব নেকি
এই প্ৰাণচঞ্চল বুকুৰ স্পন্দন


লিখিত অলিখিত মোৰ দিনলিপিৰ পৃষ্ঠাবোৰে
লৈ যাবনে ক্ৰমশঃ
বৰ্তমানৰ পৰা অতীতলৈ
সংগোপনে...।





# উপহাৰ

উষামণি নেওগ
স্নাতক পঞ্চম ষাণ্মাসিক



এখন আহল বহল ফুলনিৰে সৈতে এটি সৰু অথচ আটকধুনীয়া ঘৰ জোপোহাৰ মাজে মাজে সিঁহত লুকাইছে। সোণটি পুলিছ, কণমাইনা আৰু বাপু চোৰ হৈছে।

"কণমইনা, বাপু মোক কোনোবাই ধৰি থৈছে অ" বুলি সোণটিয়ে অজ্ঞাতজনলৈ এটি প্ৰচণ্ড ঘোচা সোধাল।

"আই ঐ, মাৰিলি ঐ" বুলি কণপাহীয়ে পেটতে ধৰি বহি পৰিল। সোণটিয়ে খকমককৈ সাৰ পাই মাকৰ আতাহ শুনি সপোনৰ জগতৰ পৰা ঘূৰি আহিল।

"বেছিকৈ লাগিল নেকি মা" বুলি সোণটিয়ে মাকৰ ওচৰ চাপি গ'ল।

"নাই অ" বুলি কণপাহীয়ে সোণটিক বুকুতে সোমোৱাই ল'লে। "কণমইনা আৰু বাপু পদূলিমূৰ পালেহিয়েই, তোক জগাবহে আহিছিলো" বুলি হাঁহি হাঁহি মাকে একেটা কোঠাতে আঁৰ কৰি লোৱা ৰান্ধনি ঘৰত জুইকুৰা জ্বলাবলৈ উঠিল। সোণটিয়ে মুখ হাত ধুই একমাত্ৰ তাৰ মলিয়ন চোলাটো পিন্ধি পিঠিত বস্তটো লৈ পদূলিমূৰ পালেহি। পিছফালে মাকে কিবা কৈ আছিল যদিও 'দেৰি হৈছে মা তই চিন্তা নকৰিবি' বুলি পলকতে সোণটি, কণমইনাহঁতৰ কাষ পালেগৈ। সোণটি, কণপাহীৰ হিয়াৰ আমঠু। তাইৰ একমাত্ৰ জীয়াই থকাৰ প্ৰেৰণা সোণটিয়ে দুবছৰ বয়সতেই দেউতাকক হেৰুৱাইছিল এক দুৰ্ঘটনাত। দেউতাক সেইদিনা চহৰলৈ গৈছিল। সোণটিয়ে এটি পুতলা বৰ বিচাৰি বিচাৰি দেউতাকক হামৰাও কঢ়াইছিল। সেয়ে চহৰৰ দোকানৰ পৰা এটি সৰু পুতলা আনিবলৈ দেউতাক ৰাওনা হৈছিল। বাস্তাৰ অৱস্থা তথৈবচ। চাইকেলেৰেও সোণটিৰ দেউতাকক ডেৰ ঘণ্টা সময় লাগিছিল চহৰলৈ। য'ত ত'ত ডাঙৰ ডাঙৰ গাঁত। ডাঙৰ ডাঙৰ শিলবোৰ আনি বহুত দিনৰ আগতেই ঠিকাদাৰে ৰাস্তাৰ কাষত দ'ম কৰিছিল। কিন্তু ৰাস্তাটো হৈ উঠা নাছিল। দুপৰ বেলা দেউতাকে ঘৰলৈ ঘুৰি আহোঁতে চাইকেলৰ এটা চকা গাঁতত পৰি বহু দূৰলৈ তেওঁ উফৰি পৰিছিল। এটি ডাঙৰ শিলত তেওঁৰ মূৰটো থেকেচা খাইছিল। লগে লগে মানুহজনে মৃত্যুক আকোঁৱালি লৈছিল। কণপানীৰ শিৰৰ সেন্দুৰ মোচ খালে সেইদিনাই। সোণটিয়ে



চাইকেলত বান্ধি থোৱা ভাগতে ৰৈ যোৱা পুতলা ঘৰটি কিন্তু পেলাবলৈ নিদিলে। কিয়নো দেউতাকৰ মৃত্যুৰ শোক তাৰ কণমানি অন্তৰত লগা নাছিল। বৰঞ্চ উপহাৰটি পাই সি উলাহত নাচি ফুৰিছিল। মাকক কান্দি থকাৰ বাবে বাৰে বাৰে দবিয়াইছিল। মাকে তেতিয়াই সোণটিক লৈ চহৰলৈ আহিল। চহৰৰ ৰাস্তা উন্নত, উন্নতমানৰ সা-সুবিধা চহৰত উপলব্ধ। সেয়ে কণপাহী চহৰমুখী হ'ল। ব্ৰহ্মপুত্ৰৰ পাৰতে এটি সৰু ঘৰ সাজি সোণটিৰ সৈতে থাকিবলৈ ল'লে। কণপাহীয়ে আৰ তাৰ ঘৰত কাম কৰে সোণটিয়ে.... সোণটিৰ কথা মনত পৰি কণপাহীৰ দুচকু সেমেকি গ'ল।


সোণটি এতিয়া সাত বছৰীয়া হ'ল। সোণটিৰ মৰম লগা মুখখনি ৰ'দৰ উত্তাপত দহি পুৰি গৈছে। সিঁহত পুৱাই পুৱাই বস্তাটো লৈ ওলাই যায়। ভঙা, বটল, লোহাৰ সামগ্ৰী, পুৰণা কাগজেৰে বস্তাটো পাৰে মানে ভৰাই আনি মালিক গটায়। কেতিয়াবা দুই চাৰি টকা বেছিকৈ পায়। মাকক টকাকেইটা দিওঁতে উজলি উঠা তাৰ চকুৰ পাহিকেইটাত মাকৰ প্ৰশান্তি। চৰকাৰে প্ৰাথমিক শিক্ষা সকলোৰে অধিকাৰ বুলি লগাই থোৱা পোষ্টাৰখনত কি লিখা আছে পঢ়িবলৈ সোণটিহঁতে চেষ্টা নকৰা নহয়। কিন্তু অ', আ, ক, খ ৰ কেইটা চুক আছে তাকো নজনা সোণটিহঁতৰ বাবে ই মূল্যহীন। আৱৰ্জনাৰ দ'মৰ মাজত সিঁহতৰ শৈশৱ শেষ হৈ গৈছে। পিঠিত কিতাপৰ ভাৰ লৈ পঢ়াশালী যোৱাৰ সময়ত দায়িত্বৰ বোজা ল'ব লগাত পৰিছে। মাকৰ আঁচলত সোমাই নিচুকনি গীত শুনি সপোন দেখাৰ সময়ত জীৱিকাৰ তাড়নাত পানীৰ ঘাম মাটিত পেলাব লগা হৈছে। আৰু ক'ত যে কি আৰু ক'ত যে দুখ, কষ্ট কণপাহীয়ে ভাবি ভাবি ওৰ নাপায়।

সেইদিনা আৱৰ্জনাৰ দ'ম বিচাৰি সোণটিহঁত চহৰ পালেহি। সিঁহত আচৰিত হৈছে। সাধাৰণতে সিঁহতৰ চুবুৰিত আৱৰ্জনাৰ দ'মৰ অভাৱ নাই। পৌৰনিগমৰ গাড়ী এখনে কেতিয়াবা ছেগা-চোৰোকাকৈ দ'ম কেইটা উঠাই নিয়ে যদিও আকৌ জাবৰৰ পাহাৰ বনাবলৈ বেছি সময় নালাগেই চোন। সিঁহতে ভাবি ভাবি জাবৰ খুচৰিবলৈ লাগিল। সিঁহতৰ কণ কণ মগজুত কথাযাৰ পাকঘূৰণি খাই আছে যদিও চহৰত যিহেতু আৱৰ্জনাৰ দ'মৰ আকাল নাই, সিহঁতে আজি ভাল কামাই কৰিব বুলি আনন্দিতও হ'ল।

সোণটিহঁত ঘৰ উভতি আহোঁতে আন্ধাৰ নামি আহিছিল। সোণটিয়ে আন্ধাৰতে খৰ খোজ দিছে, মাকক টকাকেইটা দিবলৈ। উত্ৰাৱল হৈ পৰিছে সি। এনেতে কাষেদি বিৰাটকাৰ গাড়ী নিচিনা কিম্ভূত কিমাকাৰ অৱয়ৱ এটা পাৰ হৈ গ'ল। সোণটিয়ে আগতে এনেকুৱা ডাঙৰ চকাৰ গাড়ী দেখিয়ে পোৱা নাই। কিছু মুহূৰ্তৰ বাবে ৰৈ যোৱা ভৰিকেইটা পুনৰ একেটা বেগেৰে চলিবলৈ লাগিল।

সোণটি থৰ হৈ ৰ'ল। সিঁহতৰ ঘৰটো থকা ঠাইখিনিত মাথো ধ্বংসৰ অৱশেষ বাকী ৰৈছে। গোটেই ঘৰ -দুৱাৰ মাটিত নিশ্চিহ্ন হৈ পৰিছে। চাৰিওফালে মুকলি আকাশ, মুকলি ধৰণী। মাকে ঘৰটো থকা এটা চুকত কুচিমুচি হৈ বহি কিবা বলকি আছে। সোণটিৰ চৌদিশ আন্ধাৰ হৈ পৰিছে। তথাপি নিজক চম্ভালি সি মাকৰ ওচৰলৈ আগবাঢ়ি গ'ল। কণপাহীৰ হাতৰ আঙুলিয়েদি নিগৰি নিগৰি তেজ ওলাইছে।

'সোণটি, আহিলি তই, সকলো শেষ হ'ল। ভাঙি পেলালে ঐ আমাৰ সৰু ঘৰটো। আমি বোলে বে-আইনীভাবে ঘৰ সাজিছো। গাৱত সা-সুবিধা নাপাই ইয়ালৈ ঢাপলি মেলিছিলো। ইয়াতো একে দশা হ'ল। তোৰ পুতলাৰ ঘৰটিও মোক উলিয়াবলৈ নিদিলে নৰপিশাচহঁতে। কথা নাই, বতৰা নাই, মুঠতে টাচপাতৰ দৰে খহাই পেলালে অ' বুলি হিয়া ঢাকুৰি কণপাহীয়ে কান্দিবলৈ ধৰিলে। সোণটিৰ বুজিবলৈ বাকী নাথাকিল যে পুতলা ঘৰটি উলিয়াবলৈ যাওঁতেই মাকে হাতত আঘাত পালে। সোণটিৰ যেন সেইদিনা, সান্ত্বনা দিবলৈও শব্দৰ অভাৱ হৈছিল। তাৰ সপোনটো, দেউতাকে উপহাৰ দিয়া পুতলা ঘৰটি বাস্তৱত নিৰ্মাণ কৰাৰ সপোনটো। সকলো এতিয়া চোন তাৰ মূৰৰ ওপৰত সেই চালিখনো নাই। সি আকাশলৈ চাই পঠিয়ালে। এই বিশাল আকাশৰ তলতেই সি সপোনৰ ঘৰটি নিশ্চয় সাজিব, নিশ্চয় মাকৰ চকুৰ পানী সি নাইকিয়া কৰিব। আজি ধূসৰ ডাৱৰে তালৈ চাই অট্টহাস্য কৰিছে। এদিন এনে এক প্ৰভাত আহিব, যিয়ে সিঁহতলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব। সোণটি ঠাইতে বহি পৰিল। লাহে লাহে পুবে ধলফাট দিছে। চৰাইৰ কিচিৰমিচিৰ শব্দই এটি নতুন পুৱাৰ বতৰা দিছে।





# বিশ্বাসঘাতকতা

ইৰাণী গগৈ
স্নাতক দ্বিতীয় ষান্মাসিক



'হেল্প' মনত আছে নহয়? কালিলৈ সন্ধিয়া টকাখিনি লৈ আহিবলৈ নাপাহৰিবা এহাতে টকা দিবা এহাতে ছোৱালীজনী ল'বা।

বৰষাই কোঠাটোৰ কাষেৰে পাৰ হৈ যাওঁতে কথাষাৰ শুনি হঠাৎ থমকি ৰ'ল। তাইৰ ভাৱ হ'ল খুড়াকে যেন কিবা বেয়া কামত হাত দিছে। তেওঁ কোন ছোৱালীৰ কথা কৈছে। বৰষাই পুনৰ দুৱাৰখনত কাণখন গুজি দিলে কিবা শুনি পাওঁ বুলি। কোঠাটোৰ পৰা আকৌ শুনিবলৈ পালে—

'গাঁৱৰ ছোৱালী, চহৰৰ আদব কাইদা বৰকৈ নাজানে। তাইক মোৰ ৰিক্সাত আনিছো। পাছত মই ফচিব নালাগিব।'

এইবাৰ তাইৰ আৰু বুজিবলৈ বাকী নাথাকিল। সেই ছোৱালীজনী আন কোনো নহয় তাই নিজেই। খুড়াই বাৰু সঁচাই মোৰ লগত এনে কৰিব পাৰিবনে? নিজৰ স্বাৰ্থ পূৰণৰ বাবে মানুহে সঁচাই মানৱতা পাহৰি যায়। পাহৰি যায় কাৰোবাক দিয়া প্ৰতিশ্ৰুতি।

দৌৰি গৈ বিচনাত পৰি তাই হুক হুকাই কান্দিবলৈ ধৰিলে। তাইৰ মনৰ আকাশত ক'লা ডাৱৰে বেৰি ধৰিলে। আন্ধাৰে সন্মুখৰ বাট ভেটি ধৰিলে। তাই কি কৰিব ক'লৈ যাব ভাবি নোপোৱা হ'ল। এনেতে তাইৰ ঘৰলৈ মনত পৰিল। তিনিমাহৰ আগত যেতিয়া তাই খুড়াকৰ লগত চহৰলৈ অহাৰ প্ৰস্তুতি চলাইছিল।

'ককাইদেউ, বৰষাই মেট্ৰিকটো ভালদৰে পাছ কৰিলে।



পিছে পাছৰখিনি কি কৰিম বুলি ভাবিছা?' ঠিকেই মোৰ বৰষাৰ ওপৰত আগৰ পৰাই বিশ্বাস আছিল। তাই গাঁওখনত আমাৰ মান ৰাখিব আৰু সেয়াই কৰিলে। বিমল, তুমিতো জানাই শাক-পাত বিক্ৰী কৰি যি দুই এটকা পাঁও, তাৰে ঘৰখন কোনো মতে চলে, আধি খেতি নকৰিলে বছৰটো খাবলৈও নোজোৰে। এতিয়া তাই ছাইন্সত পঢ়াৰ কথা কৈছে। আমাৰ ইয়াততো নাইয়েই টাউনত পঢ়িব লাগিব। অহা-যোৱা কৰিবলৈ গাড়ীৰো যিমানহে অসুবিধা। এমাইলমান খোজ কাঢ়ি গৈহে গাড়ীত উঠিব লাগে। বাৰিষা এই বাটছোৱাৰ মাজে মাজে বোকাই একাঠু হয়। কি কৰো উপায়েই পোৱা নাই। আমাৰ দৰে মানুহৰ ল'ৰাই ভালদৰে পাছ কৰিলেও চিন্তাহে হয়।'

'ককাইদেউ তুমি ইমান চিন্তা কৰিব নালাগে। আমিবোৰ আছো নহয়। তাই আমাৰ লগতে থাকিব পাৰিব। আমি তিনিটাহে মানুহ। জুলীকো প্ৰথম স্কুলত নাম লগাই দিছো। বৰষাই পঢ়াৰ 'ক্ষেত্ৰতো সিমান অসুবিধা নাপাব। খুড়ীয়েকে এই যোৱাৰ কথা শুনিলে ভালহে পাব।'

*তেওঁলোকৰ কথাত স্পষ্টৰূপে প্ৰকাশ পাইছিল খুড়াৰ প্ৰতি থকা বিশ্বাস। সেইদিনাৰে পৰা দেউতাই মোক প্ৰতিটো কথাতে বুজনি দিয়া আৰম্ভ কৰিলে। মইয়ো এক আশাৰ বাট দেখিলো। মনত এশ এটা প্ৰশ্নই পাতনি মেলিলে। মই টাউনলৈ যোৱা দিনলৈকে গাঁৱৰ প্ৰতিজনৰ মুখে মুখে বিভিন্ন কথা। আনকি মোৰ লগৰ কেইজনীও এই ক্ষেত্ৰ বাট পৰি যোৱা নাছিল। মোৰ এই সফলতা তেওঁলোকে যেন ভাল পোৱা নাছিল। আনে কি ক'লেও তেওঁলোকৰ কথাৰ পৰা কোনোমতে আঁতৰি অহাৰ চেষ্টা কৰিছিলো।*

'তথাপি'

'বৰষা তোমালোকৰ ছোৱালী যেতিয়া আমাৰো ছোৱালী। আমিবোৰে এনেবোৰ বিপদত সহায় নকৰি কেতিয়া কৰিম। কিছুমান ধনী ঘৰৰ ল'ৰাই সুবিধা পাইয়ো ভালদৰে পাছ কৰিব নোৱাৰে। তাই এনেদৰে পাছ কৰাতো গৌৰৱৰহে কথা। তাইকে কষ্ট কৰি হ'লেও পঢ়াই ভাল কাম এটাত মুৰ গুজিব পৰা কৰিব লাগিব। তাইয়ে তোমালোকৰ ভৱিষ্যৎ।'

'খুড়া চাহ খাব'


'তুমি চাহেই আনিলা নেকি, মই যাওঁ বুলি লৈছিলোৱেই। বৰষা, তুমি টাউনলৈ যাবলৈ সাজু হোৱা। ককাইদেউৰ লগত কথাটো পাতিলোৱেই।'

'হ'ব বাৰু।'

'ককাইদেউ, নবৌ যাওঁ। ভন্টি, বৰষাক কৈ দিবা অহা সপ্তাহত তাইক লৈ যামহি।'

বিমল খুড়া যোৱাৰ পাছত মায়ে কৈছিল— 'বিমল মানুহটো বৰ ভাল দেই। ইহঁতৰ নিজৰ খুড়াক হোৱা হ'লেও ইমান সহায় নকৰিলেহেঁতেন।'

'ভাল বাবেইতো এজনী গাভৰু ছোৱালীৰ দায়িত্ব





ল'বলৈ কথা দিছে। বৰষা, তুমি সিঁহতে বেয়া পোৱা কাম নকৰিবি। খুড়ায়েৰে যি কয় শুনিবি। ভন্টিৰ লগত লগাৰ দৰে জুলীৰ লগতো লাগি নাথাকিবি।'

তেওঁলোকৰ কথাত স্পষ্টৰূপে প্ৰকাশ পাইছিল খুড়াৰ প্ৰতি থকা বিশ্বাস। সেইদিনাৰে পৰা দেউতাই মোক প্ৰতিটো কথাতে বুজনি দিয়া আৰম্ভ কৰিলে। মইয়ো এক আশাৰ বাট দেখিলো। মনত এশ এটা প্ৰশ্নই পাতনি মেলিলে। মই টাউনলৈ যোৱা দিনলৈকে গাঁৱৰ প্ৰতিজনৰ মুখে মুখে বিভিন্ন কথা। আনকি মোৰ লগৰ কেইজনীও এই ক্ষেত্ৰ বাট পৰি যোৱা নাছিল। মোৰ এই সফলতা তেওঁলোকে যেন ভাল পোৱা নাছিল। আনে কি ক'লেও তেওঁলোকৰ কথাৰ পৰা কোনোমতে আঁতৰি অহাৰ চেষ্টা কৰিছিলো।

সপ্তাহটো বৰ সোনকালে পাৰ হৈ যোৱা যেন লাগিল। মই টাউনলৈ অহা সেই দিনটোত পুৱাৰে পৰা ঘৰখনত এক উগুল থুগুল পৰিৱেশ। ঘৰখনৰ প্ৰতিজনে মোৰ লগতেই ব্যস্ত। মায়ে মোনাটোত শাক-পাচলি ভৰাই দিছে, ভন্টিয়ে আমলখি, বগৰী ভৰাই দিছে। দেউতাই টকা কেইটামান বিচাৰি গৈছে।

নিৰ্দিষ্ট সময়ত খুড়াৰ লগত আহোঁতে ঘৰখনত এক শোকাকুল পৰিৱেশ বিৰাজ কৰিলে। পুৱাৰ পৰা জকমকাই ফুলি থকা ফুল কেইপাহ হঠাৎ যেন মৰহি গ'ল। মায়ে এষাৰেই মাত্ৰ কথা ক'লে— 'বৰষা যোৱা।'

মাৰ আৰু কথা কোৱাৰ সাধ্য নহ'ল। মাৰ দুগালেৰে চকুলো বৈ আহিল। এগৰাকী মাতৃয়েহে জানে তেওঁৰ সন্তানৰ পৰা বিচ্ছিন্ন হোৱাৰ বেদনা। মাৰ এই অৱস্থা দেখি মোৰো হৃদয়ত শোকে খুন্দা মাৰি ধৰিলে। বহু ধৈৰ্য ধৰি মই মাক সান্ত্বনা দিলো—'মা নাকান্দিবা, কিয় কান্দিছা, কেইদিন মানৰ বাবেহে যাওঁ। আকৌ ঘুৰি আহিম।'

হঠাৎ খুড়া খুড়ীৰ মাত শুনি বাস্তৱলৈ ঘুৰি আহিলো। চকুৰ পানী মোহাৰি মোহাৰি ভাবিলো সেইদিনা সঁচাকৈয়ে ঘৰখনৰ পৰা চিৰদিনৰ বাবে বিদায় দিছিল।

তাইৰ পুনৰ মনত পৰিল। কিছু দিনৰ আগতে খুড়া আৰু খুড়ীয়েকৰ মাজত হোৱা কাজিয়াখনলৈ—'হেৰা কি ভাবিছা? লোকৰ ছোৱালীৰ কথা ভাবোতে নিজৰ ছোৱালীজনীৰ কথা পাহৰিলা নেকি?'

'ৰবাহে, মনে মনে থাকা তাই শুনিব।'

'শুনিবলৈ দিয়া হে। আমি তাইৰ ধাৰ খাই থকা নাই নহয়। জুলীৰ স্কুলৰ ফিচ্ দিব লাগে। ঘৰৰ ভাড়াও দিব লাগে। ঘৰৰ মালিক বাৰে বাৰে আহিছে।

'মইনো কি কৰিব পাৰো। দুমাহ ধৰি দৰমহা পোৱা নাই লগৰ আটাইকেইটাৰ পৰা টকা বিচাৰিলো, কিন্তু আগতে দিয়া আছে বুলি কৈ আৰু নিদিয়ে।

'এই ছোৱালীজনীক কিবা কৰি পঠিওৱাৰ ব্যৱস্থা কৰা।'

'তুমি বাৰে বাৰে বৰষাক মাজলৈ নানিবা চোন।'

'কিয় নানিম! এজনী ছোৱালীক মিছাতে শুই বহি খুৱাব নোৱাৰো নহয়। পাছত চাকৰি পালে ঘুৰিয়েই নাচাব।'


'পাছত ঘুৰি চাই নাচাই পাছৰ কথা। তাইৰ দেউতাকক মই মোৰ ককাইদেউ হিচাপে মানোষ তেওঁলোকৰ ঘৰৰ অৱস্থাৰ কথা চিন্তা কৰিয়েই ইয়াত থৈছো।'

'বাদ দিয়া হে তোমাৰ ককাইদেউ। আমি এতিয়া যি দুৰৱস্থাত আছো আমিহে জানো।'

এনেদৰেই এই কেইদিন সদায় খুড়া-খুড়ীৰ মাজত কাজিয়া। খুড়ীয়ে যিকোনো কথাতে মোক সাঙুৰি লয়। খুড়াই মোৰ পক্ষে মাত দিলেই খুড়ীৰ খং উঠে। আৰু কাজিয়াৰ সৃষ্টি হয়। আচলতে খুড়ীয়ে মই ইয়ালৈ অহাটো ভাল পোৱা নাছিল। আগৰ সেই খুড়াক আৰু এতিয়াৰ খুড়াকৰ মাজত ইমান পাৰ্থক্য। মানুহক বুজি পোৱাটো সঁচাই সহজ নহয়। এই কথা তাই ভালদৰে উপলব্ধি কৰিলে।

কিন্তু তাই এতিয়া কি কৰিব তাকেহে ভাবি নোপোৱা হ'ল। হঠাৎ তাইৰ মনত খেলালে তাই যেন আজি ৰাতিয়েই ক'ৰবালৈ পলাই যাব। ততাতৈয়াকৈ তাই সন্মুখত যি পালে বেগত ভৰাই লৈ মাটিৰ টেকেলিটোত সাঁচি থোৱা খুচুৰা পইচা কেইটা ভৰাই ল'লে। খুড়াক খুড়ীয়েক শোৱাৰ উমান লৈ ৰাতিয়েই তাই ওলাই আহিল ৰাজআলিলৈ। তেতিয়ালৈকে বহুত ৰাতি হৈছিল। তাইৰ সন্মুখত নাই কোনো গন্তব্য স্থান। তাই মাথো গৈ আছে মৌনতা অৱলম্বন কৰি। সেই সময়ত ৰাজআলিত এখনৰ পাছত এখনকৈ গৈ থকা ট্ৰাক কেইখনৰ বাহিৰে কোনো নাই। পিছদিনা বাতৰি কাকতত প্ৰকাশ পালে।

'যোৱা ৰাতি ট্ৰাকৰ খুন্দাত এগৰাকী যুৱতীৰ মৃত্যু।'







# সোঁৱৰণী

অশ্বিনী গগৈ
স্নাতক চতুৰ্থ ষান্মাসিক
শিক্ষা বিভাগ

ছাত্ৰী নিবাসটোৰ লগত বৰ নিবিড়ভাৱে জড়িত হৈ পৰিছিল মৃদুলা, ইয়াৰ প্ৰতিটো কোঠা, প্ৰতিখন দুৱাৰ, প্ৰতিখন দেৱাল তাইৰ চিনাকী, তাইৰ কিশোৰী জীৱনৰ তিতা-মিঠা বহু অভিজ্ঞতাৰ চিৰন্তন সাক্ষী... এই ছাত্ৰী নিবাস। মৃদুলাই দীঘল কৰিড'ৰটোৱে আহি একেবাৰে চৌপাশ পালেহি। হোষ্টেলৰ আগফালৰ ফুলনিখনৰ গোলাপ, অশোক, অপৰাজিতাই তাইক সম্ভাষণ জনালে। চাৰিওফালে বিয়পি পৰিছে এজাক সুবাসে ভৰা মলয়া। আকাশৰ ৰান্ধনী বেলিৰ আভায়ে আৰু মোহনীয় কৰি তুলিছে ধীৰে ধীৰে আবেলি গুচি গধুলিলৈ আগবঢ়া ধৰণীখন। জুনিয়ৰ ছোৱালীবিলাকে সভাৰ কামৰ বাবে ব্যস্ত বঢ়াই দিছে। আজি মৃদুলাহঁতক কেন্দ্ৰ কৰিয়েই হোষ্টেলত ব্যস্ততা,আজি সিঁহতৰ 'ফেয়াৰ ওৱেলচ বিদায় সভা। সাদিন আগতে হোষ্টেলৰ পৰা পোৱা চিঠিখনে তাইৰ মন ভাৰাক্ৰান্ত কৰি তুলিছিল। তাৰ মানে আজি সিহঁতৰ শেষ দিন ইয়াত নিজস্বভাৱে থকাৰ। কাইলৈৰ পৰা ইয়াত তাহাঁতৰ কোনো নিজস্বতা নাথাকিব। মৰমৰ এই ছাত্ৰী নিবাসটো হৈ পৰিব






জীৱন যাত্ৰাত পাই যোৱা একমাত্ৰ সাৰথি স্বৰূপেহে। তাইৰ এধাৰী চকুলৈ চকুপানী নিগৰি আহিল এই কথা ভাবি। পাবনে কাইলৈৰ পৰা জাক জাক পক্ষীৰ গুণ গুণনি, সেই ধেমালিাবোৰ, উফৰি পৰা এমোকোৰা নিঃস্বাৰ্থ হাঁহি, মৰমৰ আৱদাৰ...?? কিমান দিননো হৈছিল ইয়ালৈ অহা, সিঁহতৰ, সময়বোৰ কেনেদৰে আগবাঢ়িল তাই দেখোন গমেই নাপালে, তাইৰটো প্ৰথম দিনাৰ প্ৰথম অভিজ্ঞতাৰ কথাই মনত আছে...। সঁচাকৈ স্মৃতি আৰু অতীত এটা এৰাব নোৱাৰা লগৰী প্ৰতিজন মানুহৰ বাবে। কেতিয়াও ভবা নাছিল তাই কোনোবা আৱাসীক এলেকাত থাকি জীৱনৰ মথাউৰি বান্ধিব। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তাইক মাক-দেউতাক, ঘৰখনে সোণাৰি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত নামভৰ্তি কৰি, সকলোফালৰ পৰা সুবিধা হোৱাকৈ মহাবিদ্যালয়ৰ সাতসৰি ছাত্ৰী নিবাসত থোৱাৰ সিদ্ধান্ত কৰিছিল। তাই কোনোপধ্যেই মান্তি নহয়... বাৰে বাৰে কৈছিল মই নাযাওঁ তালৈ, ঘৰৰ পৰাই অহা যোৱা কৰিম, কান্দিছিল, জানো নহয় হোষ্টেলত কেনেকুৱা কিবোৰ হয়। মা তুমিয়েই দেখোন

> *যৌথ পৰিয়ালৰ দৰে ডাঙৰ জীয়ৰী তাই, সকলোৰে মৰমৰ আৱেষ্টনী ফালি কোনোমতেহে এটা বিশ্বাস বান্ধি আহিছিল তাই ইয়ালৈ। তাইক হোষ্টেলত থ'বলৈ ঘৰৰ সকলো আহিছিল, যাবৰ পৰত মাকক ধৰি তাই ফেকুঁৰি উঠিছিল, মাকে মৰম কৰি কৈছিল, 'মৃদু মোৰ সোণজনি, ভালকৈ থাকিবা, দেউতা প্ৰতি দেওবাৰে আহি থাকিব নহয়, কিবা দৰকাৰ হ'লে চুপাৰ ছাৰৰ পৰা ফ'ন কৰিবা, কিবা এটা পাবলৈ কিবা অলপটো ত্যাগ কৰিবই লাগিব। মন মাৰি নাথাকিবা।' মাক-দেউতাকহঁতক বিদায় দি তাই নিজকে বৰ নিসংগ অনুভৱ কৰিছিল। মাক-দেউতাকক এৰি থৈ অহা বেদনাই কোঙা কৰি পেলোৱাৰ পিছতো তাই হাঁহিবলৈ শিকিছিল লগৰ মণিকা, পলাশী, ৰশ্মিহঁতক পাই, কোনোদিন বায়েকৰ মৰম নোপোৱা ডাঙৰ বায়েকহঁতক পাই। সেইদিনা প্ৰাৰ্থনা সভাৰ স্মৃতিয়ে আজিও তাইক হহুঁৱাই। পিছে সেইদিনা তাইৰ খংহে উঠিছিল।*

নাহৰৰ নিৰিবিলি ছাঁ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নন্দিনী আনি পঢ়িব দিছিলা,তাত পঢ়িছোটো হোষ্টেলবোৰ ছাগে তেনেকুৱাই। আইতাকে তেতিয়া ধেমালিতে কৈছিল 'ইস নাযাওঁ বুলিলেই হ'বনে, ছোৱালী মানুহ লোকৰ ঘৰলৈও দেখোন যাব লাগিব। এতিয়া কি সৰু ছোৱালীহৈ আছানে, সেইবোৰ কাহিনীহে, যাবা যাবা কিয় নাযাবা তাত থাকি পঢ়িলেহে ডাঙৰ মানুহ হ'ব, মা-দেউতা দেখোন গৈয়ে থাকিব, তুমিও মাজে সময়ে আহি থাকিবা, নাপায় নহয় মাজনী, তুমি ভালদৰে পঢ়িলেহে ভাইটিয়ে ভালকৈ পঢ়িব, ৰিণিহঁতে পঢ়িব।' অৱশেষত সকলোৰে সান্তনা বাণী আশিস শিৰত লৈ উপস্থিত হৈছিলহি এই ছাত্ৰী নিবাসটিত। যৌথ পৰিয়ালৰ দৰে ডাঙৰ জীয়ৰী তাই, সকলোৰে মৰমৰ আৱেষ্টনী ফালি কোনোমতেহে এটা বিশ্বাস বান্ধি আহিছিল তাই ইয়ালৈ। তাইক হোষ্টেলত থ'বলৈ ঘৰৰ সকলো আহিছিল, যাবৰ পৰত মাকক ধৰি তাই ফেকুঁৰি উঠিছিল, মাকে মৰম কৰি কৈছিল, 'মৃদু মোৰ সোণজনি, ভালকৈ



থাকিবা, দেউতা প্ৰতি দেওবাৰে আহি থাকিব নহয়, কিবা দৰকাৰ হ'লে চুপাৰ ছাৰৰ পৰা ফ'ন কৰিবা, কিবা এটা পাবলৈ কিবা অলপটো ত্যাগ কৰিবই লাগিব। মন মাৰি নাথাকিবা।' মাক-দেউতাকহঁতক বিদায় দি তাই নিজকে বৰ নিসংগ অনুভৱ কৰিছিল। মাক-দেউতাকক এৰি থৈ অহা বেদনাই কোঙা কৰি পেলোৱাৰ পিছতো তাই হাঁহিবলৈ শিকিছিল লগৰ মণিকা, পলাশী, ৰশ্মিহঁতক পাই, কোনোদিন বায়েকৰ মৰম নোপোৱা ডাঙৰ বায়েকহঁতক পাই। সেইদিনা প্ৰাৰ্থনা সভাৰ স্মৃতিয়ে আজিও তাইক হহুঁৱাই। পিছে সেইদিনা তাইৰ খংহে উঠিছিল। ইস নতুন বিলাকক কিবা কিবি কৰিবলৈ দি সিঁহতৰ স্ফুৰ্তি কি চাবা যেন সোনত সুৱগাহে চৰিল। সেইয়ে কৌতুক মিহলি কথাৰে লিখা বাতৰিখন পুবালীক পঢ়িবলৈ দিছিল, পঢ়ি যাওঁতে তাইৰ হাঁহি উঠোতে চিনিয়ৰ বা এজনীয়ে বাতৰি পঢ়োতে কাৰোবাক হঁহা দেখিছানেকি, গহীন কৈ পঢ়া বুলি কৈ তেওঁলোকে নিজে হাঁহিছিল, পলাশীক ৰেম্পত খোজ কাঢ়িব দিছিল, আৰু তাইক জয়মতীৰ অভিনয়... আৰু সিঁহতৰ লগৰ নতুন সকলোৱে কিবা কিবি কৰিছিল কোনোবাই যদি গান গাইছিল, কোনোৱে নৃত্য দিছিল, আবৃত্তি কৰিছিল। কি যে বিৰক্তিকৰ আছিল সেই দিনবোৰ। এতিয়া ভাবিলে তাইৰ হাঁহি উঠে। বহু দেৰিকৈ বুজিলে সেইখন এখন প্ৰতিভা বিকাশৰ মঞ্চ, চিনিয়ৰ বিলাকে জুনিয়ৰ বিলাকৰ প্ৰতিভাসমূহ তেনেদৰেই বিকশায়। এনেকৈ সময় আগবাঢ়িছিল, দিনবোৰ অতীত হৈছিল, সকলো বিলাক আপোন বাই ভনীৰ দৰেই হৈ পৰিছিল। কালক্ৰমত.. হৈ পৰিছিল এই ছাত্ৰী নিবাসটো জীৱনৰ এৰাব নোৱাৰা অভিন্ন অংগ, এটা দুটাকৈ সম্পূৰ্ণ পাঁচোটা বছৰ, ইয়াৰ পাছত হয়তো নাপাব এনে এটা সুন্দৰ জীৱন। জাক জাক নৱাগতা আহিল, পুৰণি হ'ল, এনেকৈ চলি থাকিব ইয়াত, সঁচাই হোষ্টেলীয়া জীৱনৰ অবিহনে কলেজীয়া শিক্ষা অসমাপ্ত আজি উপলব্ধি কৰে সেই কথা ইয়ালৈ নহা হ'লে বহুখিনি কথা, অভিজ্ঞতা ল'বলৈ থাকি গ'লহেঁতেন তাইৰ, আজি সিঁহতৰ বিদায়ৰ দিন, বিদায় মানেই এটা নতুন দিনৰ আৰম্ভণি, নৱ প্ৰতিশ্ৰুতি, নতুন আশা। সিঁহতৰ জীৱনৰ এটা নৱবৰ্ষ নতুন আঁচনিৰে কাইলৈৰ পৰা আৰম্ভ হ'ব। বহুত কষ্ট হৈছে আজি তাইৰ... হয়টো তাইৰ লগৰ বিলাকৰো একেই অৱস্থা। কিয় এৰি থৈ যাব লগা হয় নাৰীয়ে অন্য এজন পুৰুষৰ পত্নী হৈ, অন্য এখন অনা আপোন ঘৰলৈ যাব লাগে। এতিয়া তাইক ছাত্ৰ নিবাসটো এৰি যোৱাৰ বেদনাই পীড়িত কৰিছে... এৰা আৰু কেইমাহ মানৰ পাছত তাইটো তাইজনীও হৈ নাথাকিব... নাথাকিব নিজা বুলিবলৈ অৱশিষ্ট, আকৌ এক নৱ আশংকাই তাইৰ মন ভাৰাক্ৰান্ত কৰি তুলিলে, তাই ঘৰখনৰ ডাঙৰ ছোৱালী আইতাকে বৰপুত্ৰৰ বৰ নাতিনীয়েকৰ বিয়াখন জীৱিত অৱস্থাত চাব বিচাৰে, আৰু ঘৰৰ মানুহে ঠিক কৰা এজনৰ লগত তাইৰ বিয়া ঠিক হৈ গ'ল। ঘৰখনৰ ইচ্ছাক তাই কোনোদিনেই না কৰা নাই। সেয়েহে ঈশ্বৰৰ ইচ্ছা বুলি ভাবিয়েই তাইও প্ৰস্তাৱটো মানি লৈছিল। বাওঁহাতৰ অনামিকা আঙুলিত পিন্ধাই থোৱা সোণৰ আঙুঠিটোৱে সেই কথা ঘোষণা কৰিলে, সোঁহাতে লিকিৰি বিদাৰি চুই চালে তাই আঙুঠিটো, তাইৰ বিয়া....। পাবনে বাৰু বিয়াৰ পাছত এনে দিন, সেই ভাবি পতিজনে তাইক কিমান উৎসাহ, সন্মান দিব, সেই নতুন ঘৰখনে তাইক বাৰু আদৰি ল'বনে, হোষ্টেললৈ অহাৰ আগতে তাই যিমানে ভয় খাই নিজেক অনুশোচনা কৰিছিল এতিয়া দেখোন আৰু শংকা বাঢ়িছে, শিহৰিত হৈ উঠিছে নতুন জীৱনটোৰ কথা ভাবি।

পাছফালৰ পৰা তাইৰ পুৰণি ৰূমমেট ভনীয়েক কল্যানীয়ে 'বা আহক ছাৰহঁত আহিল, সকলোবোৰ সভাগৃলৈ আহিল' বুলি কোৱাতহে তাইৰ চিন্তাত যতি পৰিল, অতীতৰ কোলাত আৰু নৱ দিনৰ আশংকাতবাৰুকৈ সোমাই পৰিছিল, কল্যানীলৈ চাই হাঁহি মাৰি ক'লে, গৈছো ৰ'বা, সন্ধিয়াটো আমেজ লৈছো, আৰু হোষ্টেলটোও ভালকৈ চাই লৈছো।' কল্যানীয়ে তাইক 'হয়নেকি, ঠিক আছে' বুলি শলাগি গুচি গ'ল। তাইৰ পাছে পাছে মৃদুলাও লাহে লাহে খোজ দিলে, হ'ব তাইৰ আহিব লগা নতুন জীৱনটোও তাই আনন্দৰে আমন্ত্ৰণ জনাব, এই ছাত্ৰীনিবাসটোত তাই থাকিব পৰা একমাত্ৰ কথাটোৱে হৈছে বিশ্বাস... গতিকে বিশ্বাসেই সকলো... খৰ খোজেৰে মৃদুলা সভাগৃহলৈ আগবাঢ়ি গ'ল, জুবিনৰ কণ্ঠত নাতি দূৰৰৈ পাৰ ভাঁহি আহিল, 'ধীৰে ধীৰে হেৰাই যায় আবেলিৰ ৰ'দালি চাব খুজিও নেদেখো মই ক'তে বা আছা অ', লগৰ তুমি...।।








# বেদনাহত এপাহ শেৱালী

পিংকী গগৈ
স্নাতক তৃতীয় ষান্মাসিক

পৰহি মোৰ পৰীক্ষা শেষ হৈছেহে তোমালোকে আজিয়েই মোৰ বিয়াৰ কথা উলিয়ালেই মই কৈছে— নহয় এইবছৰ বিয়াত নবহোঁ আৰু যদিও বিয়াত বহোঁ তেন্তে এটা চুক্তিত সেয়া হ'ল মোৰ পচন্দৰ মতে। মোৰ হ'বলগীয়া দৰা ইতিমধ্যে ঠিক কৰিয়েই থৈছো। মুখৰ পৰা লানি নিচিগাকৈ কথাকেইটা মাকক কৈ নিহাৰিকাই বেডৰূমলৈ সোমাই গ'ল।

পাহী শইকীয়া অৰূপ শইকীয়াৰ একমাত্ৰ কন্যা সন্তান। তাই এইবাৰ স্নাতক পৰীক্ষা দিছে গড়গাঁও কলেজৰ পৰা, তাইৰ আশা ফাষ্ট ক্লাছ লৈ জীৱনত ভাল কিবা এটা কৰা। সৰুৰে পৰা তাই পঢ়া শুনাত ভাল। পঢ়াৰ লগতে ঘৰুৱা কাম বন গীত আদিত ৰাপ আছে তাইৰ। ঘৰখনৰ চাৰিজনীয়া পৰিয়ালটোত মাক-দেউাক আৰু ভায়েকৰ স'তে অতি মৰমৰ পৰিয়াল। সেইবাবে আজি তাই স্নাতক বৰ্ষৰ ছাত্ৰী। আৰু সেইবাবে তাইৰ মুখৰ কথাত অভিমান সদায়ে থাকে।

আজি তাইক চাবলৈ বুলি যোৰহাটৰ পৰা ল'ৰা এজন আহিছে। অৱশ্যে ল'ৰাজনে তাইৰ লগত কেতিয়াবা ম'বাইলযোগে খা-খবৰ লৈ থাকে। তাইৰ সম্বন্ধীয় বায়েকৰ পৰা নম্বৰটো লৈছিল আৰু ল'ৰাটোৱে সেইদিনা পাহীহঁতৰ




*মাক-দেউতাকৰ বৰ আশা ভিনিয়েকে দেখুওৱা ল'ৰা প্ৰীতমৰ লগত বিয়াখন পাতি দিয়াটো। ল'ৰাও চাকৰিয়াল, মাতে কথায়ে, আচাৰ-ব্যৱহাৰ পাতিও ভাল। ইফালে ল'ৰাৰ ঘৰত মাকে ল'ৰাক বিয়াৰ কথা কৈছে। প্ৰীতমেও ঘৰত পাহীৰ কথা কৈ থৈছে। মাকৰ বৰ হেঁপাহ ল'ৰাৰ বিয়াখন চাই যাবলৈ। পাহীক তেওঁলোকৰ ঘৰলৈ বোৱাৰী কৰি আনিবলৈ। প্ৰীতমৰ বৰ আশা আছে। কিন্তু পাহী এই বিষয়ত মান্তি নোহোৱাত মাক-দেউতাকৰ মনটো ভাৰাক্ৰান্ত হৈ পৰিল। প্ৰীতমক কি কৈ পঠাব। আমাৰ কাৰণে ভিনিয়েকেই লাজ পাবলগীয়া হ'ব বৰ বিপদ হ'ব ইত্যাদি নানা কথাই মাকৰ মনটোতে তোলপাৰ লগালে।*

ঘৰলৈ যাওঁতে তাইৰ সম্বন্ধীয় ভিনিয়েকক লৈ গৈছিল। তাইক যে চাবলৈ গৈছিল সেইকথা পাহীয়ে গমেই পোৱা নাছিল। মাকে লাহেকৈ কথাষাৰ উলিওৱাত তাই বৰ আচৰিত হ'ল। মাকে মৰম লগাইছেহে লগাইছে ক্ৰমাৎ পাহীৰ খং বাঢ়িব ধৰিছে। ভিনিয়েকহঁতৰ পৰাই যে প্ৰস্তাৱটো আহিছে ইতিমধ্যে মাকে তাইক জনাইছে। (ল'ৰাজন অৱশ্যে তাইৰ অপচন্দ নহয়। ম'বাইলত কেতিয়াবা কথা পাতে)। তথাপি তাই তেওঁক বিয়া কৰাব নোৱাৰে। কাৰণ তাই ইতিমধ্যে শিৱসাগৰৰে এজনক দৰা হিচাপে ঠিক কৰি থৈছে। তাই মাকক এই কথাষাৰ ক'লে যে তাই ৰিদিপৰ বাদে আনৰ লগত বিয়া নহওঁ, প্ৰয়োজন হ'লে তাৰ লগত গুচিও যাব পাৰে আৰু ৰিদিপো সাজু আছে বুলি ক'লে। পাহীৰ মুখৰ পৰা এনে আশ্চৰ্যজনক কথা শুনি মাকে একো ক'ব নোৱাৰিলে, মাত্ৰ ডাঙৰকৈ 'মাজনী' বুলি চিঞৰি উঠিল।

মাক-দেউতাকৰ বৰ আশা ভিনিয়েকে দেখুওৱা ল'ৰা প্ৰীতমৰ লগত বিয়াখন পাতি দিয়াটো। ল'ৰাও চাকৰিয়াল, মাতে কথায়ে, আচাৰ-ব্যৱহাৰ পাতিও ভাল। ইফালে ল'ৰাৰ ঘৰত মাকে ল'ৰাক বিয়াৰ কথা কৈছে। প্ৰীতমেও ঘৰত পাহীৰ কথা কৈ থৈছে। মাকৰ বৰ হেঁপাহ ল'ৰাৰ বিয়াখন চাই যাবলৈ। পাহীক তেওঁলোকৰ ঘৰলৈ বোৱাৰী কৰি আনিবলৈ। প্ৰীতমৰ বৰ আশা আছে। কিন্তু পাহী এই বিষয়ত মান্তি নোহোৱাত মাক-দেউতাকৰ মনটো ভাৰাক্ৰান্ত হৈ পৰিল। প্ৰীতমক কি কৈ পঠাব। আমাৰ কাৰণে ভিনিয়েকেই লাজ পাবলগীয়া হ'ব বৰ বিপদ হ'ব ইত্যাদি নানা কথাই মাকৰ মনটোতে তোলপাৰ লগালে। তথাপিতো মাকে তাইক আকৌ এবাৰ ক'লে— তই ঠিক কৰা ল'ৰাটোৰ লগত সুখী হ'ব পাৰিবি জানো। মনৰ সুখেই আচল সুখ কথাষাৰ ভালদৰে মনত ৰাখিবি। সেই যে প্ৰীতম সি তোমালেই বাট চাই আছে, তোমাক তেওঁলোকৰ বোৱাৰী কৰিবলৈ বৰ আশা কৰিছে কথাবোৰ অলপ ভালদৰে ভাবি চাবা। মাকে পাহীক ইমানবোৰ কথা বুজোৱাৰ পাছত পাহীয়ে মাকক ক'লে —'মা প্লীজ মোক আৰু জোৰ নকৰিবা আৰু দেউতাকো কৈ দিবা' বুলি কথাষাৰ কৈ তাই পদূলিৰ ফালে ওলাই গ'ল। বসন্তৰ কালৰ এচাতি মৃদু বতাহে তাইৰ নাকে মুখে কোবাই গ'ল। তাই মনতে বহুতো কথাই ভাবি গ'ল, মনক বুজাব পৰা নাই তাই। তথাপিও তাইৰ মতকে শেষ মত বুলি ভাবি লাজে অপমানে ভিনিয়েকক কথাটো জনালে।

ইফালে পাহী যে মাক-দেউতাকক মনত দুখ দি শান্তিত থাকিব পৰা নাই। মাকেও লাহে লাহে তাই লগত বেছিকৈ কথা বতৰা নপতা হ'ল। দেউতাকে কথা প্ৰায়ে কমেই কয়। নিজকে তাই বৰ অকলশৰীয়া অনুভৱ কৰিলে। কি কৰিব কি নকৰিব একো উৱাদিহ নাপাই ৰিদিপৰ লগত গুচি যোৱাৰ সিদ্ধান্ত ল'লে। আকৌ তাই মনে মনে ভাবিলে ইমানখিনি পঢ়ি শুনি মাক-দেউতাকৰ মনত আঘাত দি এনেকৈ পলাই গুচি গ'লে ওচৰ চুবুৰীয়াই কি ক'ব? ইফালে প্ৰীতমৰটো কি অৱস্থা হৈছে সেয়া ভাবিবই নোৱাৰি। মাক-দেউতাকৰ বিপৰীতে গ'লে তাইক পাপে চুব। তেওঁলোকৰ কথা নুশুনি ৰিদিপৰ লগত পলাই গ'লে তেওঁলোকে তাইক কোনো দিন ক্ষমা নকৰিব। তাই ৰিদিপক ভাল পায়। আৰু প্ৰীতমেও তাইক ভাল পায়। দুইফালে প্ৰতিশ্ৰুতিও দিব নোৱাৰি। নানা চিন্তাই আৱৰি ধৰিছে ক্ৰমশঃ তাইক। অৱশেষত তাই নিজৰ মতকে শেষ মত হিচাপে ল'লে। প্ৰীতমে সুধি যোৱাৰ পাচতো তাই কিয় এনেকুৱা কৰিলে গমকে নাপালে। সেইবোৰ কথা এতিয়া অতীত। আজি পাহীৰ বিয়া হোৱাৰ ছবছৰ হ'ল। তাই এজনী





কন্যা সন্তানৰ মাক। প্ৰথম দুই তিনিবছৰ সিহঁতৰ সংসাৰখনি বৰ সুন্দৰকৈ পাৰ হৈছিল। দুয়ো ইজনে সিজনক বহুত মৰম কৰিছিল। কিন্তু লাহে লাহে মৰমবিলাক কমি আহিছে। মৰমৰ পৰিৱৰ্তে সিঁহতৰ মাজত মতানৈক্যৰ সৃষ্টি হৈছে। ৰিদিপে প্ৰায়েই ঘৰত দেৰিকৈ সোমাইহি। পাহীয়ে নিজকে অশান্তিময় অকলশৰীয়া অনুভৱ কৰিছে। ৰাতি তাই ছোৱালীজনীক অলপ পঢ়াই শুই থাকে। এনেদৰেই প্ৰতিটো দিন পাৰ হৈছে। একো এটা কৰিয়েই পাহীৰ ভাল নলগা হ'ল। তাইৰ অন্তৰখনে হাহাকাৰ কৰি উঠে এক অজান আশংকাত। তাই অনুভৱ কৰে কি আচৰিত, পুৰুষ ইমান তললৈ নামিব পাৰে নহয়, পুৰুষ নহয়, কিছুমান পুৰুষহে। ক'ত গ'ল বাৰো সিঁহতৰ মৰমবোৰ। বিয়াৰ আগৰ প্ৰতিশ্ৰুতি প্ৰেম বিবাহৰ পাছতো কিয় হেৰাই যায়। ৰহস্যময়তা শেষ বুলিহে। তেনেহ'লে পুৰুষে সদায় নতুনত্ব কিয় বিচাৰি যায়। নিজকে কৈ মনৰ ভিতৰতে যেন কান্দি দিব, কোনোবাই নিচুকোৱা হ'লে। নাকান্দিবা, ইমান অধৰ্য্য নহবা বুলি। তাই ছোৱালীজনীৰো ভৱিষ্যতে এনেকুৱা ... তাই ভাবিবলৈ টান পালে। সৰুতে পঢ়া হেমন্ত কুমাৰ ভৰালীৰ 'ভালপাওঁ তোমাক মামনি' নামৰ কিতাপখনত থকা কিছুমান কথা বৰ্তমান পালন কৰিছেহি। ইপালে নিজৰ ব্যস্ততাকে গুৰুত্ব অধিক দিয়া হৈছে। তাই অনুভৱ কৰিলে ৰিদিপ যেন তাইৰ স্বামী নহয় ভাৰাঘৰৰ মালিকহে। ৰিদিপে আজৰি পোৱা সময়খিনিত বন্ধুবৰ্গৰ লগতহে কটায় বিজাৰ সমাৰ ফুৰা চকা ইত্যাদিটো কল্পনাৰ অতীত। ভালদৰে উপলব্ধি কৰিছে নিজৰ অৱস্থাটোক লৈ। তাই যদি মাক-দেউতাকৰ কথা মানি লোৱাহেঁতেন নিশ্চয় এনেকুৱা নহ'লহেঁতেন। যিটো সময়ত তাই স্বামীৰ মৰমৰ বান্ধোনত থাকিব লগীয়া আছিল সেই সময়ত তাই হিয়া উজাৰি কান্দিবলগীয়া হৈছে। ক'ত কি ভুল কৰিলে তাই ভাবিয়েই পাব নোপোৱা হ'ল।

আজি সোমবাৰ। তাই ছোৱালীজনীক স্কুলৰ পৰা আনিব যাওঁতে হঠাৎ গাড়ীৰ পৰা নামি এজন ল'ৰাই মাত লগালে আপুনি পাহী শইকীয়া নেকি? তাই চিনি পালে সেয়া প্ৰীতম। প্ৰীতমৰ মুখত 'আপুনি' শব্দটো শুনি আচহুৱা লাগিল। তাক যে এদিন এনেদৰে লগ পাব তাই সপোনতো ভবা নাছিল। প্ৰীতমে তাইৰ খবৰ ল'লে। তাইৰ মনটো দুখ, লাজ, সংকোচে আগুৰি ধৰিছিল। তাই জানে প্ৰীতমে বহুত ত্যাগ কৰিব বিচাৰিছিল তাইৰ কাৰণে। কাৰণ ম'বাইলযোগে বিয়াৰ আগতে অৱগত কৰিছিল। মনতে আকৌ চিন্তা প্ৰীতমলৈ যোৱা হ'লেও কিজানি এনেকুৱাই হ'ল হয় নহয় এনে সময়ত অন্তত মা-দেউতাৰটো সঁহাৰি পালোহয়। বিভিন্ন চিন্তাই আগুৰি ধৰিছে ক্ৰমশঃ। এনেতে বহু কথা পতাৰ পাছত প্ৰীতমে ক'লে বাৰু লগ পাই ভাল লাগিল আহিব এদিন আমাৰ ঘৰলৈ স্বামীকো লগত লৈ মোৰ পৰিবাৰৰ লগত চিনাকি হ'বলৈ। পাহীৰ স্বামীকো লগত নিয়া কথাটো শুনি বুকুখন চিৰিংকৈ মাৰিলে। কি ক'ব তাই নিৰুপায়। বলিয়া দৰে অনুভৱ কৰিলে। শাৰীৰিক ক্ষুধাৰ সময়ৰ বাবে অন্য সম্পৰ্ক নোহোৱাই হৈছে। আকৌ ভাবিলে প্ৰীতমৰ মিছেছ দেখিবলৈ কেনেকুৱা বাৰু এক অবুজ বেদনা। তাই হুকহুকাই কান্দি পেলালে।

গধুলি আনদিনাৰ দৰে সোনকালে খাই বৈ ছোৱালীজনীৰ সতে শুবলৈ গ'ল পাহী। তেতিয়া নিশা ১১ বাজিছিল। ৰিদিপ ইমান সময়লৈকে অহাই নাই। ছোৱালীজনীক শুৱাই তাই ভাবিব ধৰিলে প্ৰীতম আৰু ৰিদিপৰ কথা সকলোবোৰ দুখেই তাইক আমনি কৰিলেহি। শৰৎ কালৰ সেইদিনা পূৰ্ণিমাৰ নিশা। তাই সেমেকা চকুহাল লৈ কোঠাত নীৰৱে খিড়িকীখন খুলি দিলে। আৰু ফুলনিখনত ফুলি থকা শেৱালী জোপাই চাই পঠালে। গছজোপাৰ পৰা এপাহ দুপাহকৈ ফুলবোৰ সৰি সৰি কোমল দুৱৰি ডৰাৰ ওপৰত এখন দলিচাৰ দৰে হ'ল। তাই চাই থাকোতে দুধাৰি চকুলো বৈ আহিল। তাই অনুভৱ কৰিলে তায়ো যেন এই শেৱালীৰ পাহিৰ দৰেই দুৰ্ভগীয়া। সুন্দৰ সুবাসৰ বৰণ থাকিও সময়ৰ আগতেই সৰি পৰে। ফুলি দেখুওৱাব নোৱাৰে কাকো। তায়ো যেন সৰি পৰিছে। তাইয়ো গলি গলি শেৱালী পাহিৰ দৰেই চকুলো পৰিছে। পাহীও যেন এপাহ অৰ্ধফুলিত অবিকশিত শেৱালী ফুল।



# এয়াইটো জীৱন

চন্দন বৰুৱা
স্নাতক তৃতীয় ষান্মাসিক



কিনকিনীয়া বৰষুণ জাকত মালবিকাই টিঙেৰে তললৈ নামি অহা বৰষুণৰ টোপালবোৰলৈ চাই আছে। তাই যেন বৰষুণৰ টোপালবোৰত অতীতৰ স্মৃতিক সোঁৱৰিছে। তাইৰ নাম মালবিকা সন্দিকৈ। আচল ঘৰ তিনিচুকীয়াত। বিয়া হৈছে শিৱসাগৰলৈ। বৰ্তমান তাইৰ ঘৰত স্বামী আৰু ল'ৰা-ছোৱালী দুটা। এখন সৰু সুখী পৰিয়াল। তাইৰ গিৰিয়েকৰ নাম অনুজ সন্দিকৈ। চুবুৰীটোত সকলোৱে তেওঁক চিনি পায় আৰু তেওঁ হাঁহিমুখীয়া স্বভাৱটোৰ বাবে সকলোৰে প্ৰিয়। অনুজে ব্যৱসায় কৰে। গতিকে ল'ৰা-ছোৱালী দুটা আৰু সিঁহতে একো অভাৱ নোহোৱাকৈ সুখেৰে দিন কটাইছে। মালবিকাও এগৰাকী শিক্ষিত নাৰী। তাই বৰ্তমান ওচৰৰ এল পি স্কুল এখনত শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত হৈ আছে।


সিদিনা আছিল সোমবাৰ। সময় সন্ধিয়া ৭.৫০। এনেতে তাইলৈ এটা ফোন ক'ল আহিল। তাই ফোনটো ৰিচিভ কৰিলে। ফোনটো তাইৰ গিৰিয়েকৰ লগৰ এজনে কৰিছিল। সেই বাচখনৰ পথ দুৰ্ঘটনা সংঘটিতত হৈছে। আৰু তাইৰ গিৰিয়েক ওচৰৰ চিকিৎসালয়ত ভৰ্তি হৈ আছে। হঠাৎ এনে খবৰটোৱে তাইৰ মুখৰ সকলো হাঁহি নিমিষতে কাঢ়ি লৈ গ'ল। তাইৰ শৰীৰটো যেন শেতা পৰি গ'ল। নজনা কিবা কাৰণত যেন তাই কঁপিবলৈ ধৰিলে। এনেতে তাইৰ ছোৱালীজনীয়ে মাত লগালে মা' আজি দেউতাই মোলৈ কি আনিব...। মালবিকাই যেন কথা ক'বলৈ সকলো শক্তি হেৰুৱাই পেলাইছে। তাইৰ চকুজোৰী চলচলীয়া হৈ গ'ল। তাই অকনো পলম নকৰাকৈ চিকিৎসালয়লৈ বুলি বেগেৰে ওলাল। চিকিৎসালৈ আহি তাই দেখিবলৈ পায় এটা হুলস্থূলীয়া পৰিৱেশ, সকলো ফালে চিঞৰ বাখৰ কান্দুনৰ শব্দ। তাই শুনিবলৈ পালে দুৰ্ঘটনাটোত হেনো ২০ জন মানুহে প্ৰাণ হেৰুৱাইছে আৰু প্ৰায় দহজন মান মানুহ গুৰুতৰভাৱে আহত হৈছে। এই খবৰটোৱে তাইৰ মনৰ শক্তি আৰু বেছি দুৰ্বল কৰি পেলালে। তথাপি মনত বহু সাহস গোটাই তাই গিৰীয়েকক বিচাৰি আগবাঢ়ি গৈছে। তাই লক্ষ্য কৰিছে কোঠাটোৰ চুক এটাত বুঢ়া মানুহ এজনে বিষত চিঞৰি আছে। মানুহজনে দুৰ্ঘটনাটোত বৰকৈ দোষ পাইছে। কোঠাটোত কেৱল চিঞৰ বাখৰ, দুখৰ আৰ্তনাদ। ডাক্তৰ আৰু নাৰ্চ বোৰে অনবৰতে সিঁহতৰ ওচৰলৈ গৈ আছে। এনেতে তাই গিৰীয়েকৰ মূৰত দোষ পোৱা দেখা পায়। আৰু দুৰ্ঘটনাটোত ভৰি দুখন হেৰুৱাইছে। মালবিকাই নিজৰ ভাৰসাম্য হেৰুৱাই পেলালে। তাই গিৰিয়েকক গৈ সাৱতি ধৰি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। এয়া যেন তাইৰ জীৱনৰ এটা বিষাদৰ অধ্যায়।

**বৰষুণজাক শেষ হ'ল এনেতে পদূলিত পুষ্পাক দেখিলে। পুষ্পাহঁতৰ ঘৰ ওচৰতে। তাই সিমান সময়ত আজি মালবিকাহঁতৰ ঘৰলৈ অহাৰ কথা আছিল। তাই অহাৰ কাৰণটো হ'ল যোৱা এবছৰ দিন সিঁহত দুয়োজনীয়ে ওচৰৰ এল পি স্কুল এখনত শিক্ষয়িত্ৰীৰ চাকৰি কৰি আছিল। কিন্তু সিঁহতে অসম চৰকাৰৰ ফালৰ পৰা চাকৰি কৰাৰ বাবদ কোনো ধৰণৰ দৰ্মহা পোৱা নাছিল। সিঁহতে এদিনাখন ক'ৰবাত শুনিছিল যে শিক্ষা বিভাগৰ উচ্চ পদস্থ বিষয়াক ধন দিব পাৰিলে হেনো দৰ্মহা নিয়মীয়া কৰি দিয়ে। পুষ্পাই মাত লগালে আৰু মালবিকাই তাইক বহিবলৈ ক'লে। সিহঁতে কাইলৈ গুৱাহাটীৰ শিক্ষা বিভাগৰ উচ্চ পদস্থ বিষয়া এজনৰ ওচৰলৈ সিঁহতৰ চাকৰিৰ দৰ্মহা নিয়মীয়া কৰা কথাটোৰ সন্দৰ্ভত লগ ধৰিবলৈ যাব। গতিকে পুষ্পাই সকলো কথা আলোচনা কৰিলে আৰু অহা কাইলৈ সঠিকসময়ত ওলাই থাকিবলৈ কৈ ঘৰলৈ গুছি গ'ল।**



বৰষুণজাক শেষ হ'ল এনেতে পদূলিত পুষ্পাক দেখিলে। পুষ্পাহঁতৰ ঘৰ ওচৰতে। তাই সিমান সময়ত আজি মালবিকাহঁতৰ ঘৰলৈ অহাৰ কথা আছিল। তাই অহাৰ কাৰণটো হ'ল যোৱা এবছৰ দিন সিঁহত দুয়োজনীয়ে ওচৰৰ এল পি স্কুল এখনত শিক্ষয়িত্ৰীৰ চাকৰি কৰি আছিল। কিন্তু সিঁহতে অসম চৰকাৰৰ ফালৰ পৰা চাকৰি কৰাৰ বাবদ কোনো ধৰণৰ দৰ্মহা পোৱা নাছিল। সিঁহতে এদিনাখন ক'ৰবাত শুনিছিল যে শিক্ষা বিভাগৰ উচ্চ পদস্থ বিষয়াক ধন দিব পাৰিলে হেনো দৰ্মহা নিয়মীয়া কৰি দিয়ে। পুষ্পাই মাত লগালে আৰু মালবিকাই তাইক বহিবলৈ ক'লে। সিহঁতে কাইলৈ গুৱাহাটীৰ শিক্ষা বিভাগৰ উচ্চ পদস্থ বিষয়া এজনৰ ওচৰলৈ সিঁহতৰ চাকৰিৰ দৰ্মহা নিয়মীয়া কৰা কথাটোৰ সন্দৰ্ভত লগ ধৰিবলৈ যাব। গতিকে পুষ্পাই সকলো কথা আলোচনা কৰিলে আৰু অহা কাইলৈ সঠিকসময়ত ওলাই থাকিবলৈ কৈ ঘৰলৈ গুছি গ'ল।

এনেতে তাইৰ গিৰিয়েকে ভিতৰৰ কোঠাটোৰ পৰা মাত লগালে আৰু তাই গিৰিয়েকৰ কাষলৈ গ'ল। বৰ্তমান তাইৰ গিৰিয়েকে ভালদৰে লৰচৰ কৰিব নোৱাৰে। দুৰ্ঘটনাটোৱে





সিঁহতৰ ঘৰখনৰ সকলোবোৰ সুখ কাঢ়ি লৈ গ'ল। সিঁহতৰ ঘৰৰ হাঁহিবোৰ যেন ক'ৰবাত হেৰাই গ'ল। দুৰ্ঘটনাটোত সিঁহতৰ সাঁচতিয়া সকলোবোৰ ধন খৰছ হ'ল আৰু মাটি সম্পত্তি সকলোবোৰ বিক্ৰী কৰিব লগীয়া হ'ল। বৰ্তমান তাইৰ গিৰিয়েক সম্পূৰ্ণৰূপে বিকলাংগ, সিঁহতৰ ঘৰখনত যেন ক্ৰমান্বয়ে অভাৱে দেখা দিছে। যেন তাইৰ মনৰ আকাশত এটুকুৰা দুখৰ ডাৱৰে আৱৰি ধৰিছে। তাইৰ মনৰ কথাবোৰ কাৰো আগত প্ৰকাশ কৰা নাই, কেৱল ধৈৰ্য্য ধৰি গৈছে এগৰাকী ধৈৰ্যবান নাৰীৰ দৰে। তাই জানে জীয়াই থাকিবলৈ সংগ্ৰাম কৰিবই লাগিব। আজি তাই সংগ্ৰাম কৰিছে নিজৰ ল'ৰা-ছোৱালী হালৰ বাবে, মৰমৰ মানুহটোৰ বাবে যদিও কোনোবা এটা মুহূৰ্তত তাইৰ দুখৰ চকুলো বৈ আহিছে তথাপি তাই যেন জীৱন বাটত ভাগৰি পৰা নাই। ৰাতিপুৱাৰ ৰ'দজাকত যেন তাই জীয়াই থকাৰ প্ৰেৰণা বিচাৰি পায়।

তাই কাইলৈ যাবৰ বাবে সকলোবোৰ যা-যোগাৰ কৰিলে। সিদিনা ৰাতি তাইৰ টোপনি নাহিল। পুৱাতে উঠি সকলো যা-যোগাৰ কৰি যাবলৈ সাজু হ'ল। অলপ সময় পাছত পুষ্পাও আহি ওলালহি। দুয়ো যাবলৈ ওলাল। তেওঁলোকে গৈ শিক্ষাবিভাগৰ উচ্চপদস্থ বিষয়া পংকজ দত্তক লগ ধৰিলে, যিজনে এনেধৰণৰ কাম কৰে। তেওঁ দুয়োজনীকে দুই লাখ টকা দিবলৈ ক'লে আৰু তেতিয়া সিহঁতৰ দৰ্মহা নিয়মীয়া হ'ব বুলি ক'লে। কথাষাৰ শুনি মালবিকাৰ সৰগ ভাগি পৰাৰ দৰে অনুভৱ হ'ল। তাই ইমানবোৰ টকা লাগ বুলিলেনো ক'ৰ পৰা পায়। তাই একমাত্ৰ ভগৱানক প্ৰাৰ্থনা কৰিলে আৰু ঘৰলৈ বুলি ৰাওনা হ'ল। ঘৰলৈ আহি তাই কিন্তু গিৰিয়েকক একো নক'লে বৰঞ্চ কামটো ভালে ভালে সম্পন্ন হ'ল বুলিহে ক'লে। তাইক টকাৰ প্ৰয়োজন আৰু এইষাৰ কথা বাৰু তাই অনুজক কেনেকৈ? তাই জানে অনুজে কথাষাৰ শুনিলে নিশ্চয় মনত আঘাত পাব। তাইৰ বৰ্তমান চাকৰিটোৱেই একমাত্ৰ ভৰসা। যেনে তেনে চাকৰিটো হ'লে সিঁহতৰ সৰু ঘৰখন চলিবলৈ একো কষ্ট নহ'ব। কিন্তু, তাইৰ হাতত যে এতিয়া এপইচাও নাই। আৰু বিক্ৰী কৰিবলৈও যে একো নাই। তাইৰ ধৈৰ্য্যৰ সীমা হেৰাই গ'ল। তাইৰ চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল। তাই ভাবিছে নিষ্টুৰ সময়ে যেন তাইৰ স'তে হেতালি খেলিছে। তাই একো উপায় নোপোৱা হৈছে এনেতে তাইৰ মনত পৰিল তাই মাকৰ ঘৰৰ পৰা অনা একমাত্ৰ গহনাখিনিলৈ। গহনাখিনি বিক্ৰী কৰিলে তাই যথেষ্ট টকা পাব। সিঁহতৰ ঘৰখনত ইমান অভাৱে দেখা দিয়াৰ পাছতো কিন্তু তাই গিৰিয়েকে গহনাপাতি খিনি সজতনে ৰাখিছিল কেতিয়াও বিক্ৰী কৰাৰ কথা ভবা নাছিল।

আজি মালবিকাই গিৰিয়েকে গম নোপোৱাকৈ নিজৰ গহনাখিনি গাঁৱৰ দিলিপ মহাজনৰ ওচৰত বিক্ৰীকৰাৰ কথা ভাবিছে। পাছদিনা তাই মনে মনে গিৰিয়েকে নেদেখাকৈ প্ৰতী মহাজনৰ দৃষ্টি দুৰ্বল। মহাজনক গহনাখিনি দিলে নিশ্চয় তাইক পইচা দিব। এনেতে তাই মহাজনৰ ঘৰৰ পদূলি পালেগৈ, মহাজন ঘৰৰ আগফালে বাৰান্দাতে বহি কিবা হিচাপ কৰি আছিল। তাই আগুৱাই গ'ল আৰু মহাজনক মাত লগালে। মহাজনে তাইক বহিবলৈ ক'লে আৰু তেওঁৰ ঘৰলৈ অহাৰ কাৰণ সুধিলে। মহাজনৰ বয়স পঞ্চাছ বছৰ মান হ'ব যদিও তেওঁ দুবাৰ বিয়া কৰাইছে কিন্তু তেওঁৰ কুস্বভাৱৰ বাবে দুয়োগৰাকী পত্নীয়ে তেওঁৰ সৈতে সংসাৰ কৰিব নোৱাৰিলে। এতিয়া তেওঁ অকলে থাকে। মালবিকাই তেওঁৰ ওচৰলৈ অহাৰ উদ্দেশ্যটো ক'লে। যদিও মহাজনৰ গহনাখিনি কোনো কামৰ নাছিল তথাপি তেওঁ মালবিকাৰ মুখলৈ চাই কিমান টকাৰ প্ৰয়োজন সুধিলে। তেতিয়া মালবিকাই নগদ একলাখ টকা দিবলৈ ক'লে। কথাষাৰ শুনি মহাজন উচপ খাই উঠিল। প্ৰথমে মহাজনে টকা দিবলৈ অমান্তি হৈছিল যদিও মালবিকাই বৰকৈ জোৰ কৰাত আৰু সিঁহতৰ ঘৰখনৰ অৱস্থাটো চাই শেষত যেনিবা তেওঁ মান্তি হ'লগৈ। মালবিকাই বাধ্যত পৰি আজি একমাত্ৰ সাঁচতিয়া গহনাখিনি মহাজনৰ হাতত তুলি দিব লগীয়া হ'ল। মহাজনে ভিতৰলৈ গৈ হিচাপ কৰি উপযুক্ত টকাখিনি মালবিকাক দিলে। সেই সময়ত মালবিকাই হৃদয়ত কিবা যেন বিষ অনুভৱ কৰিলে। তাইৰ দুচকুৰ পৰা চকুলো বৈ আহিল আৰু ঘৰলৈ বুলি খোজ ল'লে।





# বিদায়ৰ অনুভৱ

**গীতিমণি বৰুৱা**
**স্নাতক চতুৰ্থ যান্মাসিক**
**শিক্ষা বিভাগ**




'বিদায়' এটা মিঠা শব্দ। যাৰ মাজতে সোমায় আছে হৰ্ষ, আনন্দ আৰু বেজাৰ। মানুহৰ জন্ম কেতিয়া হয় কোনেও ক'ব নোৱাৰে। প্ৰত্যেক জন মানুহে কিছুমান আশা-আকাংক্ষা লৈ জন্ম গ্ৰহণ কৰে। এনেকৈয়ে আৰম্ভ হয় এটা সুন্দৰ জীৱন .... সঁচাকৈ জীৱনটো বৰ অনুপম। বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰেহে জীৱনটো পাৰ কৰিবলগীয়া হয়।

প্ৰতিজন মানুহৰে একো একোটা অনুভূতি নিহিত হৈ থাকে। তেওঁলোকে জীৱনত প্ৰেম, ভালপোৱা, ঐশ্বৰ্য ইত্যাদি লৈ এটা সুন্দৰ জীৱন গঢ়ি তোলে। তেওঁলোকৰ জীৱনত সুখত হাঁহিবলৈ আৰু দুখত কান্দিবলৈ এজন ব্যক্তিৰ প্ৰয়োজন হয়। এনেদৰে সুখ-দুখত সমভাগী হোৱা ব্যক্তিজনকে প্ৰকৃত বন্ধু বুলি কোৱা হয়। যেতিয়া তেওঁলোকৰ মন, আত্মা দুয়োটা মিলে কিবা কাৰণত যদি তেওঁলোকৰ মাজত বিচ্ছেদ হয় তেতিয়া সেই দিনবোৰৰ কথা মনত আজিও ভাঁহি উঠে .....।

সময়বোৰ বৰ নিষ্ঠুৰ যেন পাঁখি লগা কাড়ৰ দৰে। কোনে, কেতিয়া, কোন সময়ত মেলানি মাগে কোনেও ক'ব নোৱাৰে। এজন মানুহৰ জন্ম হ'লে তেওঁৰ মৃত্যু কেতিয়া হ'ব কোনেও ক'ব নোৱাৰে। ঠিক সেইদৰে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি শিক্ষাৰ্থী সকলকো এটা নিৰ্দিষ্ট সময়ত বিদায় দিয়া হয়। বিভিন্ন সংস্থাপনৰ লগত জড়িত ব্যক্তি সকলোকো এটা নিৰ্দিষ্ট বয়সত এখন বিদায়ী ঘোষণা পত্ৰৰ জৰিয়তে বিদায় দিয়া হয়। সঁচাকৈ বিদায়ৰ সেই দিনটো বৰ দুখজনক.....। যেতিয়া ওচৰ-চুবুৰীয়া মানুহৰ লগত সম্বন্ধ গঢ়ি তোলা হয় তেতিয়া এৰি থৈ আহিবলৈ বৰ বেয়া লাগে দুচকুৰেদি চকুলো নিগৰি আহে ..... সঁচাকৈ সেইদিনবোৰ বৰ মৰ্মাহত অৰ্থাৎ দুখজনক। উপায় নাই, যাবইতো লাগিব, এটা নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ ......।

ঠিক তেনেকৈ, এইবাৰো আমাৰ মহাবিদ্যালয়ৰ পৰা দাদা, বা সকলক বিদায় দিয়া হৈছে। তেওঁলোকৰ স্মৃতিবোৰ সদায় মানসপটত জিলিকি থাকক ......। লগতে তেওঁলোকৰ জীৱনটো সুন্দৰ হওঁক .... সদায় হাঁহি, স্ফুৰ্তিৰে জীৱনটো পাৰ কৰক ...... সোণাৰি মহাবিদ্যালয় নাম উজ্বলাওঁক .....। তাৰে কামনাৰে ..... জয়তু সোণাৰি মহাবিদ্যালয়।



# জীৱনৰ দলিচাত এটি হেঙুলীয়া সপোন

এনিশা শৰ্মা
স্নাতক চতুৰ্থ ষাম্মাসিক
শিক্ষা বিভাগ



এটি আলফুলীয়া সপোন....। শেৱালী সৰা সেই সেউজী দলিচাত নৱ প্ৰভাতৰ শুভাৰম্ভ কৰাৰ অনন্য হেঁপাহ। দুচকুৰ পাহিত অজস্ৰ কল্পনা। সপোনৰ পাছে পাছে এজাক দুৰন্ত পথিক। অন্তহীন আৰু ক্লান্তহীন যাৰ জীৱন যাত্ৰা। জোনাকৰ পদূলিত নমা সপোনবোৰৰ সন্মুখত এতিয়া পুৱাৰ ৰ'দৰ কিৰণ। দুবৰিডৰাৰ নিয়ৰবোৰ গচকি পাৰ হৈ যোৱা আঁউসীময় নিশাবোৰ অতীতৰ মধুময় স্মৃতি। আজি অতীতৰ পৃষ্ঠাত নতুনৰ সুবাস...। হেঙুলীয়া দিনবোৰৰ বিপৰীতে স্মৃতিৰ কেনভাচত জীৱনৰ নতুন ৰং।

এজাৰ ফুলীয়া হাজাৰটা দিনৰ মাজত অলপ আকাংক্ষা। হেঁপাহৰ ঘৰখন আৰু আপোনজনৰ আশাৰ পানচৈত প্ৰচেষ্টাৰ বিৰামহীন গতি। সপোন এটা আঁকি দুচকুত ৰঙীন কৰা হৃদয়ত এতিয়া আনন্দৰ বন্যা। কিন্তু সপোনবোৰে ৰেঙা কৰা সেই আলসুৱা হৃদয়খন সকলো আশা আকাংক্ষাৰ সিপাৰে নিৰৱ আৰু নিস্তব্ধ। ভাগৰি পৰা জীৱনৰ চাকনৈয়া মেলি দিয়া নাওখনৰ গতি



নাযানো। কিয় স্তব্ধ হয় বাৰে বাৰে ৰূপালী ঘাটৰ সীমা স্পৰ্শ কৰিও। হয়তো সীমাহীন ব্যস্ততাৰ মাজত ৰচা জীৱনৰ গল্পবোৰৰ শিৰোনাম বিচাৰি হাবাথুৰি খায় হৃদয়খনে। সেয়ে প্ৰত্যাহ্বানৰ মাজত বিলীন হৈ যায় এমুঠি আশা...।


এখন নীলাভ আকাশৰ সীমনা স্পৰ্শ কৰাৰ হেপাহ। শুভ্ৰ ডাৱৰৰ আঁৰে আঁৰে লুকাভাকু খেলা সূৰ্য, জোন আৰু তৰাবোৰক মোৰ গোলাপী আঁচলত চিৰদিন সাঁচি ৰখাৰ হেপাঁহ। কিন্তু হেপাঁহবোৰৰ বিপৰীতে বাস্তৱৰ কৰুণ আৰু কঠোৰ ভাষা। এজাক মুক্ত বিহংগৰ দৰে পূৱালী বতাহজাকৰ বিপৰীতে সপোনৰ ডেউকা মেলি দূৰ দিগন্তৰ বুকুত উৰি ফুৰাৰ হেপাহ। মোৰ ৰূপোৱালী নৈৰ সোঁতে সোঁতে উটি যাম যেন এখন্ত সমস্যাহীন পৃথিৱীলৈ। কিন্তু নিৰস হয় কল্পনাৰ ৰং তুলিকাৰ পৃথিৱীখন। প্ৰাপ্তিয়েইতো জীৱনৰ শেষ উপহাৰ নহয়। অপ্ৰাপ্তিৰ অন্তৰালতো থাকে এক নুবুজা সাঁথৰ। অনুভৱী জীৱনৰ মাজত প্ৰাপ্তিৰ জয়গান গাই উজ্বলাই তোলো আমি জীৱনৰ জেউতী কিন্তু অপ্ৰাপ্তিৰ বেদনাৰ মাজতো পাওঁ আমি প্ৰেৰণাৰ সমল। অলপ আস্থা আৰু বিষাদৰ কৰুণ সুৰত বাজি উঠা পিয়ানুখনত দুহাত বুলাই সুৰীয়া কৰিব নোৱাৰি জানো অপ্ৰাপ্তিৰ দুখময় বেনামী সন্ধ্যা। কাঁইটীয়া জীৱনত দুভৰি থৈ গোলাপৰ কোমল পাপৰিৰে নোৱাৰো জানো হৃদয়ৰ কোঠালি ভৰাই তুলিবলে? তথাপি কিয় দৌৰো বাৰে বাৰে প্ৰাপ্তিৰ আশাত।

*সৰাপাতৰ ঝনঝননিত সাৰ পায় কুঁহিপাতে...। উদাস সময়বোৰ সেউজ কৰিব বিচাৰে তথাপি বাৰে বাৰে ফাগুনী পচোৱাই ৰিক্ত কৰি থৈ যায় ডুখৰীয়া আবেলিবোৰ...। সৃষ্টিৰ নুপূৰৰ ৰুণজুনত এটি মিঠা আবেলি...। আহিনৰ শীতৰ আমেজত উমাল অনুভৱে চুই যায় হৃদয় তথাপি নাজানো কিয় হাবাথুৰি খাওঁ ৰক্তিম সূৰুযৰ আভা বিচাৰি? হয়তো এখনি প্ৰহেলিকাবিহীন দলিচাত আঁকিব বিচাৰো জীৱন জ্যোতিৰ ৰেখা। সেয়ে মোৰ পৰ্যায়তো কৰি যাওঁ সংগ্ৰাম আৰু পুহি ৰাখো জীয়াই থকাৰ তীব্ৰ বাসনা।*

বেদনাৰ প্ৰাচীৰখন সুউচ্চ হোৱাৰ বাবেই হয়তো হাঁহিৰে ভৰাব নোৱাৰি জীৱন। জীৱনৰ তুলাচনীত জুখিব নোৱাৰি সুখৰ জোলোঙা। তথাপি নিৰ্জনতাৰ মাজত বিচাৰি পাওঁ অলপ সঁহাৰি। দুচকুৰ অশ্ৰু মোহাৰি হাঁহিৰ মাধুৰ্য্য সিঁচি দিয়া বহুজন সহযাত্ৰী। বন্ধুত্বৰ এনাজৰীৰ সুমধুৰ বান্ধোনত পাঁও আমি জীৱনৰ বাবে অলপ প্ৰতিদান। প্ৰতিশ্ৰুতিৰ দৃঢ়তাৰে গঢ়া এখন পৃথিৱী যাৰ মাজত সংকল্প সমস্বৰে আগুৱাই যোৱাৰ।

অস্ত সূৰুযৰ হেঙুলী ৰহন পৰি হেঙুলীয়া হোৱা লুইতৰ বালিত সজা সপোনৰ বালিঘৰ... আৰু সেই নীলা খামৰ ভিতৰত অহা ৰ'দৰ চিঠিখন... সোঁৱৰণীৰ আধালেখা দস্তাবেজ হৈ ৰ'ল...। কিন্তু আজিও সেই সোঁৱৰণীৰ কুঁৱলিৰ ফাঁকেৰে ভাঁহি আহে ক'ৰবাৰ পৰা কৰুণ বাঁহীৰ সুৰ...। সপোন, প্ৰাপ্তি, অপ্ৰাপ্তি আৰু জীৱনৰ প্ৰত্যাহবানবোৰৰ মাজত হেৰাই গ'ল সোণালী অতীত। বৰষুণৰ পানীৰে খেলা-সময়বোৰ আৰু দৰদী হৃদয়ৰ খবৰ অনা বৰদৈচিলাই আজি উৰুৱাই নিনিয়ে মোৰ সেউজীয়া দোপাট্টা...। নাযানো কিয়? কিয় নাহে আজি নাহৰৰ দেশৰ বাৰ্তা? নাহৰৰ সেই বিশাল পৃথিৱীত খোজ দিয়াৰ মানসেৰে ৰচি যোৱা কবিতাৰ পংক্তিবোৰ আজি আধৰুৱা হৈ ৰ'ল...।

এখন ভিন্নৰঙী ছবি যাৰ মাজত জীৱনৰ সভ্যতাৰ





প্ৰতিৰূপ। বাস্তৱৰ নিৰ্দয়তাই ভাঙি থৈ যোৱা এখন সপোনপিয়াসী হৃদয়। যান্ত্ৰিকতাৰ পৃথিৱীত বিচূৰ্ণ হৈ পৰে এপাহ সতেজ কুসুমৰ সুবাস। এখন উকা কাগজৰ পৃষ্ঠাত লিখি যোৱা কাহিনীবোৰত শব্দৰ আউল লাগে বাৰে বাৰে। আৰু অৰ্থহীন হৈ পৰে প্ৰতিটো স্নেপশ্বট। চিয়াহীৰ টোপালে ভৰাই দিও জীৱনৰ ডায়েৰী তথাপি ক'ৰবাত নিৰাশ হয় সপোনবোৰ। পলকতে সলনি হয় অলিখিত অনন্য মুহূৰ্তবোৰ.....।


সৰাপাতৰ ঝনঝননিত সাৰ পায় কুঁহিপাতে...। উদাস সময়বোৰ সেউজ কৰিব বিচাৰে তথাপি বাৰে বাৰে ফাগুনী পচোৱাই ৰিক্ত কৰি থৈ যায় ডুখৰীয়া আবেলিবোৰ...। সৃষ্টিৰ নুপূৰৰ ৰুণজুনত এটি মিঠা আবেলি...। আহিনৰ শীতৰ আমেজত উমাল অনুভৱে চুই যায় হৃদয় তথাপি নাজানো কিয় হাবাথুৰি খাওঁ ৰক্তিম সূৰুযৰ আভা বিচাৰি? হয়তো এখনি প্ৰহেলিকাবিহীন দলিচাত আঁকিব বিচাৰো জীৱন জ্যোতিৰ ৰেখা। সেয়ে মোৰ পৰ্যায়তো কৰি যাওঁ সংগ্ৰাম আৰু পুহি ৰাখো জীয়াই থকাৰ তীব্ৰ বাসনা।

প্ৰত্যেকৰে সমাধি সাজো। আৰু সেই সমাধিত শ্ৰদ্ধাঞ্জলি যাচোঁ, কিন্তু সপোনবোৰৰ সমাধি সাজিবলৈ গৈয়ো বাৰে বাৰে থমকি ৰওঁ। থমিক ৰওঁ দুহাতেৰে একাঁজলি শ্ৰদ্ধা নিবেদন কৰিবলৈ। সন্মুখত সপোনৰ ভগ্নাৱশেষ....তথাপি জীৱনৰ পথাৰত সৃষ্টি কৰিব বিচাৰো সোণোৱালী এডৰা ধাননি। লুইতৰ চাপৰিত হালি জালি নচা কহুৱা ডৰাৰ আঁৰে আঁৰে ৰচিব খোজো এটা নতুন সপোনৰ শিখৰ। শেষ হৈ যাব পাৰে এটা আলোকময় প্ৰভাত নাইবা শেষ হ'ব পাৰে এখনি সুন্দৰ ধৰণী, শেষ হৈ যাব পাৰে এটি শান্ত সন্ধিয়াৰ অনন্য সুন্দৰতা কিন্তু শেষ নহয় আকাংক্ষা, স্মৃতিৰ ৰেঙণি। সেয়ে শেষ হৈ যোৱা সকলোৰে মাজত আমি জীয়াই থাকো এটি উন্মনা মনৰ আশা আকাংক্ষা সাৰটি।

দুচকুত প্ৰতিজনৰ দৰেই মোৰো থাকে এটি ক'লাজ। যি ক'লাজৰ মাজত দেখো আকাশৰ তিৰবিৰাই থকা ধ্ৰুৱ তৰাটো, আৰু কলীয়া ডাৱৰৰ চানেকি আঁতৰাই চিকমিকাই উঠা বিজুলী, তাৰ মাজতেই হেৰাই যায় অসীমতাৰ মাজত জীৱনৰ সীমা...। একলম শুভাশীষৰ বাণীৰে উপচাই দিয়া ক্ষণবোৰত সিক্ত দুনয়নে বাধা দিব নোৱাৰে মোৰ জীৱনৰ সোণালী ৰথখন। এয়া আৰম্ভণিৰ সমাগত দীপ্তি...। উজ্বলি থাকিব যি মোৰ মৃত্যুৰ বিভীষিকালৈকে অবিৰাম।

শেষত অভিমানৰ দুটি স্বৰ ঃ সপোন দেখিছিলো এটি, সুন্দৰ সপোন যাৰ বেনামী চৰিত্ৰত আছিল মোৰ আপোন মানুহবোৰৰ আস্থা, প্ৰেৰণা আৰু সঁহাৰি। আকাংক্ষাৰ লেছেৰি বুটলি নাহৰৰ দেশত জীৱন নাটৰ সামৰণি মৰাৰ আশাৰে বাট বুলিছিলো অলপ প্ৰাপ্তিৰ তাড়নাত...। কিন্তু? কোনোবা অজান মুলুকত মোৰ স্বপ্নবিভোৰ নিশাবোৰ নিসংগতাই ঢাকি ৰাখিলে, হাৰি গ'লো মোৰ সপোনৰ আগত। নাহৰৰ দেশৰ নিমন্ত্ৰণী নাহিল মোৰ বাবে মোৰ সপোনৰ দিঠক হৈ তথাপি শিকি গ'লো সপোনৰ চুচুমৈ বাগিচাত জীৱনৰ সন্ধান কৰিবলৈ, সেই জীৱন যি জীৱনৰ বোকোচাত মই পালো বন্ধুত্ব, সহযোগিতা আৰু মৰমৰ আকাৰ আৰু ভালপোৱাৰ উপহাৰ।

এটাই মাথো প্ৰশ্ন মোৰ দৰেই সপোন ৰচা আন বহুজনৰ বাবে — কিয় ৰচো আমি এনে সপোন? অলীক কল্পনাৰ চূড়া? প্ৰাপ্তি অবিহনে নোৱাৰিলে জীৱনৰ প্ৰতিচ্ছবি আঁকিবলৈ? অনুভৱ কৰা সকলোৱে— জীৱন শেষ হ'লেও সপোন শেষ নহয়...। প্ৰাপ্তিৰ অবিহনেও সুখী হ'ব পাৰি জীৱনত। মাথো ৰচি যোৱা এনে সপোন যি সপোনে সৃষ্টিকৰে এক নতুন জীৱন।








# অৰণ্যৰ দান

**বাণী দেৱী**
**প্ৰাক্তন গ্ৰন্থাগাৰিক**
**সোণাৰি মহাবিদ্যালয়**

তেতিয়া পুৱা পাঁচ বাজিছিল। বাঙ্গালুৰু চহৰখন পাতল আন্ধাৰৰ আঁচলৰ তলত তেতিয়াও আৱদ্ধ। ৰিব্ ৰিব্কৈ বলি থকা পুৱাৰ বতাহজাকত বিয়পি পৰা জেচমিন ফুলৰ দৰে সুগন্ধি দক্ষিণ ভাৰতৰ বগাবাল্মিগততৰ সুবসে চহৰখন সুগন্ধি কৰি তুলিছে। জুলাই মাহৰ এই পুৱাটো আমাৰ বাবে জীৱনৰ অন্য এটা বিশেষ পুৱা।

১৬ জুলাই, ২০১৬। আমাৰ নাতি ৰিঅ'ৰ দ্বিতীয় জন্মদিন, সেই উপলক্ষে আমি গোটেই পৰিয়ালটো দুখন গাড়ীলৈ বাঙ্গালুৰুৰ পাৰ কোদাই কানাল (Kodai kanal) অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। প্ৰায় চাৰিবছৰৰ পাছত আমি একেলাপ দুয়োটা ল'ৰা-বোৱাৰী, নাতিনী নিশি, অনভিতা আৰু ৰিঅ'ৰ সৈতে ফুৰাৰ সুযোগ পোৱাৰ বাবে ভগৱানক ধন্যবাদ জনালো।

দুয়োখন গাড়ী অগাপিছা কৰি কৰ্ণাটকৰ এটা মশৃন ৰাষ্ট্ৰীয় পথেৰে আগবাঢ়িল, এনে লাগিল যেন সেইটো বাট নহয়, বগা আচুৰ শেলদিয়া এখনি কলা চাদৰৰ ওপৰেৰে গাড়ীয়ে গতি কৰিছে। ডিভাইদাৰত পুলি থকা নানাৰঙী ফুলবোৰে যেন বতাহত হালিজালি আমাৰ নতুন পুৱাৰ সম্ভাষণ জনাই যাত্ৰাত শুভেচ্ছাহে যাঁচিছে। এই ফালৰ বাট পথবোৰ দেখিলে আমাৰ ওখোৰা মোখোৰা বাটবোৰলৈ মনত



পৰি অলপ বেয়া লাগে। ঘণ্টাত এশ, এশদহ কিলোমিটাৰ বেগেৰে আমাৰ গাড়ীয়ে ফিৰফিৰিয়া বাটেৰে গতি কৰিলে। তামিলনাডু পোৱাৰ পাছত আমি বৈ দক্ষিণ ভাৰতীয় পুৱাৰ জলপান খাই পুনৰ যাত্ৰা আৰম্ভ কৰিলো।


এক, ডেৰঘণ্টা যোৱাৰ পাছত তামিলনাডুৰ দিনদিগুল (Dindigul District) জিলাত সোমাই পাহাৰীয়া অকোঁৰা পকোৰা বাটেৰে পাহাৰৰ ওপৰলৈ উঠিবলৈ দুয়োখন গাড়ী সাজু হ'ল আৰু গাড়ীৰ গতি মন্থৰ কৰি সোঁহতে ঘুৰি আগবাঢ়িল। বাটৰ দুয়োকাষ পাহাৰৰ শিলাখণ্ড সেউজীয়া গছ লতিকা আৰু সেউজীয়া ঘাঁহনিৰে আবৃত্ত। পৰিৱেশ অতি মনোৰম, কিন্তু কিছুসংকটাপূৰ্ণ, অৱশ্যে পথটো কিছু ঠেক হ'লেও ওখোৰা মোখোৰা বা ভগাছিগা নাছিল। পকা এটা সুন্দৰ পথ। এই পথছোৱাৰ দৈৰ্ঘ্য ৫৪ কিলোমিটাৰ। কিন্তু অকোঁৱাৰ পকোৱা হোৱাৰ বাবে লাহে লাহে যাব লগা হোৱাত তুলনামূলকভাৱে সময় বহু বেছি লাগিছিল। এই যাত্ৰাপথত গাড়ীৰ ভিতৰৰ পৰা দেখিলো পাহাৰৰ গাত লগাই থোৱা কিছুমান চাইনবৰ্ড, য'ত লিখা আছিল Avoid Plastic, Drive Slow, Blind cure ahead, Save the forest ইত্যাদি। এইবোৰ দেখি মনে মনে ভাবিলো এনে পাহাৰীয়া অঞ্চলত বসবাস কৰা এই মানুহখিনি সজাগ আৰু সচেতন। আমি সকলোৱে জনা কথাবোৰ আমাৰ ঠাইত আমিয়েই মানি নচলো। পানী খাই খালি প্লাষ্টিকৰ বটলটো গিলাচটো বাটৰ কাষৰ পথাৰলৈ দলিয়াই দিয়াতো যেন একেবাৰে সাধাৰণ কথা। কথাবোৰ চালি জাৰি চালে মনৰ মাজত প্ৰশ্ন উঠে— সঁচাই আমি মানসিক ভাৱে শিক্ষিতনে? বিজ্ঞানসন্মত এটা মন আছেনে? আমি আমাৰ উত্তৰপুৰুষক সৰু সৰু জ্ঞানবোৰ দিব পাৰিছোনে? আমি প্ৰকৃতিক ভাল পাঁওনে? আচল প্ৰশ্নটো হ'ল আমি আমাক ভাল পাওঁনে??? ইত্যাদি। আচলতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জখলাৰে আমি আগবাঢ়িলেও বহু সৰু সৰু কথাৰ প্ৰতি আজিও সচেতন নহয়।

গাড়ীত বাজি যোৱা গীতৰ তালে তালে ৰিঅ'হঁতে নাচিছিল যদিও একাবেকা পথৰ বাবে তাহাঁতৰ গা-মন বেয়া লগা বুলি আমি ধৰিব পৰিছিলো। বাটৰ কাষত বহু ঠাইত পকা কঠাল ফালি একফুটাত দুই টকা দামত বিক্ৰী কৰি থকা দেখি আমিয়ো পঞ্চাশটকাৰ কিনি চলন্ত গাড়ীত সোৱাদ ল'লো। এইফালৰ পকা কঠাল অসমৰ দৰে কোমল আৰু পিচল নহয়, টান চোবাই খাব লাগে কিন্তু বৰ সোৱাদ।

প্ৰায় চাৰি পাঁচঘণ্টা সময় যোৱাৰ পাছত কোদাই কানাল চহৰৰ দুৱাৰমুখত ভৰি দিয়াৰ লগে লগে দুজনমান মানুহ আগবাঢ়ি আহি আমাৰ গাড়ী ৰখালে। কি হ'ল বুলি অলপ থমকি ৰ'লো। কিন্তু দেখিলো সকলো গাড়ী ৰখাইছে। আৰু দুজনমান মানুহ আগবাঢ়ি আহি গাড়ীত প্লাষ্টিকৰ বটল বা অন্যান্য প্লাষ্টিকৰ পেলনীয়া বস্তু আছে নেকি সুধিলে। আমাৰ গাড়ীত থকা খালি বটল দুই তিনিটা তেওঁলোকক জমা দি যেতিয়া গেটৰ ভিতৰলৈ আগবাঢ়িলো গেটৰ কাষত প্লাষ্টিকৰ বহুত বটলৰ স'তে গিলাচ আদি নানা বস্তু গোটাই থৈছে। আমি বুজিলো পাহাৰৰ এই সৰু চহৰখন প্লাষ্টিকৰ কবলত পৰি যাতে প্ৰদূষিত নহয় তাৰেই হয়তো এই ব্যৱস্থা। তেওঁলোকৰ সজাগতা দেখি ভাল লাগিল।

দিনৰ দুইমান বজাত আমি আমাৰ গন্তব্য স্থান কোদাই কানাল চহৰত সোমাই ওখ চাপৰ চহৰখনত অকাই পকাই গৈ Kodai Resort Hotel পালোঁকৈ। গেটৰ পৰা হেলনীয়া বাটেৰে তললৈ নামি যোৱা গাড়ীৰ গ্লাচখুলি বাহিৰলৈ চাই পৰিৱেশটো দেখি আনন্দৰে মন ভৰি পৰিল। ফুল আৰু সেউজীয়া গছ লতিকাৰে ভৰা ঠাইখিনিত মানুহৰ হাতৰ পৰশ লাগি নন্দন কাননৰ দৰে ধুনীয়া হৈ পৰিছে। গাড়ীৰ পৰা নামি চাৰিওফালে লক্ষ্য কৰোতে দেখিলো ঠায়ে ঠায়ে নাচপতি গছত লোমালোমে নাচপতি লাগি আছে। কোদাই কানাল ফলৰ চহৰ, বাটৰ কাষে কাষে ফলৰ দোকান ভৰি আছে।

কোদাই কানাল নামটো তামিল ভাষাৰ যাৰ অৰ্থ The gift of forest অৰ্থাৎ অৰণ্যৰ দান। আনহাতে এই পাহাৰক The Princess of Hill station আখ্যা দিয়ে। দক্ষিণ ভাৰতৰ তামিলনাডু ৰাজ্যৰ দিনদিগুল (Dindigul) জিলাৰ এখন পাহাৰীয়া চহৰ। ইয়াৰ মাটিকালি ২১.৪৫ কিলোমিটাৰ। সাগৰ পৃষ্ঠৰ পৰা ২১৩৩ মিটাৰ ওপৰত অৱস্থিত এই ধুনীয়া পাহাৰীয়া অঞ্চলটোৰ জলবায়ু ঠাণ্ডা আৰু চহৰখনৰ আকাৰ এটা তৰাৰ দৰে (Star Shape) মানুহৰ সৃষ্টি কোদাই কানাল





লেকটোৱে ইয়াৰ চিৰসেউজীয়া অৰণ্যভূমিক আৱৰি ৰাখিছে। ২০১১ চনৰ লোক পিয়লৰ মতে এই চহৰৰ জনসংখ্যা ৩৬,৫০১ জন। প্ৰাচীন তামিল কবি সকলে Kodai-Kanalক চিৰসেউজীয়া অৰণ্যবুলি বৰ্ণনা কৰি কৈছিল— গ্ৰীষ্মকালতো এই অৰণ্যৰ ৰূপ সলনি নহয়। ১৯শতিকাত কবিসকলে Forest of creepeices আখ্যা দিছিল। প্ৰাচীন কালত পালিয়ান জনগোষ্ঠী এই অঞ্চলৰ বাসিন্দা আছিল বুলি বুৰঞ্জীয়ে কয়।

১৮২১ চনত এজন ইংৰাজথকাৰ উপযোগী স্বাস্থ্যকৰ ঠাই বিচাৰি প্ৰথম এই অঞ্চলৰ ভৰি দিয়ালোক আছিল। ইয়াৰ জলবায়ু আছিল শীতল, প্ৰদূষণ মুক্ত আৰু সৰ্বসাধাৰণতে সেই সময়ত হোৱা নানা বেমাৰৰ জীবানুৰ পৰা মুক্ত আছিল। তাৰ পাছত ১৮৩৪ চনত মাদুৰাইৰ কলেক্টৰ আহি এটা সৰু বঙলা সাজি থাকিবলৈ ল'লে আৰু লাহে লাহে উপাসনাৰ বাবে গীৰ্জা আদি কৰি অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানৰ কাম আৰম্ভ কৰিলে। ১৮৬৩ চনত ইয়াৰ সেউজীয়া অৰণ্যক আগুৰি কা কোদাইকানালটো চাৰ ভেৰি হেন্‌ৰি নামৰ এজন লোকৰ তত্ত্বাৱধানত সাজি উলিয়াই তেতিয়া ইয়াৰ মাটিকালি ৬০ একৰ আছিল বুলি জনা যায়। ছয় হাজাৰ নশ আঠানব্বৈ (৬৯৯৮ফুট) ওখত থকা কোদাই কানাল শীত কালত ৮.৩ ডিগ্ৰী আৰু গ্ৰীষ্মকালত ১৭/১৮ ডিগ্ৰী হয়।


মুঠৰ ওপৰত কোদাই কাণাল সকলো দিশৰ পৰাই অদ্বিতীয় বুলি ভবাৰ থল আছে। ওখ চাপৰ এই চহৰখনৰ বটোৰ গতি কৰোতে মাজে মাজে এনে লাগে যেন ইয়ো আন এখন ভূস্বৰ্গ। ডাৱৰবোৰে মাজে মাজে পাহাৰটোৰ লগত লুকাভাকু খেলে। কপাহৰ দৰে কোমল শুকুলা ডাৱৰবোৰে যেতিয়াই হালিজালি থকা গছ গছনিবোৰ ঢাকি পেলায় তেতিয়া গোটেই বাতাবৰণটোৰ ৰূপেই সলনি হৈ পৰে। কেতিয়াবা আকৌ কপাহ কোমল ডাৱৰবোৰ সুযোগ বুজি আমাৰ গালমুখ স্পৰ্শ কৰি আঁতৰি যায়। ওখ ওখ পাইনবোৰক যেতিয়া ডাৱৰে ঢাকি পেলায় সঁচাই মন প্ৰাণ আনন্দেৰে ভৰি পৰে। চেঁচা বতাহ জাকৰ পৰা নিজকে বচাবলৈ আমি সকলোৱে চুৱেটাৰ পিন্ধাৰ পাছতো বোৱাৰী নাতি-নাতিনীহঁতৰ বাবে জেকেট কিনিব লগা হৈছিল।

কোদাই লেক চোৱাৰ পাছত আমি Coakeris walk লৈ গৈছিলো। লেকৰ পৰা এক কিলোমিাৰ খোজকাঢ়ি গ'লে এইখিনি ঠাই পায়। ডাঙৰ ডাঙৰ গছেৰে ভৰা এই হেলনীয়া অঞ্চলৰে খোজকাঢ়ি গৈ তলৰ সমতলৰ সৌন্দৰ্য উপভোগ কৰোতে চকুৰ পলক মাৰিবলৈকো মন নাযায়।

কোদাইত চাব লগীয়া বহুত ঠাই বহু বাগিছা আদি আছে। তাৰ ভিতৰত আমি থকা ঠাইৰ পৰা ১৫০ মিটাৰ আঁতৰত থকা Bryout Park খনৰ কথা নকলে আধৰুৱা হ'ব। সেইখন এখন ফুলৰ ৰাজ্য, তাত যেন কোনোবা ফুলৰ ৰজা আছে। যি ৰাজ্যখন সুন্দৰকৈ শাসন কৰিছে আৰু মে' মাহত এই ৰাজ্যত ফুলৰ মেলা বহিঃৰাজ্য আৰু দেশলৈ ইয়াৰ ফুল ৰপ্তানি হয়।

কোদাইৰ অন্য এক আকৰ্ষণ Green Valley View এই ঠাইৰ পৰা এক সুন্দৰ দৃশ্য উপভোগ কৰিব পাৰি। কিন্তু গভীৰ অৰণ্য আৰু কিছু দুৰ্ঘটনাপ্ৰৱণ অঞ্চল হোৱাৰ বাবে সাৱধানতা অৱলম্বন কৰিব লগা হয়। আমাৰ ব্যক্তিগত অসুবিধাৰ বাবে আঁতৰৰ পৰাই সেই সৌন্দৰ্য উপভোগ কৰি ভিতৰলৈ যোৱাৰ পৰা বিৰত থাকিলো।

তেতিয়া বাহিৰত চিপ্ চিপ্ বৰষুণ। তাৰ পৰা গৈ আন এঠাইত শাৰী পাতি ৰৈ থকা বহুত গাড়ীৰ পাছত আমাৰ গাড়ী দুয়োখন ৰ'লগৈ। নাতি-নাতিনীহঁত থকাৰ বাবে কি কৰো কি নকৰো বুলি গাড়ীত খন্তেক বহাৰ পাছত সিদ্ধান্ত হ'ল দুয়োজনী বোৱাৰী মতে মই আমি চাবলৈ অহা Pillar Rocksৰ ওপৰলৈ যাম। কথা মতে আম তিনিজনী গাড়ীৰ পৰা নামি টিকেট ঘৰৰ ফালে খোজ ল'লো। টিকেট সংগ্ৰহ কৰি Rock চাবলৈ চিৰিৰে ওপৰলৈ উঠি গ'লো। চিৰি বগাই যেতিয়া ওপৰ পালোগৈ আমি আনন্দত আত্মহাৰা হৈ পৰিলো। চাৰিওফালৰ পৰা অহা শুকুলা কোমল ডাৱৰৰ কণিকাবোৰে আমাক আৰু তাত থকা মানুহবোৰক এখন পাতল ডাৱৰৰ লগত লুকাভাকু খেলিলো। আনন্দত আত্মহাৰা হৈ থাকোতেই হঠাৎ আমাৰ মূৰৰ ওপৰৰ পৰা চাদৰৰ আচলখন নোহোৱা হ'ল, আমি বিখ্যাত Rockৰ সৌন্দৰ্য চাবলৈ বুলি ৰেলিঙৰ কাষ চাপিলো আৰু তললৈ দৃষ্টি নিক্ষেপ কৰিলো। কিন্তু কান্ধত কান্ধ মিলাই বিয়পি থকা ১২২ মিটাৰ ওক চাবলগীয়া সেই শিলটিলা আমি দেখা নাপালো। আমাৰ চকুত ধুলি দি আমাৰ আনন্দত




আত্মহাৰা কৰি শুকুলা মেঘৰ আচলখনেৰে তিনিওটা শিল ঢাকি পেলালে। আমি যেনিয়ে চালো তেনিয়ে কেৱল কপাহ কোমল শুকুলা ডাৱৰ আৰু ডাৱৰ আমি তিনিওজনী আনন্দত দুবাহু মেলি ডাৱৰৰ কনিকাবোৰক সাৱতি ধৰাৰ চেষ্টা কৰিলো। শীতল বতাহজাকে আমাক স্পৰ্শ কৰিলে। প্ৰকৃতিৰ ৰূপ দেখি আমি অবাক হ'লো। আমি প্ৰকৃততে Pillar Roack ৰূপ লাৱণ্য উপভোগ কৰিবলৈ নাপালো সঁচা কিন্তু প্ৰকৃতিৰ অন্যন্য ৰূপত আমি আত্মহাৰা হৈ পৰিলো। চিৰিৰ ওপৰত উঠি দুয়োজনী বোৱাৰীৰ লগত ফটো তুলিলো। তাৰ পৰা নামি অহাৰ ইচ্ছা হোৱা নাছিল যদিও আমি আহিলো। চিপ্‌চিপিয়া বৰষুণত তিতি নিমখ জলকীয়া আৰু নেমুৰ, লগোৱা পোৰা গোমধান কিনি তাৰ সোৱাদ লৈ লাহে লাহে গাড়ীৰ ফালে আগবাঢ়িলো। কিন্তু মোক বোৱাৰীয়ে বৰষুণত তিতি আমেজ লোৱাৰ সুযোগ নিদি বাটৰ কাষত বিক্ৰী কৰি থকা ফুটফুটীয়া পাতল নীলা ছাটি এটা এশ টকাত কিনি হাতত তুলি দিলে আৰু ময়ো এখন হাতত ছাটি আনখন হাতেৰে গোমধান খাই লাহে লাহে খোজ দিলো। কাৰণ বৰষুণৰ বতৰত পিছল বাটত সাৱধানহৈ খোজ কাঢ়িছিলো, যিহেতু সেইদিনাও মোৰ ভৰিত হাইহিলৰ চেণ্ডেল আছিল। কোদাই কানালৰ Pillar Rock চোৱাৰ মিঠা অভিজ্ঞতা সদায় মনত থাকিব।

কোদাই ৰিজৰ্টৰ পৰা প্ৰায় চাৰিকিলোমিটাৰ আঁতৰত এটা মন্দিৰ আছে নাম Kuriwja wvadar Temple এই বিখ্যাত মন্দিৰটোত প্ৰতিষ্ঠিত ভগৱানৰ মূৰ্তিটোক দক্ষিম ভাৰতত 'মুৰুগা' বুলি কয়। অৱশ্যে ই হিন্দু মন্দিৰ, মুৰুগাক পাহাৰৰ ভগৱান বুলি বিশ্বাস কৰে। ভাৰতৰ অন্যান্য ঠাইৰ লোক এই মূৰ্তিক শিৱ পাৰ্বতীৰ পুত্ৰ কাৰ্তিক বুলি বিশ্বাস কৰে। তামিল সাহিত্যৰ মতে Kuriuja কুৰিণজাৰ অৰ্থ পাহাৰীয়া অঞ্চল আৰু Anvadarৰ অৰ্থ ভগৱান। সেইবাবেই মুৰুগা মূৰ্তিক পাহাৰৰ ভগৱান বুলি ভাৱে।

কুৰিণজা দক্ষিণ ভাৰতৰ পশ্চিমঘাট পৰ্বতৰ নীলগিৰি অঞ্চলত থকা এবিধ নীলাফুল, বেঙুনীয়া নীলাৰঙৰ এই ফুলক নীলাকুৰিণজা বুলি কয়। ফুলপাহৰ আকৃতি ঘণ্টাৰ দৰে। জনা মতে এইবিধ ফুল বাৰ বছৰৰ মূৰত এবাৰ ফুলে আৰু তেতিয়া সেই গোটেই নীলগিৰি পাহাৰটোত এখন নীলা দলিচা পাৰি থোৱাৰ দৰে ধুনীয়া হৈ পৰে। সাধাৰণতে পাহাৰৰ হেলনীয়া অঞ্চলত এই ফুল ফুলা দেখা যায়। অৱশ্যে আমাৰ ফুল দেখাৰ সৌভাগ্য নহ'ল।

কোদাই কানলত ফুৰিব পৰা আনন্দ লভিব পৰা বহু বস্তু, বহু ঠাই বা অঞ্চল আছে। জান জুৰি, নিজৰা বা লেকৰ সৌন্দৰ্য উপভোগ্য। তাৰে ভিতৰত Upper Lake View, Thalaiyar falls, Silver Cascade,Pauberfalls আদিৰ প্ৰাকৃতিক সৌন্দৰ্য অতুলনীয়। তদুপৰি কোদাই চহৰৰ পৰা ৪ কিলোমিটাৰ আঁতৰত পলিনি পৰ্বতৰ ওপৰত Solar Physical observate বা Planatorium আছে য'ৰ পৰা আকাশৰ গ্ৰহ, নক্ষত্ৰবোৰৰ চালচলন ওচৰৰ পৰা লক্ষ্য কৰিব পাৰি। সেইদিনা বতৰ ফৰকাল নথকাৰ বাবে আমাৰ চোৱা নহ'ল। এই তৰা নক্ষত্ৰৰ গণনা কৰা অনুষ্ঠানটো Indian Instirution of Astrophysiesৰ তত্বাৱধানত চালিত হয়। তদুপৰি Shewbaganur Meseum কদাই কানলৰ প্ৰাকৃতিক বুৰঞ্জীৰ যাদুঘৰ। (Meseum of Natural History of Kodaikanal) ই কোদাই লেকৰ পৰা পাঁচ কিলোমিটাৰ আঁতৰত অৱস্থিত। কোদাইৰ Telescope Houseৰ Telescope অতি শক্তিশালী ই Coakers walk আছে। ইয়াৰ পৰা বহু দূৰৰ প্ৰকৃতিৰ সৌন্দৰ্য স্পষ্টভাৱে উপভোগ কৰিব পাৰি। ওটিৰ পৰা গৈ কুন্মুৰত আমি Dolphin nose প্ৰাকৃতিক সৌন্দৰ্য আগতে উপভোগ কৰাৰ বাবে এইবাৰ কোদাইকানলৰ Dolphin wose চাবলৈ যোৱা নহ'ল। কোদাইকানলৰ আন এটা ডাঙৰ লেক বেৰিজান লেক (Berijan Lake) ১৮৬৪ চনত এজন বৃটিছ সেনাই এই লেকটো আৱিষ্কাৰ কৰিছিল। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য মনোমোহা, কোদাইকানল চহৰৰ পৰা ইয়ালৈ পঁচিশ কিলোমিটাৰ।

এইবোৰ চোৱাৰ পাছত আমি কোদাইকালনৰ বজাৰখনত সোমাই লক্ষ্য কৰিলো প্ৰায়বোৰ দোকানত আৰ্য়ুবেদিক তেল, প্ৰসাধনৰ বস্তু নানা প্ৰকাৰৰ চাবোন আৰু বিভিন্ন ধৰণৰ মছলাৰে ভৰি আছে। নানা বটল আৰু পেকেটৰ মাজত চকুত পৰিল এটা দীঘলীয়া বটলত গছৰ শুকান ডাল পাত শিপা ভৰাই শাৰী শাৰীকৈ থৈছে — সোধাত ক'লে সেইবোৰ কোদাইকানলৰ অৰণ্যৰ নানা ঔষধি গছৰ ডাল পাত,





শিপা, দাম পঞ্চাশ টকা চুলিৰ বাবে মহৌষধ। কেনেদৰে ব্যৱহাৰ কৰিব লাগে বুলি প্ৰশ্ন কৰাত বটলটো আনি ক'লে বটলৰ ডিঙিলৈকে নাৰিকলতেল ভৰাই পোন্ধৰদিন থোৱাৰ পাছত চুলিত লগাব লাগে কেতিয়াবা হোৱা হাত বিষ, ভৰিৰ বিষ বা গাৰ বিষত অকণমান নাৰিকল তেল ভৰাই দিয়াৰ লগে লগে তেলখিনি জবাকুসুম তেলৰ দৰে ৰঙা হৈ পৰিল। শুকান গছৰ ডাল পাত শিপাই নাৰিকল তেলৰ ৰং সলনি হোৱা কথাটোত মই বিজ্ঞানৰ reactionৰ কথা নজনাৰ বাবে বৰ ফুৰ্টি এটা পালো আৰু চুলি গজে নে নেৰে সেয়া সময়হে ক'ব।


চহৰখনৰ বাহিৰে ভিতৰে বাটৰ কাষে কাষে বিভিন্ন ফলৰ দোকান ভৰি আছে। ফলবোৰৰ ভিতৰত সদাপৰিচিত আম, কঠাল, মাটিকঠাল, আপেল, কমলা, কল, মধুৰী, নাচপতি দেখাৰ উপৰি চিনিনোপোৱা নাম নজনা, সোৱা নজনা বহু ফল দেখিলো। দুই এটা ফল কিনি খালো কিন্তু সোৱাদ আমাৰ পচণ্ড নহ'ল। তাৰে ভিতৰত Passion fruits, Avocoda আদি ফল দেখিলো। পেচন, নামৰ ফলটো আমাৰ অসমত আমি কঠবেল বুলি জানো। এভকদা নাচপতিৰ দৰে আকাৰৰ সেউজীয়া এটা ফল ভিতৰত এটা গুটি থাকে উংকৃষ্টমানৰ কেলৰি আৰু চৰ্বি থকা ফল বুলি জানিলো খাই চাবলৈ নহ'ল। লেচুৰ দৰে এটা ফল খাইছিলো আকাৰত গোল গাত দীঘল শুং খাবলৈ লেচুৰ দৰেই সোৱাদ কিন্তু গুটিৰ পৰা মঙহখিনি এৰাই নাহে— আমাৰ লেটেকুৰ দৰে গাত লাগি থাকে। ইয়াৰ নাচপতিৰ সোৱাদ বৰ ভাল। ৰং সেউজীয়া কিন্তু আপেলৰ দৰে কোমল। বাকলি গুচাই কাটি দিয়া আপেল আৰু নাচপতি খালে একো ধৰিব নোৱাৰ দৰে লাগে।

বিভিন্ন ফলৰ ৰসৰ পৰা তৈয়াৰী কৰা জেলি মৰটন আৰু ঘৰত তৈয়াৰী বিভিন্ন ধৰণৰ চকলেটৰ দোকানবোৰ দেখিলে সকলো কিনিবৰ মন যায়। জেলি মৰটনবোৰ কোমল, ভিন্ন ফলেৰে তৈয়াৰী প্ৰতিটো মৰটনৰ সোৱাদ ভিন্ন, লিচুজাতীয় ফলৰে তৈয়াৰী মৰটনটোত লিচুৰ সোৱাদ উপলব্ধ। এই দোকানবোৰত আদাৰ তেল, লংতেল, ইলাচী তেল, তালচেনী, কেশৰ তেল আদিৰ বিভিন্ন মচলাৰ ঘনীভূত কিছুমান নিচেই সৰু সৰু তেলৰ বটল দেখি কেনেদৰে ব্যৱহাৰ কৰে জানিবলৈ বিচৰাত ক'লে এটোপাল ইলাচী তেলেৰে চাৰিকাপ চাহ ইলাচী চাহ হ'ব। ঠিক তেনেদৰে আদা, লং, দালাচনী দিয়া চাহ তৈয়াৰ কৰিব পাৰি। নানা গোটা মছলাৰ পেকেটৰ সতে জেলি মৰটন আৰু চকলেট কিনি আনিলো। তেলৰ বটলত হাত নিদিলো।

এনেদৰে তিনিটা দিনত আমি বৰ আনন্দ মনেৰে নানা অঞ্চল ভ্ৰমি বৰষুণত তিতি, ৰিজৰ্টত ৰাতি এক বজালৈকে হাঁহি মাতি ফুৰ্টি কৰি হাউচী খেলি, কোদাই কানল পোৱা চৰাইৰ মাংস খাই সময়বোৰ পাৰ কৰিলো। মই ভাবো ভাৰতৰ সুন্দৰ সুন্দৰ পাহাৰীয়া চহৰ (Hill Station) বোৰৰ দৰেই কোদাইকানল এখন সুন্দৰ চহৰ, য'ত মানুহে মুকলি পৰিষ্কাৰ বতাহ সেৱন কৰিব পাৰে, য'ত মানুহ ডাৱৰৰ লগত লুকাভাকু খেলিব পাৰে, য'ত শাৰী শাৰী পাইনৰ বাগিচাত পাইনৰ ওক শিখৰত লাগি জিলিকি থকা বৰষুণৰ টোপালৰ সৌন্দৰ্য উপভোগ কৰিব পাৰে আৰু য'ত ঘৰত তৈয়াৰী চকলেট আৰু জেলি মৰটনৰ সোৱাদ লৈ কোলাহল পৃথিৱীৰ পৰা আঁতৰি মানসিকভাৱে কিছু সতেজ কিছু সজীৱ হৈ সময় পাৰ কৰিব পাৰে।

ভাৰতৰ বাকী প্ৰায়বোৰ অংশত যেতিয়া মানুহ গ্ৰীষ্মৰ প্ৰৱাহত পৰি ছাটিফুটি কৰিছল সেই সময়ত আমি কোদাইকানলত চুৱেটাৰ, জেকেট পিন্ধি বাহিৰলৈ ওলাইছিলো। ৰিজৰ্টত থকা সময়বোৰত এবাৰ যদি বৰষুণে আমাৰ ৰিজৰ্টৰ আগপাল পিছফাল বুৰাই পেলাইছিল এবাৰ ক'ৰবাৰ পৰা অহা ডাৱৰে আমাক আৱৰি ধৰিছিল। এটা অতি সুন্দৰ বতৰত আমি কোদাইকানলত তিনিটা দিন অতিবাহিত কৰি বাঙ্গালুৰুলৈ উভিতি আহিলো।





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনখনিত কলমে আঁক টনাৰ প্ৰাক্ মুহূৰ্তত মই অসমীয়া জাতিৰ সেই শ্বহীদসকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো যি সকলে নিজৰ বুকুৰ তেজেৰে দেশমাতৃক ধুৱাই নিকা কৰি আমাৰ বাবে এৰি গ'ল। হে শত শত শ্বহীদ বীৰ তোমাৰ আত্মালৈ মই এই পবিত্ৰ ক্ষনত অশ্ৰু অঞ্জলি যাঁচিছো।

অনিৰ্বাণ প্ৰজ্ঞাৰ জেউতিৰ চৰাইদেউ জিলাৰ সকলো দিশ পোহৰাই ৰখা জ্ঞান বটবৃক্ষ জোপাই হৈছে সোণাৰি মহাবিদ্যালয়। সোণাৰি নগৰৰ মাজমজিয়াত অৱস্থিত এই বটবৃক্ষ জোপাক সাৰ পানী যোগাই অশেষ কষ্টৰে বৰ্তমানৰ ৰূপ দিবলৈ সক্ষম হোৱা প্ৰতিজন মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত অযুত সপোন বুকুত বান্ধি ২০১৩ চনত বটবৃক্ষৰ ছাঁলৈ মইও আহিছিলো। মহাবিদ্যালয়ত ভৰি দিয়া প্ৰথম দিনটোৰ পৰাই মহাবিদ্যালয়খনে মোৰ মনত এক বিশেষ স্থান অধিকাৰ কৰিছিল। লাহে লাহে মহাবিদ্যালয়খনৰ হৈ কিবা এটা কৰাৰ হেঁপাহ জন্মিছিল। সেই হেঁপাহে বাস্তৱ ৰূপ পালে ২০১৫ চনত। মোৰ অগ্ৰজ তথা মোৰ বন্ধু-বান্ধৱৰ সমৰ্থনত মই এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হ'লো।

সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মই মোৰ ওপৰত ন্যস্ত হোৱা সকলো দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰি যাবলৈ চেষ্টা কৰিছিলো। মোৰ এই এবছৰীয়া কাৰ্যকালত মোৰ দায়িত্ব পালনত কিমানদূৰ সফল হৈছিলো। সেয়া আপোনালোকৰ বিচাৰ্য বিষয় ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভিন্ন কাৰ্যসূচীসমূহৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল—

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত আমাৰ প্ৰথম কাৰ্যসূচী আছিল ৫ ছেপ্তেম্বৰ, শিক্ষক দিৱস, উক্ত দিনটোত এখনি মুকলি সভাৰ আয়োজন কৰি আমাৰ শ্ৰদ্ধাৰ শিক্ষক আৰু লগতে এই মহাবিদ্যালয়ৰ কেইবাজনো প্ৰাক্তন প্ৰৱক্তাক সম্বৰ্ধনা জনোৱা হয়। তাৰোপৰি এই পবিত্ৰ দিনটোত সোণাৰি অঞ্চলৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠানলৈ গৈ অধ্যক্ষসকলক আমাৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হৈছিল।

বিশ্বকৰ্ম পূজা ঃ যথাবিহীত নীতি নিয়মেৰে ১৭ ছেপ্তেম্বৰত বিশ্বকৰ্মা পূজা আয়োজন কৰা হয়। এই পূজাভাগিতো আমি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিপুল সহযোগিতা লাভ কৰিছিলো।

গান্ধী জয়ন্তী ঃ সৰ্বধৰ্মৰ সমূহীয়া প্ৰাৰ্থনাৰে ২অক্টোবৰ গান্ধীজয়ন্তী উদ্‌যাপন কৰা হৈছিল।

আন্তঃমহাবিদ্যালয় কাবাডী প্ৰতিযোগিতা ঃ লখিমপুৰৰ সোৱণশিৰি কলেজত অনুষ্ঠিত কাবাডী প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে আমাৰ মহাবিদ্যালয়ৰ দুটা দ'ল (ছাত্ৰ-ছাত্ৰী) ৰাওনা হৈছিলো। এই দল দুটিক অংশ গ্ৰহণৰ বাবে নিয়াৰ ক্ষেত্ৰত আমি ছাত্ৰ একতা সভাই যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। অৱশেষত বুৰঞ্জী বিভাগৰ অধ্যাপক দিব্যজ্যোতি কোঁৱৰ ছাৰৰ চেষ্টাত আমি অংশ গ্ৰহণ কৰিবলৈ সুবিধা পাইছিলো। লুইতৰ বুকুৰেদি যাত্ৰা কৰোঁতে মনত এটাই কৌতুহ'ল জাগিছিল। হৈ পাই কেনেধৰমৰ পৰিৱেশৰ সন্মুখীন হম। কিন্তু তাত উপস্থিত হৈ যি আতিথ্য আৰু সোৱণশিৰি কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ দেখি যথেষ্ট উৎফুল্লিত হৈছিলো। এই প্ৰতিযোগিতাখনিত আমাৰ দলে কোনো স্থান দখল কৰিব নোৱাৰিছিলো যদিও .... খন কলেজৰ ভিতৰত সোণাৰি মহাবিদ্যালয়ে সেই তিনিওটা দিনত দেখুওৱা শৃংখলাবদ্ধতাৰ বাবে এক বিশেষ পুৰস্কাৰ লাভ কৰিছিলো। এই কথাটোত মই যথেষ্ট অনন্দিত হৈছিলো। ইয়াৰ বাবে মই দুয়োটা দলকে বিশেষকৈ ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছো। কিয়নো কোনো অধ্যাপিকা নোহোৱাকৈ এখন অচিনাকী ঠাইত নিজ কলেজৰ মান ৰখাৰ বাবে।

মহাবিদ্যালয় সপ্তাহ ঃ ২৭/২/২০১৬ তাৰিখত আৰম্ভ হৈছিল মহাবিদ্যালয় সপ্তাহ। ছদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। অলিম্পিক শিখাৰ প্ৰজ্বলনেৰে প্ৰথম কাৰ্যসূচী উদ্বোধন কৰা হয়। প্ৰথমে ছাত্ৰ একতা সভা আৰু শিক্ষকৰ মাজত এখন প্ৰীতি ভলীবল খেল অনুষ্ঠিত কৰা হয়। তাৰ পাছতে বৰহাট মহাবিদ্যালয়ৰ তিনিবাৰকৈ আন্তঃমহাবিদ্যালয় কাবাডী চেম্পিয়ন দলক নিমন্ত্ৰণ কৰি মহাবিদ্যালয়ৰ কাবাডী দলটিৰ লগত এক প্ৰীতি খেল অনুষ্ঠিত কৰিছিলো। ইয়াৰ উদ্দেশ্য আছিল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কাবাডীৰ প্ৰতি উৎসাহ বৃদ্ধি কৰা। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনৰ অন্য এক আকৰ্ষণ আছিল টাইকোৱানডো প্ৰদৰ্শন। ইয়াৰ পাছতে মহাবিদ্যালয় সপ্তাহৰ সাহিত্য, তৰ্ক, কুইজ, আবৃত্তি, সাজপাৰ, নৃত্য-গীত আদি। প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ উল্লেখযোগ্য আছিল। আমি ছাত্ৰ একতা সভাই সাংস্কৃতিক শোভাযাত্ৰা আৰু চাফাই কাৰ্যসূচী উন্নতমানৰ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত আমি পুৰস্কাৰৰ ব্যৱস্থা কৰিছিলো। এই ক্ষেত্ৰত আমি সফল হৈছিলো আৰু মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ একোটাকৈ এটা বিষয়বস্তু লৈ অংশ গ্ৰহণ কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ শেষ কাৰ্যসূচী 'বঁটা বিতৰণী সভা' ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হৈ। এই সভাৰ অন্যতম আকৰ্ষণ আছিল বিশিষ্ট ক্ৰীড়াবিদ অৰ্জ্জুন ভোগেশ্বৰ বৰুৱা কিন্তু বিশেষ কাৰণত তেওঁ উপস্থিত থাকিব নোৱাৰাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈদেৱে সভাখন সুচাৰুৰূপে পৰিচালনা কৰি নিয়ে। বঁটা বিতৰণীৰ সামৰণিৰ পাছতে আমন্ত্ৰিত শিল্পী শ্ৰীযুত খগেন গগৈদেৱে তেওঁৰ গীতৰ শৰাইয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক আনন্দৰ পৰিৱেশ সৃষ্টি কৰে। এনেদৰেই মহাবিদ্যালয় সপ্তাহৰ অন্ত পৰে।


সৰস্বতী পূজা ঃ ১২/২/২০১৬তাৰিখে যথাবিহিত পূজা-অৰ্চনাৰে বাগ্‌দেৱী সৰস্বতী পূজা অনুষ্ঠিত কৰা হয়। উক্তদিনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সোণাৰি অঞ্চলৰ আন আন ছাত্ৰ-ছাত্ৰীৰ সমাৰেশত এক উদুলি মুদুলি পৰিৱেশৰ সৃষ্টি হয়।


নৱাগত আদৰণি সভা ঃ মহাবিদ্যালয়লৈ আগমন ঘটা সমূহ নবাগতক আদৰণি জনোৱাৰ উদ্দেশ্যে ..... তাৰিখে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত নৱাগত আদৰণি সভাখন অনুষ্ঠিত হয়। উক্ত দিনা মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰৱক্তা সকল আৰু দুঃসাহসিক ক্ৰীড়াবিদ শ্ৰীযুত নৱ ফুকনদেৱ উপস্থিত থাকি সভাখনিৰ গাম্ভীৰ্য বাহাল ৰাখে। ফুকনদেৱে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়ায়।

প্ৰতিষ্ঠা দিৱস ঃ ৫/৮/২০১৬ তাৰিখে আড়ম্বৰপূৰ্ণভাৱে মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হৈছিল। এই সভাখনিত ছাত্ৰ একতা সভাৰ ফালৰ পৰা যথেষ্ট সহায়-সহযোগিতা আগবঢ়োৱা হৈছিল।

১৫ আগষ্ট ঃ ১৫আগষ্ট ২০১৬ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাঙ্গনত স্বাধীনতা দিৱস অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰাৱাস আৰু ছাত্ৰীৱাসৰ ছাত্ৰ-ছাত্ৰীৰ সহায়ত এই কাৰ্যসূচীয়ে সফল ৰূপ পায়।

অন্যান্য কাৰ্যসূচী ঃ কেৱল ওপৰত উল্লিখিত পৰম্পৰাগত কাৰ্যসূচীসমূহত আমি ছাত্ৰ একতা সভা আৱদ্ধ নাথাকি মহাবিদ্যালয়ৰ আন কাৰ্যাৱলীসমূহতো যথাসম্ভৱ সহায়-সহযোগিতা আগবঢ়াইছিলো। সমগ্ৰ অসমত পৰীক্ষাৰ





ক্ষেত্ৰত দেখা দিয়া বিসংগতাৰ বাবে আমি ছাত্ৰ একতা সভাই চৰাইদেউ জিলাৰ উপায়ুক্ত মহোদয়ক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিলো যাতে তেওঁ এই ক্ষেত্ৰত নজৰ দিয়ে আৰু সোণাৰি নগৰৰ প্ৰশাসনে অনুষ্ঠিত কৰা বিভিন্ন কাৰ্যসূচীত আমি ছাত্ৰ একতা সভাই সক্ৰিয় অংশগ্ৰহণ কৰিছিলো।

মহাবিদ্যালয়ৰ নিয়মানুবৰ্তিতা ৰক্ষাৰ বাবে আমি যথেষ্ট চেষ্টা কৰিছিলো। সাজ-পোছাক থকা বিশৃংখলতা দূৰ কৰা, মহাবিদ্যালয়ৰ চৌহদত ম'বাইল ফোন নিষিদ্ধ কৰা, মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰি ৰখা, মহাবিদ্যালয়ৰ পোছাক পৰিহিত অৱস্থাত কোনো ছাত্ৰ-ছাত্ৰীয়ে যাতে অশোভনীয় কাৰ্য নকৰে তাৰ বাবে আমি চকু ৰাখিছিলো। এই ক্ষেত্ৰত আমি যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো। গতিকে সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ বিনম্ৰ অনুৰোধ তেওঁলোকে যাতে মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক পৰিৱেশ গঠনত সক্ৰিয় অংশগ্ৰহণ কৰে।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ এই এবছৰীয়া কাৰ্যকালত মোক সকলো ক্ষেত্ৰতে দিহা পৰামৰ্শ দিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰ আৰু উপাধ্যক্ষ অৰ্পণ কোঁৱৰ ছাৰৰ ওচৰত মই চিৰঋণী হৈ ৰম। লগতে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ সমুহ কাৰ্যসূচীত মোৰ লগত ছাঁৰ দৰে লাগি থকা ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক অংকুৰ গগৈ আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ সকলো কাৰ্যতে দিহা পৰামৰ্শ দিয়া প্ৰাক্তন সাধাৰণ সম্পাদক মোৰ অগ্ৰজ অভিনৱ লাহন আৰু সমীৰণ গগৈকো মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ প্ৰতিটো খোজতে সংগ দিয়া বন্ধু, কৌস্তুভ, ৰাহুল, অৰিন্দম, বিশ্ব, বিতুৰ নাম উল্লেখ নকৰিলে এই কৃতজ্ঞতাৰ শৰাই আধৰুৱা হৈ ৰ'ব। লগতে জ্ঞান, ঋতুপৰ্ণ আদি আৰু মোৰ সকলো বন্ধু-বান্ধৱীক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোক সকলো ক্ষেত্ৰতে উৎসাহ যোগোৱা উদ্ভিদ বিজ্ঞান বিভাগৰ সকলো দাদা-বাইদেউক মোৰ অশেষ ধন্যবাদ। মহাবিদ্যালয়ৰ সকলো কৰ্মচাৰীবৃন্দক মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

চৰাইদেউ মহকুমা ছাত্ৰ সন্থা তথা সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সকলো বিষয়ববীয়াক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।


সদৌ শেযত মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু অজানিতে নাম উল্লেখ কৰিবলৈ বৈ যোৱা সকলোকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ক্ষমা প্ৰাৰ্থনা ঃ ২০/৫/২০১৬ বৰ্যৰ সাধাৰণ সম্পাদক হিচাপে মই মহাবিদ্যালয়খনৰ বাবে কি কৰিব পাৰিলো নাজানো। এই সময়ত বৈ যোৱা অনাকাংক্ষিত ভুলৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত ক্ষমা বিচাৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়


জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

**অভিনৱ কলিতা**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
২০১৫-১৬









# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনি মেলাৰ পূৰ্বে মই পোন প্ৰথমে যিসকল মনিষীৰ অহোপুৰুষাৰ্থৰ ফলত সোণাৰি মহাবিদ্যালয়খনিৰ অংকুৰিত লাভ কৰিছিল তথা যিসকল ব্যক্তিৰ সান্নিধ্যত মহাবিদ্যালয়খনে ক্ৰমোন্নতিৰ দেওনা পাৰ কৰিছে সেই ব্যক্তিসকলৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালটিলৈ মোৰ একাঁজলি শ্ৰদ্ধা নিবেদিছো।


২০১৫-১৬ বৰ্যৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰি মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুবিধা প্ৰদান কৰাত যিসকল শুভাকাংক্ষীয়ে মোক সহায়-সহযোগিতা কৰিছিল তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। বিগত বৰ্যটিত ছাত্ৰ একতা সভাৰ সহঃসাধাৰণ সম্পাদক হিচাপে মই আন বিষয়ববীয়াসকলক বিভিন্ন কামত বিভিন্ন ধৰণেৰে সহায় কৰিছিলো। সোণাৰি মহাবিদ্যালয়ৰ হকে বহুতো কাম কৰাৰ অভিপ্ৰায় আছিল। হয়তো বহু ক্ষেত্ৰত সফল হৈছিলো আৰু বহু কৰিবলৈ বাকী ৰ'ল।

প্ৰতিবেদনৰ সামৰণিত মই সকলো ছাত্ৰ-ছাত্ৰীক অনুৰোধ কৰিম যাতে তেওঁলোকে মহাবিদ্যালয়ৰ পৰিৱেশ সদায় সুন্দৰ কৰি ৰাখে। তেওঁলোকৰ জ্ঞানৰ পোহৰেৰে সোণাৰি মহাবিদ্যালয় তথা সমগ্ৰ সোণাৰি অঞ্চলটোক পোহৰাই তোলে, তাৰেই কামনা কৰি মই মোৰ প্ৰতিবেদন ইমানতে সামৰিছো।


'জয়তু সোণাৰি মহাবিদ্যালয়'

জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**অংকুৰ গগৈ**
সহঃ সাধাৰণ সম্পাদক
২০১৫-১৬ বৰ্য



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ প্ৰমুখ্যে উপাধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু সোণাৰি মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ মোৰ তৰফৰ পৰা আন্তৰিক হিয়া ভৰা শ্ৰদ্ধা নিবেদিছো। লগতে সেই মহান ব্যক্তিসকললৈ মোৰ অন্তৰৰ হৃদয় ভৰা মৰম আৰু একাঁজলি শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। যিসকলৰ সৎ চিন্তা, সৎ প্ৰচেষ্টা, ত্যাগ আৰু নিঃস্বাৰ্থ সেৱাৰ বিনিময়ত পুৱাৰ সুৰুযৰ কিৰণৰ দৰে এই জ্ঞানৰ মন্দিৰ গঢ় লৈ উঠিল।

২০১৫-১৬ বৰ্ষটিত মোক সোণাৰি মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক পদলৈ নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সকলো শুভাকাংক্ষীলৈ মোৰ তৰফৰ পৰা ধন্যবাদ জনাইছো।

বিগত বৰ্ষটিত ছাত্ৰ একতা সভাত সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে মোৰ সহপাঠী অন্যান্য বিষয়ববীয়াসকলক সহায় সহযোগিতা আগবঢ়াইছিলো। মই এই বছৰটো সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে সোণাৰি মহাবিদ্যালয়ৰ হকে যিমানখিনি মোৰ কৰ্তব্য আছিলে মই কৰিলো আৰু যিমানখিনি কৰিব পাৰো কৰিবলৈ চেষ্টা কৰিছিলো।

সময়বোৰক মনত পেলাও আৰু ভাবো সময়বোৰ কেতিয়া আৰু কেনেকৈ পাৰ হ'ল এদিন দুদিনকৈ গমকে নাপালো। কিন্তু সময়নো কেতিয়াবা ৰয়? আকৌ নিজকে উত্তৰ দিওঁ সময় কেৱল ৰয় মানুহৰ মনত কিছুমান বিশেষ স্মৃতিসমূহৰ জৰিয়তে। তেনেকৈ কিছুমান বিশেষ স্মৃতি সমূহ মোৰ কাৰণে সদায় চিৰস্মৰণী হৈ থাকিব। অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি, শ্ৰীযুত অৰ্পন কুমাৰ বৰুৱা ছাৰ, ড° ৰীতা দত্ত বাইদেউ, ৰঘুনাথ কাগয়ুং ছাৰ, ৰঞ্জিত বুঢ়াগোহাঁই ছাৰ, সুশীল চুৰী ছাৰ, ৰাজীৱ কটকী ছাৰ আৰু সোণাৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুসকলে এই বিগত দিনবোৰত মোক যিমানখিনি সু-দিহা পৰামৰ্শ দিছিল সেইবোৰ মই নিষ্ঠা, সততা আৰু একান্ত ভক্তি সহকাৰে কৰিবলৈ চেষ্টা কৰিছিলো আৰু পিছলৈও যাতে মোক এনেকৈ পৰামৰ্শ দিব বুলি মই সদায় আশাবাদী। সময়বোৰক কেতিয়াবা পোৱা নোপোৱাৰ কাঁচঘৰত ৰাখো। হিচাপ কৰো কি কৰিলো, কি দিলো। ২০১৫-১৬ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰা পিছতে মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশসমূহৰ উন্নতি হকে কি কৰিলো সেইয়া বিচাৰ কৰিব আপোনালোকে।

আৰু শেষত মোৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত সহায় সহযোগিতাৰ লগতে সুদিহা পৰামৰ্শ আগবঢ়োৱা সোণাৰি মহাবিদ্যালয়ৰ দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীৰ লগতে ভাইটি-ভণ্টীসকলক কৃতজ্ঞতাৰ লগতে অভিনন্দন জনাই মোৰ অজানিতে হোৱা বহু ভুত ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

**শ্ৰী সূৰজ গোহাঁই**
সাংস্কৃতিক বিভাগৰ সম্পাদক
২০১৫-১৬বৰ্ষ





# সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

১। একক অভিনয়ৰ ফলাফল ঃ
প্ৰথম ঃ শান্ত চাংমাই
দ্বিতীয় ঃ অভিজিৎ শইকীয়া
তৃতীয় ঃ পাপৰি গগৈ

২। বিহু নৃত্য ঃ
প্ৰথম ঃ সীমাশ্ৰী ফুকন
দ্বিতীয় ঃ সংযুক্তা কোঁৱৰ


৩। দলীয় নৃত্য ঃ
প্ৰথম ঃ সুৰ্পণা আৰু জাহ্নৱী
দ্বিতীয় ঃ নৱনিতা নৃত্য গোট

৪। আধুনিক নৃত্য ঃ
প্ৰথম ঃ জয়শ্ৰী বাইলুং
দ্বিতীয় ঃ সুৰজ গোছাই
তৃতীয় ঃ ধৰিত্ৰৰ গগৈ

৫। সাজপাৰ প্ৰতিযোগিতা ঃ
প্ৰথম ঃ অভিলেখা মোহন
দ্বিতীয় ঃ সম্পূৰ্ণা বুঢ়াগোহাঁই
তৃতীয় ঃ জুপিতৰা শ্যাম

৬। একাংক নাট প্ৰতিযোগিতা ঃ
প্ৰথম শ্ৰেষ্ঠ নাট্যদল ঃ মুখ্য অতিথি
দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল ঃ প্ৰেতাত্মাৰ ক্ৰন্দন
তৃতীয় শ্ৰেষ্ঠ নাট্যদল ঃ আমাক এজাক বৰষুণ দিয়া
শ্ৰেষ্ঠ অভিনেতা ঃ জ্যোৰ্তিময় ৰায়চৌধুৰী
চৰিত্ৰ ঃ মেমেধো, নাটক - প্ৰেতাত্মাৰ ক্ৰন্দন
দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা ঃ ৰিতু গগৈ
চৰিত্ৰ ঃ ৰহিম, নাটক - প্ৰেতাত্মাৰ ক্ৰন্দন
শ্ৰেষ্ঠ অভিনেত্ৰী ঃ সুৰঞ্জনা চেতিয়া
চৰিত্ৰ ঃ প্ৰিয়া, নাটক - আমাক এজাক বৰষুণ দিয়া
দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী ঃ পাপৰি গগৈ
চৰিত্ৰ ঃ দ্বিতীয় মহিলা, নাটক - মুখ্য অতিথি
শ্ৰেষ্ঠ সহঃ অভিনেতা ঃ অভিজিৎ শইকীয়া
চৰিত্ৰ ঃ ৰাজেন, নাটক - গহনাৰ প্ৰেম
শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী ঃ প্লাৱিতা বুঢ়াগোহাঁই
চৰিত্ৰ ঃ চলিহানী, নাটক - মুখ্য অতিথি
শ্ৰেষ্ঠ পৰিচালক ঃ পূজা গগৈ (নাটক মুখ্য অতিথি)
দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক ঃ ৰিতু গগৈ (নাটক - প্ৰেতাত্মাৰ ক্ৰন্দন)
তৃতীয় শ্ৰেষ্ঠ পৰিচালক ঃ ৰম্পি গগৈ (নাটক - আমাক একাজ বৰষুণ দিয়া)
বিচাৰকৰ বিশেষ বঁটা ঃ প্ৰিয়ঙ্কা দে (তৰালী) নাটক ঃ প্ৰেতাত্মাৰ ক্ৰন্দন
চুজিতা ওৰাং (কস্তুৰী) নাটক আমাক এজাক বৰষুণ দিয়া

সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কাৰী দলৰ দলীয় কাৰ্যপ্ৰদৰ্শন প্ৰতিযোগিতাৰ ফলাফল ঃ
প্ৰথম ঃ সোণাৰি মহাবিদ্যালয় ছাত্ৰী নিবাস
(বনাঞ্চল ধ্বংসৰ বিৰুদ্ধে প্ৰতিবাদ)
দ্বিতীয় ঃ অৰ্থনীতি বিভাগ
(পানী তোলা)
তৃতীয় ঃ শিক্ষা বিভাগ
(দৰ-কইনা)





# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সৰ্বপ্ৰথমে মই সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সন্মানীয় শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰী, বন্ধুবৰ্গক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু হৃদয়ভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে সেই মহান ব্যক্তিসকললৈ মোৰ অন্তৰৰ হিয়া ভৰা মৰম আৰু একাঁজলি শ্ৰদ্ধা জনাইছো। যিসকলৰ ত্যাগৰ ফলত এই জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০১৫-১৬ বৰ্ষৰ সাধাৰণ নিৰ্বাচন প্ৰতিদ্বন্দ্বিতাত গুৰু খেল বিভাগৰ সম্পাদকৰ পদত বিজয় হৈছিলো।

সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মোৰ প্ৰথম কাম হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়ৰ সমূহৰ মাজত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় খেলসমূহত 'সোণাৰি মহাবিদ্যালয়'ক অংশ গ্ৰহণ কৰোৱা। আন্তঃমহাবিদ্যালয় খেলসমূহৰ ভিতৰত ২০১৫-১৬বৰ্ষৰ লক্ষীমপুৰ সোৱণশিৰি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা কাবাদী খেল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিলো। অশেষ কষ্টৰে আমি Best Dicipline বঁটা পাবলৈ সক্ষম হৈছিলো। তাৰ পিছতেই মোৰ দায়িত্ব আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ খেলসমূহ সুকলমে অনুষ্ঠিত কৰা। সেই গতিকে মই বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ বিভাগৰ অন্তৰ্গত খেলসমূহ অনুষ্ঠিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো আৰু মই ভাবো খেলসমূহ অনুষ্ঠিত কৰাত মই সফলো হৈছিলো। মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহৰ প্ৰতি আগ্ৰহ আনিবলৈ চেষ্টা কৰিছিলো।

মহাবিদ্যালয়ৰ সম্পাদক হিচাপে মোৰ এই এবছৰীয়া কাৰ্যকালত মই কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।


শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোৰ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰাত প্ৰধানকৈ মোৰ উপদেষ্টা শ্ৰীযুতৰাজীৱ কটকী, শ্ৰীযুত জ্যোতি প্ৰসাদ ফুকন, শ্ৰীযুত ফনীন্দ্ৰ বৰুৱা, শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ, শ্ৰীযুত প্ৰবীন বৰা, শ্ৰীযুত মনোৰঞ্জন কোঁৱৰ ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰোপৰি মোৰ প্ৰতিটো কাম-কাজতে যিসকল বন্ধু, সৌৰভজ্যোতি গগৈ, বিতুপন ফুকন, জ্ঞানজ্যোতি গগৈ, ৰূপম দা, কল্যাণ গগৈ, দেৱাশীষ গগৈ, অভিনৱ কলিতা ইত্যাদি আৰু মহাবিদ্যালয়ৰ ছাত্ৰাৱাসৰ দাদা আৰু ভাইটিসকলৰ ওচৰত সদায় মই চিৰ কৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে যদি মোৰ কিবা ভুল-ত্ৰুটি হৈছিল তাৰ বাবে মই অপোনালোক সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। লগতে আগন্তুক বৰ্ষ কেইটা যাতে গুৰু ক্ৰীড়া বিভাগটো অধিক বলিষ্ঠভাৱে কাৰ্যক্ষম হৈ উঠে আৰু সোণাৰি মহাবিদ্যালয় ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।


'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**মিঠু গগৈ**
সম্পাদক
গুৰু ক্ৰীড়া বিভাগ
২০১৫-১৬ বৰ্ষ







# Minor Games Secretary

At the strong of my annual report & would like to convey my sincere honour to respected Principal Dr. Bimal Ch. Gogoi, Vice Principal Sir Arpon Kr. Boruah and all my teachers of our college.

As I was selected as Minor Games Secretary by my loving friends, brothers & Sisters. I am greatly thankful to them for handling this respectable portfolio and for giving me an opportunity to sow for this college. well but I donot know upto which unit I have succeeded, to my promised that I have made to you but I belove that I have done every worth in a proper way and in a disciplined manner During my session, I organised all the competition such as. At last I request to all of you to foergive me for the mistakes I have done in my session, Also I would like to give my cordial thanks to J.P. Sir, Rajiv Katoy, Utpal Konwar, Dibyajyotii Konwar Sir for their valuable advise of co-operation. Again would lie to give a special thanks to my friend koustav, Srimanta, Sakhi, Omika, Paly, Shilpa, Vivian, Abhinab, Gyanjyoti, Ankur, Anulesha, Papari and all the students of our college for this help in holding the competition. At last I want to apologing of I have done any mistake or forget to mention someting in my Annual report.

Long Live Sonari College

**Sri Bitupan Phukon**
Major Games Secretary





# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন আগবঢ়োৱাৰ বাটচ'ৰাতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকললৈ শ্ৰদ্ধা নিবেদিছো। সেইসকললৈ প্ৰণাম জনাইছো যিসকলে অশেষ কষ্ট, যত্নৰ ফলত জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়ৰ সোণাৰি নগৰৰ মাজ মজিয়াত স্থাপন হ'ল।


বিগত ২০১৫-১৬ বৰ্ষটিত মোক তৰ্ক বিভাগৰ সম্পাদকৰ পদলৈ নিৰ্বাচিত কৰি মহাবিদ্যালয়ত সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সমূহ শুভাকাংক্ষীলৈ ধন্যবাদ জ্ঞাপন কৰিছো। বিগত বৰ্ষটিত ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ সম্পাদক হিচাপে বাৰ্ষিক ক্ৰীড়াৰ লগতে আন বিভাগৰ সম্পাদক হিচাপে বাৰ্ষিক ক্ৰীড়াৰ লগতে আন বহুতো ক্ষেত্ৰত বিভিন্ন ধৰণে সহায় সহযোগ আগবঢ়ালো। এই মহাবিদ্যালয়ৰ হকে কিবা কৰাৰ ক্ষেত্ৰত নিজৰ শ্ৰেষ্ঠখিনি উজাৰি দিলো। এই ক্ষেত্ৰত মোক সহায় সহযোগ কৰা বন্ধু-বান্ধৱ তথা দাদা-বাইদেউসকলক মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত মোৰ কাৰ্যকালত সহায় সহযোগিতাৰ লগতে পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধেয় পৰাণ কোঁৱৰ আৰু ৰঘুনাথ কাগয়ুং চাৰৰ লগতে অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ চাৰক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে সকলোৱে ওচৰত ক্ষমা বিচাৰিলো। মহাবিদ্যালয়ৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'


'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**ঋত্তিক ৰাজ চেতিয়া**
তৰ্ক বিভাগৰ সম্পাদক
২০১৪-১৫ বৰ্ষ





# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় একলমৰ প্ৰাক্‌মুহূৰ্ততে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই জ্ঞানৰ মন্দিৰটি প্ৰাণ পাই উঠিছিল সেইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ পাছতো সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয় প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ মই এই প্ৰতিবেদনৰ জৰিয়তে মৰম-চেনেহ, কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৪-১৫ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰিলে সেইসকল চিৰনমস্য মোৰ দাদা, বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি, ভণ্টী আৰু মোৰ সমনীয়া সকললৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। জয় আই অসম।

'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**শ্ৰী ৰংগমিত কাকতি**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

কেৰম (একক)
প্ৰথম ঃ ইমতিয়াছ আহমেদ
দ্বিতীয় ঃ স্বপনজ্যোতি মলিয়া

কেৰম (দ্বৈত) ঃ
প্ৰথম ঃ ইমতিয়াত আহমেদ আৰু পাৰ্থ প্ৰতীম বৰঠাকুৰ
দ্বিতীয় ঃ স্বপনজ্যোতি মলিয়া আৰু অমৰজ্যোতি জখৰান

চেছ ঃ
প্ৰথম ঃ প্ৰণিত প্ৰতীম গগৈ
দ্বিতীয় ঃ অৰুনাভ দুৱৰা





# ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিলে সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মাননীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সকলো ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

২০১৫-১৬ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাঁচিছো।


ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা হিচাপে মই কিমানদুৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মোৰ সাধ্যানুসাৰে প্ৰতিটো দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিলো। এই ক্ষেত্ৰত মোক দিহা পৰামৰ্শ আগবঢ়োৱা সকলোটিলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুত ক্ৰটি সমূহৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো।

শেষত মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

জয়শ্ৰী বাইলুং
সম্পাদিকা
ছাত্ৰী জিৰণি চ'ৰা বিভাগ





# ছাত্ৰী জিৰণি চ'ৰাৰ প্ৰতিযোগিতাৰ ফলাফল

**ৰংগলী প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ অফিনা বেগম
দ্বিতীয় ঃ মেঘালি ভূমিজ
তৃতীয় ঃ সুৰ্পণা বৰগোহাঁই

**মিউজিক চেয়াৰ ঃ**
প্ৰথম ঃ নিলাক্ষী তালুকদাৰ
দ্বিতীয় ঃ ৰেখা নেওগ
তৃতীয় ঃ নিলিমা গগৈ


**টিকলি প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ নিকিতা সাধনীদাৰ
দ্বিতীয় ঃ অফিনা পাৰবিন
তৃতীয় ঃ জোনমণি গগৈ


**দবা প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ দিশা শইকীয়া
দ্বিতীয় ঃ ঈশাণী দত্ত

**কেৰম প্ৰতিযোগিতা ঃ (একক)**
প্ৰথম ঃ পলী বৰগোহাঁই
দ্বিতীয় ঃ পুনম শৰ্মা
তৃতীয় ঃ অনামিকা খাৰ

**কেৰম প্ৰতিযোগিতা ঃ (দ্বৈত)**
প্ৰথম ঃ পলি বৰগোহাঁই/পুনম শৰ্মা
দ্বিতীয় ঃ প্ৰিয়াক্ষী সাধনিদাৰ/অনামিকা সোণোৱাল

**কেৰম প্ৰতিযোগিতা ঃ (ল'ৰা-ছোৱালী) যুগ্ম**
প্ৰথম ঃ পলি বৰগোহাঁই/সীমাংশু বৰা
দ্বিতীয় ঃ দিশা শইকীয়া/গৌৰৱ দত্ত





# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভক্ষণত মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা যাচিছোঁ যিসকলৰ অশেষ কষ্টৰ ফলত সোণাৰি মহাবিদ্যালয়ে প্ৰাণ পাইছিলো, লগতে মোৰ মৰমৰ তথ্য শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু বিদ্যালয়সমূহ কৰ্মচাৰী বৃন্দৰ, লগৰ সমনীয়ালৈ মোৰ শ্ৰদ্ধা, মৰমৰ ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী।


বিভাগীয় সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথম পদক্ষেপ হিচাপে এটা নিৰ্দিষ্ট দিন ধাৰ্য কৰি কলেজৰ চৌহদত এটি চাফাই অভিযান হাতত ল'লো। তাৰ পাছতেই বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিলো আৰু লগতে কলেজ সপ্তাহৰ আগত কলেজৰ চৌহদ চাফাই কৰিলো।

মোৰ কাৰ্যকালৰ সময়খিনিৰ সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ শ্ৰীযুত.... চেতিয়া চাৰলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মোৰ কাৰ্যসমূহ নিয়াৰিকৈ কৰ্মচাৰীৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ আৰু কলেজৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে মোক ক্ষমা কৰে যেন। সোণাৰি মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱ কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

'জয়তু সোণাৰি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

কাশ্যপ ৰঞ্জন গগৈ
সম্পাদক
সমাজসেৱা বিভাগ





# চিঠি

সমীৰণ বৰগোহাঁই
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ


মৰমৰ

মোৰ সুগন্ধী পখিলাজনী

মৰম ল'বা। বহুদিনেই হ'ল তোমাৰ 'খবৰ' নোপোৱা। 'অকলে' ইয়াত বৰ আমনি লাগে জানা। তোমাৰ স্মৃতিবোৰ 'মামৰে ধৰা তৰোৱাল' হৈ বৰকৈ আঘাত সানে মোৰ কেঁচা কলিজাত। তোমাৰ সৈতে পাৰ কৰা সময়বোৰ এতিয়া 'সেউজী পাতৰ কাহিনী'ৰ দৰেই হ'ল। 'বকুল তলৰ বা' লাগি এতিয়া আৰু 'অনুৰাধাৰ দেশলৈ' মোৰ মন উৰি নাযায়। মই যেন তোমাৰ 'মায়া'ত বন্দী। 'প্ৰতিদিনে'ই মৰমৰ 'নৈ বৈ যায়' তোমালৈ। নাজানো পোৱা নে নোপোৱা মৰমবোৰ। 'চাহেবপুৰৰ বৰষুণজাকে' বৰকৈ সোঁৱৰাই, আমাৰ লগত তিতি বুৰি 'সোণালী' হৈ পৰা সেই দিনটোলৈ। সময়বোৰ যেন 'শৰবিদ্ধ' হ'ল। কিবা নাযায় নুপুৰাই। তোমাৰ মৰমত পোৱা 'সেই প্ৰেম আস্বাদন'এ আজিও অৱশ্যে জীপাল কৰি ৰাখিছে 'ভালপোৱাবোৰ'। বন্ধুজনে দিয়া 'নিয়মীয়া বাতা'ত 'এদিন' গম পাইছিলো যে 'বাৰ-ওঠৰ' দিনমান ছুটি পাম। কিন্তু 'শেষ প্ৰহৰৰ খেলা'ই যেন তাতো বাধা দিলে। শুনিলো যুদ্ধ হ'ব। যুদ্ধতকৈও যেন কষ্টকৰ তুমিহীনতাৰ এই 'নিষ্ঠুৰ দহন'। বৰকৈ চিন্তা নকৰিবা। যুদ্ধ শেষ হ'লে উভতিম। বিশেষ নিলিখো। আজিলৈ বিদায়। মৰম ল'বা।

ইতি
তোমাৰ
জীৱন

*(মহাবিদ্যালয় সপ্তাহৰ থলীতে লিখা চিঠি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)*



# চিঠি

বিতুমণি বুঢ়াগোহাঁই
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
বিজ্ঞান বিভাগ

পূজনীয়,

মা,


প্ৰথমে মোৰ হিয়াভৰা মৰম মোৰ মনৰ 'সঁফুৰা'ৰ পৰা তোমালৈ যাচিলো। মোৰ 'স্বাস্থ্য' বৰ্তমান ভালেই। আশাকৰো তোমাৰ আৰু দেউতাৰ 'স্বাস্থ্য' ভালেই আছে। মোৰ পঢ়া শুনা 'প্ৰতিদিনে' চলাই আহোঁ। 'জীৱনৰ বাটত' আগবাঢ়ি যাওঁতে মোৰ 'উচ্চাকাংক্ষা'ও 'দৈনিক' বাঢ়ি আহিছে। 'জীৱনৰ বাটত' 'খোজ' পেলাওঁতে নিজকে কেতিয়াবা 'ফুল তৰা গান'ৰ দেশৰ কোনোবা 'নাৰী' যেন লাগে আৰু ভাব হয় 'জীৱন জীৱন বৰ অনুপম' কলেজৰ 'নাহৰৰ নিৰিবিলি ছাঁ'ত বহি কেতিয়াবা ভাবো 'এয়েইতো জীৱন'। 'সোণ হৰিণৰ চেকুৰ'ৰ দৰে আমিও 'জীৱনৰ বাটত' দৌৰি যোৱা এটি হৰিণ। কেতিয়াবা মোৰ এনে 'দৈনন্দিন' কাম কাজৰ পৰা 'মুক্তি' লৈ অলপ সময়ৰ কাৰণে 'আত্মানুসন্ধান' কৰিবৰ মন যায় জানা। কিন্তু মোৰ বুকুত 'ছিয়েন নদীৰ ঢৌ'ৰ দৰে অলেখ 'সপোনে' থুপ খাই আছে। মোৰ বৰ মন যায় জানা 'নীলা সাগৰ আৰু সোণালী দেশ' চাবলৈ।

মই মোৰ জীৱন কেতিয়াবা বৰ নিসংগ অনুভৱ কৰো জানা তোমালোকৰ অবিহনে। সেই 'নিসংগতা'বোৰ তেতিয়া মই ভগাই লওঁ মোৰ 'ডায়েৰিৰ' পৃষ্ঠাত। 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নন্দিনী' বাইদেউ কেতিয়া ঘৰলৈ আহিব বাৰু? আহিলে জনাবাছোন। আমি দুইজনী লগ লাগি 'ঐতিহাসিক তেজপুৰ' চাবলৈ যাম। অ' মা, তুমি যে কৈছিলা 'পাটকাইৰ ইপাৰে মোৰ দেশ' আছে বুলি। কোনফালে আছেনো? এদিন হ'লেও মই তালৈ যাম। মোৰ 'অলকানন্দা' 'সুৰভি' ভন্টি আৰু 'জয়ন্তী' 'জুনুকা' আৰু 'গীতাঞ্জলি' বাইদেউহঁত ভালে আছেনে? দেউতাক মোৰ 'প্ৰণাম' দিব।

শেষত বেছি নাই। মোৰ কথা ভাবি চিন্তা নকৰিবা। মই তুমি 'নিষিদ্ধ' কৰি দিয়া বস্তুবোৰত, কামবোৰত হাত দিয়া নাই। মই এতিয়াও 'মোৰ ছোৱালীকালৰ' দৰেই হৈ আছো। পুনৰ মোৰ সেৱা ল'ব।

ইতি
তোমাৰ জী
বিতুমণি

*(মহাবিদ্যালয় সপ্তাহৰ থলীতে লিখা চিঠি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)*





# চিঠি

এনিশা শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক
শিক্ষা বিভাগ

মৰমৰ কস্তুৰী,

'নাহৰৰ নিৰিবিলি ছাঁ'ত বহি আজি তোমালৈ বুলি একলম লিখিলো। 'অনুৰাধাৰ দেশ'ৰ 'খবৰ' বহু দিন পোৱা নাই। 'প্ৰতিদিনি'ৰ 'সফুঁৰা'ত বহু পাওঁ 'আমাৰ অসমৰ'ৰ বাৰ্তা। কিন্তু 'ৰংমন'ৰ দলিচাত আজি 'জনমভূমি'ৰ ৰাঙলি বাৰ্তৰি শিতানত এমুঠি আশা। বাৰে বাৰে হেৰাই যায় 'অসীমত সীমা'। 'কাবুলীবালাৰ বাঙালী স্ত্ৰী' গৰাকী আজি মুক্ত হ'ল। 'সন্ধ্যা'ৰ পদূলিত এগচি আশাৰ চাকি। 'আধাৰলেখা দস্তাবেজ' খন মেলি বাৰে বাৰে চাওঁ। 'মাকাম'ৰ দলিচাত 'দঁতাল হাতী উঁয়ে খোৱা হাওদা'। 'নন্দিনী'ৰ দুহাতত 'প্ৰিয় সখী'ৰ সুন্দৰ উপহাৰ। 'মায়াবৃত্ত'ৰ আঁৰত তোমাৰ শুভাশীষৰ বাণী। আশা কৰো সময়ৰ বাকৰিত পাই যাম তোমাৰ 'নিয়মীয়া বাতা'। প্ৰতিশ্ৰুতি এমুঠি 'ভালপোৱা'ৰ। এই আশাৰেই সামৰিছো। 'কাঞ্চন' তোমাৰ। শেষ হৈ যোৱা সময়ত বিদায়ৰ শুভেচ্ছা। শেষত মৰমেৰে—

ইতি
তোমাৰ চিৰসখী।

*(মহাবিদ্যালয় সপ্তাহৰ থলীতে লিখা চিঠি প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)*



# চিঠি


**অশ্বিনী গগৈ**
**স্নাতক চতুৰ্থ ষাণ্মাসিক**
**শিক্ষা বিভাগ**

মৰমৰ পিয়লি,

মৰম ল'বা, তোমাৰ 'খবৰ' নোপোৱা আজিবহু দিনেই হ'ল। 'প্ৰতিদিন' তোমাক লগ পাবলৈ মোৰ যে নাই অত্যাধুনিক ইলেকট্ৰনিক মেছিন, ফেচবুক....। কেনে আছা তুমি? বিশ্ববিদ্যালয়ৰ 'নাহৰৰ নিৰিবিলি ছাঁত' 'সন্ধ্যা' দলিচা পাৰি কবিতা ৰছা আৰু বকুলৰ গাণ হিয়া ঢালি গোৱা তোমাৰ ছাগৈ মনত পৰে। এতিয়া যে মোৰ জীৱনৰ ৰং 'অসীমত হেৰাল সীমা।' 'নৈ বৈ যোৱাৰ' দৰে ময়ো লুইতৰ বলীয়া বানত উটি গ'লো নামনিমুৱা হৈ। বাৰু থাকক এইবোৰ। তুমি ছাগৈ ভাবিছা তোমাৰ 'প্ৰিয়সখী', 'নন্দিনী'য়ে দেখোন জীৱনৰ সমূহ 'মায়াবৃত্তকে' লিখি আছে। নিজৰ, গাঁওখনৰ 'দৈনিক খবৰ'বোৰ দিয়াই নাই। 'নিয়মীয়া বাৰ্তানো' কি শুনিবা, আইতাৰ সেই কথাষাৰ 'মনত পৰেনে'। বয়সতকৈ অনাউপযুক্ত সময়ত 'ভালপোৱা' হ'লে বহু কৰণীয়ৰ পৰা বঞ্চিত হয়। বাৰু থাকক এইবাৰ 'চৰাইখানা'লৈ গ'লে তোমাক যাতে লগ পাম। সুৰীয়া 'বাঁহী'ৰ 'সফুঁৰাই' তোমাৰ অভিমান ভাঙিব। বাৰু সামৰিলো পুনৰ মৰম ল'বা।

ইতি
তোমাৰ 'কাঞ্চন'

*(মহাবিদ্যালয় সপ্তাহৰ থলীতে লিখা চিঠি প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)*





# চিঠি

**ত্ৰিকেন্দ্ৰজিৎ চেতিয়া**
**স্নাতক চতুৰ্থ ষাণ্মাসিক**

মৰমৰ

নীলা

মৰম ল'বা। আজি বহুদিনৰ পৰা মনৰ 'সঁফুৰা'ত খেলি থকা অলিখিত শব্দবোৰ লিখিবলৈ লৈছো 'নীলা খামৰ চিঠি'ত। জ্ঞানৰ 'সমুদ্ৰ'ত 'বসুন্ধৰা'ৰ অচিন চিনাকী মুখখন চাবলৈ মন গৈছিল 'আমিও মানুহ' হিচাপে। 'ন মেনচ্ লেণ্ড'ত গৈ 'সময়'ৰ সোঁতত ভাঁহি যাবলৈ মন যায় মোৰ। 'আমাৰ অসম' বুলি চিঞৰি নিজৰ 'জনমভূমি' মাটি স্পৰ্শ কৰি 'মাটিৰ মানুহ' হ'বৰ মন যায়। 'এৰা বাটৰ সুৰ'ৰ ভাঁহি 'মৃত বিহংগ' হৈ উৰিবৰ মন যায়। কেনেকৈ বুজাও তোমাক 'এই সময় সেই সময়' বুলি কৈ মোৰ স্মৃতি 'অসীমত যাৰ হেৰাল সীমা' হ'লগৈ। প্ৰাণৰ 'গৰীয়সী' 'কাঞ্চন'ক ক'বৰ মন যায় মোৰ 'বৰ ভালপাওঁ তোমাক' মই। 'মামৰে ধৰা তৰোৱাল' লৈ 'বীৰ লাচিত'ৰ দৰে বুকু ফিন্দাই ক'বৰ মন যায় 'জয় আই অসম' 'এয়েতো জীৱন' নামৰ নৌকাত নিজৰ জীৱন উচৰ্গি 'ইয়াৰুইঙ্গম' হ'বৰ মন যায়।

লিখিবলৈ বহুতো থাকিল। পিছত লগ পালে জনাম মোৰ 'প্ৰান্তিক'ৰ কথা। শেষত

ইতি
তোমাৰ প্ৰিয় বন্ধু

*(মহাবিদ্যালয় সপ্তাহৰ থলীতে লিখা চিঠি প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত)*



# চিঠি

কংকনা গগৈ
স্নাতক দ্বিতীয় ষাম্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

মৰমৰ

মুকুতা

মৰমৰ 'মৌচাক'টি গ্ৰহণ কৰিবা বুলি আশা কৰিলো। আশাকৰো তোমাৰ ভাল, 'মৌ বনবোৰ' ভালেই চাগে। 'প্ৰান্তিকে' সেইদিনা মোৰ চিঠিৰ উত্তৰ দিলে।

'নতুন আৱিষ্কাৰ' এটা 'জনমভূমি'ক দিবলৈ 'দৈনিক অসম'ৰ বিজ্ঞানীসকলে নিজৰ 'দেশ'তে কিছু চেষ্টা কৰিব পাৰো তেতিয়াহে অসমলৈ 'সোণালী' দিন এটা আহিব। 'প্ৰতিদিনে' জ্ঞানৰ 'সফুঁৰা' বিচাৰি 'নিয়মীয়া'কৈ 'North East India' অথবা 'India Today'ৰ ছাত্ৰ-ছাত্ৰী সকলেও 'Competitition Succuses' বিচাৰে। স্বৰ্গদপী 'গৰিয়সী' জননী জন্মভূমিৰ 'মায়াত' আৱদ্ধ হৈ 'বিস্ময়' হৈ 'জীৱন বৰ অনুপম' কৰি তোলে। 'আমেৰিকাৰ চৰাইখানাত সংবাদ বসন্ত আৰু বন্ধু'ক লৈ ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে 'ভাৰতৰ ইতিহাস' সলনি কৰিব বিচাৰিছো। তুমি পিছে শুনিছা নে নাই?

তুমি জানায়ে আমাৰ 'অকনিয়ে সাধু' শুনি 'পুৱতি নিশাৰ সপোন' দেখোতেই 'পুৱতি তৰা', সোমায়ো 'কাচিয়লি ৰ'দ' ওলায়। মোৰ 'ডায়েৰী'ৰ পাতত 'সৰপাতে সুঁৱৰা বসন্ত'বোৰ সযতনে ৰাখি থৈছো।

শেষত 'আধালেখা দস্তাবেজ'ৰ দৰে মোৰ অনুভৱবোৰ সামৰিছো। তুমি তোমাৰ 'স্বাস্থ্য'ৰ যত্ন ল'ব। আজিলৈ সামৰো।

ইতি
তোমাৰ জুনুকা

*(মহাবিদ্যালয় সপ্তাহৰ থলীতে লিখা চিঠি প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত)*






College Student Union-2015-2016



Dr. Bimal Ch. Gogoi
President



Debobrath Borah
Vice-President



Abhinab Kalita
General Sec.



Ankur Gogoi
Asst. General Sec.



Mithu Gogoi
Major Games Sec.



Bitupon Phukan
Minor Games Sec.



Gyan Jyoti Gogoi
Magazine Sec.



Suraj Ghosai
Cultural Sec.



Bipul Gogoi
Music Sec.



Biswajit Lahon
Gymnasium Sec.



Ritwik Raj Chetia
Debating Sec.



Joyshree Bailung
Girls Commonroom Sec.




Ranghamitra Kakoti
Boys Commonroom Sec.



Kashyap Ranjan Gogoi
Social Service Sec.

# College Achivement



Phusang Kham Boruah (Champion of Champion), Amar Tanti (Mr. Sonar College), Rajib Pradhan (Strong Man)



Lakhi Chandra Das
Best Singer



Jyotirmoi Raychoudhary
Best Actor



Sourav Jyoti gogoi
Best Social Worker



Suranjana Chetia
Best Actress



Plabita Buragohain
Best Co-Actress



Disha Saikia
Strong woman



Pooja Gogoi
Best Director



Samiran Borgohain
Best Literator




Best Photography in D.U. 2015-2016






Sachin Rai,
Best Photographer in Dibrugarh University
(2015-2016)

## Some clips of 45th College Week



## Some Glimpses of Sonari College




সোণাৰি মহাবিদ্যালয়
স্থাপিত-১৯৭০
SONARI COLLEGE
Estd.-1970


SONARI COLLEGE LIBRARY






সোণাৰি মহাবিদ্যালয় প্ৰেক্ষাগৃহ
দাতা-অসম শাখা ভাৰতীয় চাহ সন্থা,
টি এচ'চিয়েচন অৱ ইণ্ডিয়া

